# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | | | |
|---|---|---|---|
| Record No: 2006/ 109 | | Language of work: Assamese | |
| Author (s) / Editor (s): ✓ Hemonto kumar Sarmah | | | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | | | |
| Transliterated Title: Asama Saāhaitya Sabhaā Patārikaā | | | |
| Translated Title: Magazine of Asam Sahitya Sabha | | | |
| Place of Publication: Jorhat | | Publisher: Asam Sahitya Sabha, Jorhat | |
| Year: 1973 | | Edition: | |
| Size: 23 1/2 cms. 4+96+2+95+3+94+3+96+87+104+2+79+3+47+2+64 | | Genre: Magazine | |
| Volumes: 30 - 9 issues | | Condition of the original: Not good | |
| Remarks: [illegible]: 1st volume published in 1927 and has been continuing. | | | |
| Holding institute: Assam Sahitya Sabha, Jorhat | | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. | |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|
| | | |

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক

৯ম সংখ্যা । পুহ



সম্পাদক : হেমন্তকুমাৰ শৰ্মা

## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকাৰ বছৰ বহাগৰ পৰা আৰম্ভ হ'ব আৰু প্ৰতি অসমীয়া মাহৰ প্ৰথম ভাগত এখনকৈ ওলাব।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ২০'০০ টকা আৰু ছমহীয়া বৰঙণি ১০'০০ টকা আগ ধৰি দিব লাগিব। প্ৰতি সংখ্যাৰ বেচ ২'০০ টকা।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি **এপিঠিত ফটফটীয়াকৈ লিখি** "অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব। আখৰ জোঁটনিত দ্বিত্ব বৰ্জন কৰে যেন।

৪। পত্ৰিকাত উচ্চমান-বিশিষ্ট জীৱনী, ভ্ৰমণ-কাহিনী, ভাষা-সাহিত্য, কলা-সংস্কৃতি, ইতিহাস, দৰ্শন, বিজ্ঞান আদি বিষয়ক প্ৰবন্ধ, গল্প, মৌলিক আলোচনা আদিয়ে ঠাই পাব। **প্ৰবন্ধাদি চুটি হোৱাটো বাঞ্ছনীয়।**

৫। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয় আৰু সেই প্ৰসঙ্গৰ কোনো উত্তৰ দিয়াও নহয়।

৬। সকলো টকা-পইচা "প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১ বা ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১" এই ঠিকনাত পঠাব।

৭। বিজ্ঞাপন আৰু কাকত সম্পৰ্কীয় চিঠি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব।


### অসম সাহিত্য সভা পত্ৰিকাৰ কাৰণে

অসমৰ বিভিন্ন ঠাইত বিজ্ঞাপন-সংগ্ৰহ আৰু পত্ৰিকা-বিক্ৰীৰ বাবে এজেণ্টৰ প্ৰয়োজন। এজেণ্টসকলক উচ্চ হাৰত কমিচন দিয়া হয়। তলৰ ঠিকনাত যোগাযোগ কৰক।

সহকাৰী সম্পাদক,
অসম সাহিত্য সভা,
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১


# অসম সাহিত্য সভা পত্ৰিকা


ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক

৯ম সংখ্যা ॥ পুহ


চিৰ চেনেহী মোৰ ভাষা জননী

অসম সাহিত্য সভা

সম্পাদক : হেমন্তকুমাৰ শৰ্মা

**অসম সাহিত্য সভা পত্ৰিকা**
ত্ৰিংশ বছৰ, ৯ম সংখ্যা, পুহ
১৮৯৫ শক ॥ ১৯৭৩-৭৪ চন

প্ৰকাশক :
**শ্ৰীনগেন শইকীয়া**
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় :
**চন্দ্ৰকান্ত সন্দিকৈ ভৱন**
যোৰহাট—১

গুৱাহাটী কাৰ্যালয় :
**ভগৱতীপ্ৰসাদ বৰুৱা ভৱন**
গুৱাহাটী—১

বেটুপাত : ( অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সৌজন্যত )

ছপাশাল :
**পূৰ্বদেশ মুদ্ৰণ**
বিহাবাৰী,
গুৱাহাটী-৮

বেচ—২'৫০ টকা

# সূচীপত্ৰ


| | বিষয়— | পৃষ্ঠা— | লেখক— |
|---|---|---|---|
| ১। | বৰ্তমান সমাজত সাহিত্যিকৰ ভূমিকা | ॥ ১ ॥ | শ্ৰীতৰণীকান্ত শৰ্মা |
| ২। | হিন্দু নাট্য পৰিক্ৰমা | ॥ ৫ ॥ | ড: প্ৰফুল্ল কটকী |
| ৩। | আধুনিক অসম গঢ়োতা সাহিত্যৰথী লক্ষ্মীনাথ | ॥ ১১ ॥ | শ্ৰীনাৰায়ণ বেজবৰুৱা |
| ৪। | মোক্ষ আৰু ৰসময়ী ভক্তি | ॥ ১৬ ॥ | অধ্যক্ষ শ্ৰীৰমণীকান্ত শৰ্মা |
| ৫। | ভুৱনেশ্বৰৰ ললিত কলাপীঠ | ॥ ২০ ॥ | ৰমেশ চন্দ্ৰ বৰা |
| ৬। | গোৱালপৰীয়া লোক-কথাত জন জীৱন | ॥ ২২ ॥ | শ্ৰীদ্বিজেন নাথ |
| ৭। | সম্প্ৰীতি আৰু বিদ্বেষ | ॥ ২৭ ॥ | অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা |
| ৮। | অসমৰ সংস্কৃতি আমাৰ কৰ্তব্য | ॥ ৩০ ॥ | শ্ৰীমঙ্গলচণ্ডী ব্ৰহ্ম |
| ৯। | অসম সাহিত্য সভা লেখক শিবিৰ—সামৰণী সভা | ॥ ৩৩ ॥ | শ্ৰীগিৰিধৰ শৰ্মা |
| ১০। | শতবাৰ্ষিকৰ সামৰণিত | ॥ ৪৩ ॥ | ড: মহেশ্বৰ নেওগ |
| ১১। | এৰাবোটলা যৎকিঞ্চিত | ॥ ৪৫ ॥ | অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা |
| ১২। | পোৱা পুথিৰ চিনাকি | ॥ ৫১ ॥ | |
| ১৩। | অসমীয়া গ্ৰন্থপঞ্জী | ॥ ৫৩ ॥ | সংগ্ৰাহক :—নন্দ তালুকদাৰ |
| ১৪। | ৰাইজৰ চিঠি | ॥ ৬১ ॥ | |
| ১৫। | সম্পাদকৰ চ'ৰা | ॥ ৬৩ ॥ | |


• অসম সাহিত্য সভা পত্ৰিকা ৩০শ বছৰ : ৯ম সংখ্যা পুহ : ১৮৯৫ শক ॥ ১৮৭৪ চন ॥
সম্পাদক—হেমন্ত কুমাৰ শৰ্মা।

# আমাৰ কৃতজ্ঞতা জ্ঞাপন

সাহিত্য সভাৰ মঙ্গলদৈ অধিবেশনৰ লগে লগে আমাৰ কাৰ্যকাল শেষ হব। এই বছৰটোত আমি যি আঁচনি হাতত লৈছিলো, তাক সম্পূৰ্ণ কৰিব নোৱাৰিলোঁ—তাৰ বাবে ৰাইজৰ ওচৰত নতশিৰে ক্ষমা বিচাৰিছোঁ। যিখিনি কাম কৰিব পাৰিলো, সেই কাম কৰাত কাৰ্যপালিকাৰ সদস্য সকলৰ, প্ৰকাশন সমিতিৰ বিভিন্ন বিভাগৰ সদস্য সকলৰ আৰু অন্যান্য সহযোগী সকলৰ সম্পূৰ্ণ সহযোগিতা আৰু সকলো প্ৰকাৰৰ সহায় পাইছিলো। সেই সকলোলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গ্ৰন্থ প্ৰকাশন শিতানৰ পৰা ৯ খন কিতাপ ছপাই প্ৰকাশ কৰিব পৰা হ'ল। যি সকলৰ দানেৰে এই কিতাপখিনি প্ৰকাশ কৰিব পৰা হল, সেই সকলৰ নাম আৰু দানৰ পৰিমাণ এই পত্ৰিকাৰ ৪১ পৃষ্ঠাত বিতংভাবে দিয়া হৈছে। এই দাতা সকলৈ আৰু যি সকলে এই কিতাপ কেইখন লিখি দিলে, সেই সকলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। অসম চৰকাৰেও এই প্ৰকাশনৰ কাৰণে এটি বিশেষ অনুদান দিছে, তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ। গুৱাহাটীৰ স্থানীয় ৮টা প্ৰেছে অতি কম সময়ৰ ভিতৰতে কিতাপ কেইখন ছপাই উলিয়াই দিলে, তাৰ কৰ্মকৰ্তা আৰু কৰ্মী সকলকো ধন্যবাদ জ্ঞাপন কৰিলোঁ।

'সমন্বয় কেন্দ্ৰ স্থাপন' বিভাগৰ পৰা বিভিন্ন জনগোষ্ঠীৰ আৰু ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ এখন সভা পাতি সকলো কথা বিষদভাবে আলোচনা কৰা হৈছিল। লেখক শিবিৰৰ সমান্তৰালে এনে আলোচনা সভা এখনৰ ব্যৱস্থা কৰা হৈছিল। তাত যি সকলে যোগদান কৰিছিল, সেই সকলৈও আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আশাকৰোঁ এনে সভাই আমাৰ মাজৰ পৰা ভুল বুজাবুজি আঁতৰাই সম্প্ৰীতি আৰু সংহতি স্থাপনত সহায় কৰিব।

অসমৰ বিভিন্ন স্থান আৰু অৰুণাচল ভ্ৰমণকালত আমাক নানাজনে নানা প্ৰকাৰে সহায় কৰিছে, সেই সকলৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই ভ্ৰমণ কালত অহা সংস্পৰ্শৰ ফলত আমাৰ মাজত সংগঠন আৰু সংহতি হোৱাত সহায় হব বুলি আশা কৰিছোঁ। এই বছৰৰ ভিতৰত হোৱা আজীৱন সভ্য সকলৈও আমাৰ আন্তৰিক শলাগ জনালোঁ।

অসম সাহিত্য সভা পত্ৰিকাখন প্ৰচাৰৰ, সংগঠনৰ আৰু উৎসাহৰ বাহক হোৱা বুলি ভাবিছিলোঁ। যি সকলৰ অশেষ চেষ্টা আৰু সহযোগত এই পত্ৰিকাৰ ৯টা সংখ্যা প্ৰকাশ হ'ল সেই সকলৈও আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আমাৰ অনুৰোধক্ৰমে পত্ৰিকাৰ কাৰণে যি সকলৰ প্ৰবন্ধ আৰু প্ৰকাশনৰ কাৰণে লিখা কিতাপ সময় অভাৱত ছপাই উলিয়াব পৰা নহ'ল, সেই সকলৰ ওচৰত ক্ষমা বিচাৰিলোঁ।

**ৰাইজৰ ওচৰত আমাৰ সশ্ৰদ্ধ ভক্তি জ্ঞাপন কৰিলোঁ।**

গুৱাহাটী
৩ ফেব্ৰুৱাৰী, ১৯৭৪

শ্ৰীগিৰিধৰ শৰ্মা
সভাপতি,
অসম সাহিত্য সভা।

# বৰ্তমান সমাজত সাহিত্যিকৰ ভূমিকা

শ্ৰীতৰণীকান্ত শৰ্মা

সমাজৰ লগত সাহিত্যিক ওতপ্ৰোতভাৱে জড়িত। সমাজে সাহিত্যিকক সাহিত্য ৰচনাৰ বাবে সমল যোগায় আৰু প্ৰেৰণা দিয়ে। সমাজ বিহনে সাহিত্য সৃষ্টি অসম্ভৱ, কাৰণ সমাজৰ বাবে আৰু সমাজকলৈয়ে সাহিত্য। আনহাতে সাহিত্যিকে মানৱ মনৰ চিন্তাৰাশিক সজাই পৰাই এনেভাৱে সমাজৰ আগত দাঙি ধৰে যাৰ ফলত সমাজ ক্ৰমশঃ উন্নততৰ স্তৰলৈ অগ্ৰসৰ হৈ সভ্যতাৰ শ্ৰীবৃদ্ধি কৰে। সমাজৰ অগ্ৰগতি বা সভ্যতাৰ বিকাশৰ মূলত মানৱ মনৰ চিন্তা, কল্পনা প্ৰভৃতি মানসিক শক্তি সমূহৰ বিকাশ। ৰূপে, ৰসে ভৰা এই বিশ্ব প্ৰকৃতিৰ অনন্ত ৰহস্যৰ মাজত মানুহ নীৰৱ, নিস্তব্ধ, নিৰ্বিকাৰ হৈ থাকিব নোৱাৰে। তাৰ পঞ্চেন্দ্ৰিয়ৰ মাজেদি বহিঃপ্ৰকৃতিৰ প্ৰভাৱ অন্তৰত প্ৰৱেশ কৰি প্ৰাণত জগায় বিভিন্ন অনুভূতি, চিন্তা আৰু কল্পনা। সি আত্মপ্ৰকাশৰ বাবে ব্যাকুল হৈ উঠে। ভাৱ, ভঙ্গী, ভাষা প্ৰভৃতিৰ মাজেদি সি আত্মপ্ৰকাশ কৰিবলৈ চিন্তা কৰে। এই ভাৱেই মানুহে সৃষ্টি কৰে সাহিত্য, সঙ্গীত, নৃত্য আৰু বিভিন্ন কলা। কিন্তু ভাষাই হৈছে মানুহৰ ভাব প্ৰকাশৰ আটাইতকৈ শ্ৰেষ্ঠ বাহন। নৃত্য, সঙ্গীত, চিত্ৰকলা প্ৰভৃতিয়ে মানুহক সহজতে মুগ্ধ কৰিব পাৰে সঁচা, কিন্তু সেইবোৰৰ অন্তৰ্নিহিত ভাৱ সহজ বোধগম্য নহয়। একমাত্ৰ ভাষাৰ মাজেদিয়ে মানুহে নিজক সম্পূৰ্ণমতে প্ৰকাশ কৰিব পাৰে আৰু আনৰ প্ৰকাশিত ভাৱ সহজে বুজিব পাৰে।

মানুহে অকলশৰে থাকিব নোৱাৰে। সেইবাবে নিৰ্জন কাৰাবাস মানুহৰ কাৰণে কঠোৰতম শাস্তি। নিৰ্জন গুহা বা পৰ্বত-কন্দৰত অকলশৰে ধ্যানমগ্ন হৈ থকা যোগী বা মহাপুৰুষৰ কথা সুকীয়া। সমাজ জীৱনতে মানুহৰ জীৱনৰ পদক্ষেপ আৰু তাৰ ব্যক্তিত্বৰ বিকাশ। কিন্তু এই বিৰাট জনসমাজৰ মাজত অতি কম সংখ্যক মানুহ আছে যিসকলে অত্যাধিক পৰিমাণে সমাজ-চেতন হৈ মানৱ-সমাজৰ উত্থান-পতন, উন্নতি-অৱনতি আৰু সংস্কাৰ বা বিপ্লৱত অংশ গ্ৰহণ কৰে। এই কম সংখ্যক মানুহৰ ভিতৰতে থাকে সমাজ-কৰ্মী, ৰাজনৈতিক নেতা, কলাবিদ, চিন্তানায়ক আৰু সাহিত্যিকসকল। গোটেই সমাজখনেই যদিও এওঁলোকৰ কৰ্মক্ষেত্ৰ আৰু চিন্তাৰ বিষয়বস্তু, তথাপি প্ৰতিভাৰ তাৰতম্য লৈ কিছুমানে সমগ্ৰ মানৱ জাতিৰ সমস্যা লৈ চিন্তা কৰে, কিছুমানে বা নিজ দেশ বা সমাজৰ সমস্যালৈয়ে ভাৱে বা কাম কৰে। আকৌ কিছুমানে সমাজৰ মাত্ৰ দুই এটি সমস্যা লৈয়ে ব্যস্ত থাকে। কিছুমানে বা সমাজৰ সামগ্ৰিক ৰূপটোৰ কথা চিন্তা কৰি কামত আগবাঢ়ে। সেইবাবে সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত বিষয়বস্তু বা ভাৱৰ গুৰুত্বলৈ পাৰ্থক্য দেখা যায়। কিছুমান সাহিত্য কালজয়ী বা যুগমীয়া, আকৌ কিছুমান সাময়িক বা এটা বিশেষ কালৰ বাবেহে উপযোগী বা স্থায়ী, যদিও সকলো সাহিত্যৰে এটা ঐতিহাসিক মূল্য আছে। যি যুগত যি সাহিত্য ৰচিত হয় সেই সাহিত্যৰ মাজেদি সেই যুগৰ সামাজিক

অৱস্থাৰ বিৱৰণ কম বেছি পৰিমাণে পোৱা যায়। সেইবাবে সাহিত্যক সমাজৰ দাপোণ বুলি কোৱা হয়।

সাহিত্য-সৃষ্টি ব্যক্তিগত প্ৰতিভাৰ বিকাশ, কিন্তু ইয়াৰ প্ৰভাৱ ব্যক্তি আৰু সমষ্টিৰ ওপৰত। সেইবাবে সাহিত্যিকক সমষ্টিৰ বা সমাজৰ মুখপাত্ৰ বা চিন্তানায়ক হিচাপে গণ্য কৰা হয়। দাৰ্শনিক, ৰাজনৈতিক বা অৰ্থনৈতিক চিন্তাধাৰায়ো সমাজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু তেনেকুৱা চিন্তাবিদসকলকো সমাজৰ চিন্তা-নায়ক আখ্যা দিয়া হয়। কিন্তু তেওঁলোকৰ লগত সাহিত্যিকৰ পাৰ্থক্য বহুতখিনি। তেওঁলোকে জ্ঞান-বিজ্ঞানৰ এটা নিৰ্দিষ্ট শাখাৰ ভিতৰতে সীমাবদ্ধ থাকি সেই বিষয়ৰ তত্ত্ব অনুসন্ধান কৰে। কিন্তু সাহিত্যিকৰ চিন্তাক্ষেত্ৰ সীমাবদ্ধ নহয়, বহল আৰু ব্যাপক। সাহিত্যিকে জ্ঞান-বিজ্ঞানৰ সকলোবোৰ শাখাৰ তত্ত্বসমূহ সাহিত্যত সামৰি লব পাৰে, যদিও অকল তথ্য প্ৰকাশৰ বাবে নহয়। সমাজ বা মানৱ জীৱনৰ ওপৰত তাৰ ক্ৰিয়া, প্ৰতিক্ৰিয়া বা ফলাফল কি হয় বা হব পাৰে সাহিত্যিকে সমাজ চিত্ৰ বা আলোচনাৰ মাজেদি পাঠক-পাঠিকাৰ আগত দাঙি ধৰে। সাহিত্যিক সাধাৰণতে তত্ত্বদৰ্শী বা তত্ত্ব উদ্ধাৰক নহয়, যদিও কোনো সাহিত্যিকে তেওঁৰ সাহিত্যিক অৱদানৰ মাজেদি কোনো নতুন তত্ত্ব দাঙি ধৰিব পাৰে। সাহিত্যিকৰ আচল কাম হ'ল জীৱন আৰু সমাজ সম্বন্ধে যিবোৰ কথা আছে বা থাকিব পাৰে, সেইবোৰৰ চিত্ৰ বা সেইবোৰৰ বিষয়ে নিজ দৃষ্টিভঙ্গী বা মতামত পাঠকৰ আগত মনোৰম ভাবে দাঙি ধৰা। ইয়াতেই সাহিত্যিকে মানৱ হৃদয় বা মানুহৰ মনৰ চিন্তা, কল্পনা, আবেগ, অনুভূতি প্ৰভৃতিৰ আশ্ৰয় লৈয়ে নিজ প্ৰতিভা বিকাশৰ সুবিধা কৰি লয়। যাৰ ৰচনাই যিমানেই মানৱ মনক গভীৰভাৱে আলোড়িত কৰিব পাৰে সিমানেই সাহিত্য সৃষ্টিৰ কৃতিত্ব বা সাৰ্থকতা। এইভাৱে সাহিত্যই মানুহৰ মনত যি প্ৰতি-ক্ৰিয়া আনি দিয়ে তাৰে ফলত সমাজত নানা প্ৰকাৰ ক্ৰিয়া, প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় এনেকি বিপ্লৱৰো সৃষ্টি হব পাৰে। সমাজৰ কোনো এবিধ পৰিবৰ্তন ঘটোৱাত বা কোনো এটা পৰিবৰ্তিত অৱস্থা গ্ৰহণ কৰাৰ বাবে মানসিক প্ৰস্তুতি গঢ়ি দিয়াত সাহিত্যই প্ৰধান ভূমিকা গ্ৰহণ কৰে। সেই বাবেই সাহিত্যিক এজন উল্লেখযোগ্য সমাজসেৱক।

বিভিন্ন যুগৰ সাহিত্যৰ মাজেদি সেই যুগৰ সমাজ-চিত্ৰ পোৱা যায় যদিও সাহিত্যিকৰ ভূমিকা মাত্ৰ দাঙি ধৰাই নহয়। সমাজৰ কথালৈয়ে সাহিত্য সৃষ্টি হয় সঁচা, কিন্তু তাৰ অন্তৰালত থাকে সাহিত্যিকৰ এক মহান উদ্দেশ্য আৰু সেই উদ্দেশ্য প্ৰণোদিত হয় সাহিত্যিকৰ নিজস্ব জীৱন দৰ্শনৰ দ্বাৰাই। গতিকে সমাজৰ প্ৰগতিমূলক অগ্ৰগতিত সাহিত্যিকৰ ভূমিকা গুৰুত্বপূৰ্ণ। কিন্তু ভাৰতত বৰ্তমান সমাজ অতি জটিলতা পূৰ্ণ। ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, ধৰ্মনীতি সকলোতে আদৰ্শৰ বিৰাট সংঘাত। বৰ্তমান সভ্যতাৰ প্ৰভাৱ পৰাৰ আগতে ভাৰতত সমাজৰ যিটো ৰূপ আছিল সি আছিল একপ্ৰকাৰ সৰল। ৰাজনীতি ক্ষেত্ৰত ৰাজতন্ত্ৰ আৰু সামন্ততন্ত্ৰৰ বাহিৰে আজিৰ দৰে অন্য কোনো আদৰ্শবাদে সংঘাত ঘটোৱা নাছিল। অৰ্থ-নীতি ক্ষেত্ৰত ধনতন্ত্ৰবাদেই একছত্ৰী-আধিপত্য বিস্তাৰ কৰিছিল। সমাজৰ ধৰ্মৰ প্ৰভাৱ আছিল অত্যাধিক আৰু সমাজ পৰিচালিত হৈছিল ধৰ্মীয় অনুশাসনৰ দ্বাৰাই। তেতিয়াৰ সমাজে এনে ব্যৱস্থাবোৰ প্ৰায় একমত হৈ মানি চলিছিল বাবে সাহিত্যিকসকলৰ পথ সুগম আছিল। তেতিয়াৰ সাহিত্যত সেই একে ধৰণৰ আদৰ্শই স্থান লাভ কৰিছিল। কিন্তু আজি বস্তুতান্ত্ৰিক বা বৈজ্ঞানিক সভ্যতাৰ প্ৰভাৱত অকল ভাৰততে নহয়, পৃথিৱীৰ প্ৰায় সকলো দেশতে বিভিন্ন আদৰ্শৰ অবিৰ্ভাৱ হবলৈ লাগিছে। তাৰে ফলত সাহিত্যিকসকলৰ মাজতো বিভিন্ন দল বা গোষ্ঠীৰ সৃষ্টি হৈছে। বৰ্তমানে কোনো এজন সাহিত্যিকে ৰাজতন্ত্ৰক সমৰ্থন কৰি সাহিত্য সৃষ্টি নকৰে সঁচা, কিন্তু সকলো সাহিত্যিকে একেটা



আদৰ্শকে অনুসৰণ নকৰে। কিছুমানে হয়তো গণতান্ত্ৰিক আদৰ্শৰ দ্বাৰাই অনুপ্ৰাণিত হৈ সাহিত্য ৰচনা কৰে, কিছুমানে বা সমাজবাদী সমাজ ৰচনাৰ আদৰ্শ লয়, আকৌ কিছুমানে বা সাম্যবাদী আদৰ্শ লৈ সাহিত্য ৰচনা কৰে। অৰ্থনীতিৰ ক্ষেত্ৰতো কিছুমান সাহিত্যিক পুঁজিবাদী অৰ্থনীতি সমৰ্থন কৰে, কিছুমানে বা সমাজ-বাদী বা সাম্যবাদী অৰ্থনীতিৰ সমৰ্থক। এনে অৱস্থাত বৰ্তমানে সাহিত্য ৰচনাত সাহিত্যিকসকলৰ নিজ নিজ আদৰ্শবাদৰ প্ৰভাৱ নপৰাকৈ নাথাকে। বৰং কিছুমান সাহিত্যিকক অপ্ৰত্যক্ষভাৱে নিজ আদৰ্শবাদ দাঙি ধৰা দেখা যায়। সামাজিক দিশতো সাহিত্যিকসকলে নিজ নিজ মত অনুযায়ী বিভিন্ন ধৰণৰ মত প্ৰকাশ কৰা দেখা যায়। ভাৱ প্ৰকাশৰ ক্ষেত্ৰত যেন বৰ্তমানে অৰাজকতাৰ সৃষ্টি হৈছে এনে ধাৰণা জন্মে।

আচলতে কিন্তু ভাৱ প্ৰকাশৰ ক্ষেত্ৰত অৰাজকতাৰ সৃষ্টি হোৱা নাই। সাহিত্যিকৰ চিন্তাধাৰাৰ প্ৰকাশৰ ওপৰত সাধাৰণতে কোনোৰূপ বাধা-নিষেধ আৰোপ কৰা উচিত নহয়। সাহিত্যিক এই বিষয়ত সম্পূৰ্ণ স্বাধীন। চীন, ৰুছিয়া প্ৰভৃতি সাম্যবাদী ৰাষ্ট্ৰৰ বাহিৰে পৃথিৱীৰ অন্য কোনো দেশতে সাহিত্যিকৰ চিন্তাধাৰাক খৰ্ব কৰাৰ প্ৰয়াস দুই-এটা বিশেষ ক্ষেত্ৰৰ বাহিৰে প্ৰায়ে দেখা নাযায়। সাহিত্যিকসকল কোনো নহয় কোনো এখন সমাজৰ সভ্য আৰু কোনো এখন ৰাষ্ট্ৰৰ নাগৰিক। নিজ সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰতি তেওঁলোকৰ আনুগত্য থকা নিতান্ত উচিত। তেওঁলোকে যদি ৰাষ্ট্ৰ বিৰোধী চিন্তাধাৰা, যাৰ পৰাই ৰাষ্ট্ৰৰ অনিষ্ট হব পাৰে, প্ৰকাশ কৰে, অথবা নিজ দেশৰ মান-মৰ্যদা হানি কৰি নিজৰ দেশক পৃথিৱীৰ ওচৰত হেয় কৰিবলৈ চেষ্টা কৰে, তেনেহলে সাহিত্যিকৰ তেনেকুৱা চিন্তাধাৰাক খৰ্ব কৰা বা প্ৰকাশ কৰাৰ সুযোগ নিদিয়া ৰাষ্ট্ৰৰ পক্ষে উচিত হব। তেনেকুৱা সাহিত্যৰ ওপৰত পৃথিৱীৰ প্ৰায় সকলো ৰাষ্ট্ৰই বাধা-নিষেধ আৰোপ কৰে। ইয়াৰ বাহিৰেও এটা মানৱীয় দিশৰ কথা আছে। ৰাজনীতি, অৰ্থনীতি প্ৰভৃতিৰ মতবাদবোৰৰ কথা প্ৰচাৰ কৰাত গণতান্ত্ৰিক দেশবোৰে আপত্তি নকৰে। সেইবাবে আমাৰ দেশতো এনেকি পৰস্পৰ বিৰোধী মতবাদবোৰৰ প্ৰচাৰ হোৱাত কোনো বাধা নাই। এই বিষয়ত সাহিত্যিক-সকল সম্পূৰ্ণ স্বাধীন। কিন্তু ব্যক্তিৰ চাৰিত্ৰিক অৱনতি ঘটাই সমাজৰ অনিষ্ট সাধন কৰাৰ সম্ভাৱনা থকা সাহিত্যক সমাজ বা ৰাষ্ট্ৰই কেতিয়াও অনুমোদন কৰিব নোৱাৰে বা কৰা উচিত নহব। সমাজৰ তথা মানৱতাৰ উন্নতি সাধনেই সাহিত্যৰ মুখ্য উদ্দেশ্য। সাহিত্যৰ মাজেদি কিছুমান অবাস্তৱ, কাল্পনিক, একেবাৰে নিখুঁত আদৰ্শ চৰিত্ৰ দাঙি ধৰাৰ দিন আজি আৰু নাই। সাহিত্য ক্ষেত্ৰতো এইটো বাস্তৱতাৰ যুগ। জীৱনৰ বা সমাজৰ বাস্তৱ ৰূপটোহে সাহিত্যৰ মাজেদি ফুটাই তুলিব লাগে। কিন্তু বাস্তৱতাৰ খাতিৰত জীৱনৰ বা সমাজৰ এনে চিত্ৰ দাঙি ধৰা উচিত নহয় যাৰ ফলত পাঠক-পাঠিকাৰ অভিৰুচি কদৰ্য্যতাৰ ফালে যাব পাৰে আৰু চৰিত্ৰৰ অৱনতি ঘটাৰ সম্ভাৱনা থাকে। আজিকালি পৃথিৱীৰ বিভিন্ন দেশত মাত্ৰ ধন উপাৰ্জনৰ উদ্দেশ্য লৈয়ে অশ্লীল সাহিত্যৰ সৃষ্টি কৰা হৈছে। এইবোৰ গ্ৰন্থই সমাজৰ যথেষ্ট অনিষ্ট কৰিবলৈও ওলাইছে। ওখ-খাপৰ সাহিত্যতো যে অশ্লীল বা নগ্ন চিত্ৰ নেথাকে সি নহয়। টলষ্টয়ৰ উপন্যাসতো তেনে চিত্ৰ আছে। কিন্তু সেই চিত্ৰই মন নিম্নগামী নকৰে। চৰিত্ৰৰ এটা দুৰ্বলতা দেখুৱাই তাৰ পিছত মনোবৈজ্ঞানিক বিশ্লেষণৰ দ্বাৰাই তাৰ পৰিণতি বা প্ৰতিক্ৰিয়া দেখুৱালে পাঠকৰ মনৰ ওপৰত বিৰূপ বা নিম্নগামী প্ৰভাৱ নপৰেগৈ। সেইবাবে দুই-এটা অশ্লীল চিত্ৰ থাকলেই অশ্লীল সাহিত্য বুলি আখ্যা দিব নোৱাৰি। মহাকবি কালিদাসৰ "কুমাৰ-সম্ভৱ"তো অশ্লীল চিত্ৰ আছে। অশ্লীল সাহিত্যৰ পৰা ধন উপাৰ্জনৰ সুবিধা থকা বাবে কম প্ৰতিভা থকা কিছুমান লিখকে তেনে গ্ৰন্থ ৰচনা কৰে। কিন্তু সমাজ আৰু সভ্যতাক আগবঢ়াই নিয়াৰ যি মহান কৰ্তব্য সাহিত্যিকসকলৰ আছে বা থকা উচিত তেখেত

সকল সেই কৰ্তব্যৰ প্ৰতি সচেতন হৈ তেনেকুৱা সমাজৰ অনিষ্টকাৰী সাহিত্য ৰচনাৰ পৰা বিৰত হোৱা উচিত।

আজি ভাৰতত সমাজৰ যিটো ৰূপ সি অপৰূপ! ইয়াত সভ্যতাৰ আদিম অৱস্থাৰ সমাজৰ পৰা বিংশ শতিকাৰ অত্যাধুনিক সমাজলৈ বিভিন্ন স্তৰৰ বিভিন্ন ৰূপৰ সমাজ দেখিবলৈ পোৱা যায়। এই নিম্ন স্তৰৰ সমাজবোৰক তথা দেশখনক উন্নতত্তৰ কৰি গঢ়ি তোলা আমাৰ সকলোৰে কৰ্তব্য। অথচ কামটো সহজসাধ্য নহয়। অৰ্থনৈতিক দিশত উন্নতি হলেই সভ্যতাৰ পথত উন্নতি হোৱা বুলি দাবী কৰিব নোৱাৰি। শিক্ষা, সংস্কৃতি, জ্ঞান, বিজ্ঞান সকলো দিশতে সমূহীয়াকৈ উন্নতি কৰিব নোৱাৰিলে, মাত্ৰ ওপৰৰ স্তৰত কেতবোৰ মানুহে উন্নতি কৰিলেই দেশখনৰ উন্নতি হোৱা বুলি ধৰিব নোৱাৰি। নিম্ন স্তৰৰ সমাজবোৰক উন্নত কৰি উচ্চস্তৰলৈ নিব নোৱাৰিলে আমি উন্নত জাতি হিচাপে বিশ্বৰ দৰবাৰত উচ্চশিৰে থিয় দিব নোৱাৰিম। এই দিশত আজি সাহিত্যিকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সাহিত্যিকসকলে এক সৰ্বাঙ্গীন দৃষ্টিভঙ্গীৰে কামত আগবাঢ়িলহে প্ৰকৃত পথৰ সন্ধান পাব বুলি ধাৰণা হয়। এই কামৰ বাবে সাহিত্যিকে একানপটীয়াকৈ লাগি থাকিব লাগিব; সাহিত্য সৃষ্টিক অৱসৰ বিনোদনৰ বস্তু কৰি ললে নচলিব। সাহিত্যিকজন হ'ব লাগিব জীৱনব্যাপী সাহিত্য-সাধক। সাহিত্য সৃষ্টিয়ে হব লাগিব তেওঁৰ জীৱনৰ একমাত্ৰ লক্ষ্য, সাহিত্যই হ'ব লাগিব তেওঁৰ সাধনাৰ ধন। লগতে তেওঁ হব লাগিব যথেষ্ট পৰিমাণে অধ্যয়ন পুষ্ট। নিজৰ দেশৰ অতীত সভ্যতা, কৃষ্টি আদি বাদ দি যিহেতুকে কোনো জাতিয়ে উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে, সেইবাবে সাহিত্যিকসকলে নিজ দেশৰ সাহিত্য, কলা, কৃষ্টি, ধৰ্ম ইত্যাদিৰ বিষয়ে অৰ্থাৎ এক কথাত দেশৰ অতীত আৰু বৰ্তমানৰ বিষয়ে ভালমতে জ্ঞান আহৰণ কৰা উচিত। লগতে পৃথিৱীৰ বিভিন্ন দেশৰ সাহিত্য, কৃষ্টি বা চিন্তাধাৰাৰ বিষয়ে কিছু পৰিমাণে জ্ঞান লাভ কৰা উচিত। কাৰণ আজি যান্ত্ৰিক সভ্যতাৰ প্ৰভাৱত কোনো এখন দেশে নিজক বিশ্বৰ প্ৰগতিধাৰাৰ পৰা বিচ্ছিন্ন কৰি আচুতীয়াকৈ ৰাখিব পৰা নাই। ভাৰতৰ ওপৰত বিশেষকৈ আমাৰ সাহিত্য, কৃষ্টিৰ ওপৰত পাশ্চাত্য সভ্যতাৰ তথা পাশ্চাত্য সাহিত্য, কৃষ্টিৰ প্ৰভাৱ যথেষ্ট পৰিমাণে পৰিছে। আজিৰ পৃথিৱী এক বিশ্ব সভ্যতাৰ ফালে আগবাঢ়িছে। আমাৰ সাহিত্যিক সকলে, যি সকলে আমাৰ চিন্তাধাৰাক গঢ় দি আহিছে, বিশ্বৰ চিন্তাধাৰাৰ লগত সংযোগ ৰক্ষা কৰা উচিত হব।

ইয়াৰ বাহিৰেও নিজৰ দেশৰ বৰ্তমান সমাজখনৰ বিষয়ে বহল আৰু গভীৰভাৱে অধ্যয়ন কৰি বাস্তৱ অভিজ্ঞতা লাভ কৰা উচিত। সমাজত যিবোৰ অবাঞ্ছিত নীতি, নিয়ম, আচাৰ, ব্যৱহাৰ, অন্ধবিশ্বাস, কুসংস্কাৰ আছে সেইবোৰৰ অনিষ্টকৰ ফলাফলৰ চিত্ৰ সাহিত্যিকে সমাজৰ আগত সাহিত্য সৃষ্টিৰ মাজেদি এনেভাৱে দাঙি ধৰিব লাগিব, যাতে সেই সাহিত্যই পাঠক-পাঠিকাৰ হৃদয় স্পৰ্শ কৰি তেওঁলোকৰ চিন্তা আৰু অনুভূতিত আলোড়নৰ সৃষ্টি কৰিব পাৰে। সাহিত্যিকৰ কৃতিত্ব তাতেই। সাহিত্যিকে উপদেশ নিদিয়ে, সমাজ সংস্কাৰ কৰিব লাগে বুলি নকয়, কিন্তু সমাজৰ দোষ ত্ৰুটি-বোৰৰ চিত্ৰখন এনেভাৱে দাঙি ধৰিব যাৰ ফলত পাঠকৰ অনুভূতিত আঘাত লাগিব, অন্তৰত বিদ্ৰোহৰ অগ্নি জ্বলিবলৈ আৰম্ভ কৰিব। এইভাৱেই জনমত গঠিত হব আৰু সমাজৰ ৰূপান্তৰ ঘটিব। আজি আমাৰ সমাজত হিংসা, দুৰ্নীতি, ঠগ, প্ৰৱঞ্চনা, আত্মকেন্দ্ৰিক ভাব প্ৰভৃতিয়ে যিভাৱে বিস্তাৰ লাভ কৰি আমাৰ জাতীয় চৰিত্ৰত কলঙ্ক আনি দিছে সেইবোৰ দূৰ কৰিব নোৱাৰিলে আমি এক অধঃপতিত জাতিত পৰিণত হ'ম। বক্তৃতা, উপদেশ বা শাস্তিমূলক ব্যৱস্থাৰ দ্বাৰা ইয়াক দূৰ কৰা অসম্ভৱ হৈ উঠিছে। মাত্ৰ দুটি উপায়ে

( ৬ পিঠিত চাওক )

# হিন্দু নাট্য পৰিক্ৰমা

( শ্ৰীঅৰবিন্দৰ মূল ইংৰাজী ৰচনা The Hindu Dramaৰ অসমীয়া অনুবাদ )

অনুবাদক : ডঃ প্ৰফুল্ল কটকী

জীৱনৰ পৰিস্থিতি বিশেষৰ বাস্তৱানুগ ৰূপায়ণেই হিন্দুকাব্য শাস্ত্ৰৰ মূল কথা বুলি কেতিয়াও স্বীকৃত হোৱা নাই। ইয়াৰ ঘাই লক্ষ্য হ'ল মূলতঃ ৰুচি বিনোদন (aesthetic)[1]। সুকোমল আৰু মধুৰ ৰূপায়ণৰ যোগেদি দৰ্শকৰ সৌন্দৰ্যগ্ৰাহী ৰুচিবোধ উচ্ছ্বসিত কৰি, তাক চিত্তবৃত্তিৰ ভাবাৰ্দ্ৰকাৰী আৰু সূক্ষ্মপৰ্যবেক্ষিত প্ৰতিৰূপেৰে পৰিতুষ্ট কৰাটোৱেই ইয়াৰ প্ৰধান লক্ষ্য। মানৱ সত্তাক জোৰজবৰদস্তিকৈ উলিয়াই আনি, সন্ত্ৰাসমূলক কাৰ্যৰ মাধ্যমেৰে তাত ভীতি আৰু সহানুভূতিৰ উদ্ৰেক কৰি, চেপিথুন্দি লেবেজান কৰি, ভালকৈ এশিকনি দি ধুৱাই পঠিওৱাটো ইয়াৰ লক্ষ্য নহয়[2]। ৰজা ইডিপাছ বা মালফিৰ ডিউকপত্নীৰ বা মেকবেথ বা অথেলোৰ দুৰ্দশা আৰু দুৰ্গতিৰ ৰূপায়ণে কাৰোবাৰ মনৰ পৰিতৃপ্তি সাধন কৰিব পাৰে বুলি ভবাটো হিন্দুমানসৰ বাবে ভাবিব নোৱাৰা। হিন্দুমানসৰ বিচাৰত এনে ৰুচি বৰ্বৰতা আৰু অমানুষিকতাৰহে চিন। দৃষ্টিভঙ্গীৰ এনে বিশিষ্টতাৰ কাৰণ একাধিক। তাৰে ভিতৰত এটা হ'ল হিন্দুমানসৰ চাৰিত্ৰিক বৈশিষ্ট্য ইয়াৰ স্বাভাৱিক মহানুভৱতা সহনশীলতা আৰু কোমলতা। ইয়াৰ লগতে আৰু এটা লেখত লবলগীয়া কথা হ'ল বুদ্ধৰ আত্মানিঃসৃত অনুকম্পা আৰু পৱিত্ৰতাই হিন্দুমানসক সিক্ত কৰি ৰখাটো। সৌন্দৰ্য-ভিত্তিক ৰুচি-বিনোদন আৰু বৌদ্ধিক আনন্দ প্ৰদান কৰাটোৱেই সৰ্বপ্ৰকাৰ কাব্যিক অভিব্যঞ্জনাৰ প্ৰথম আৰু প্ৰধান লক্ষ্য বুলি বিবেচনা কৰা হিন্দুৰসশাস্ত্ৰৰ যি মূলনীতি, সি তাৰ অন্য এটা কাৰণ। মানসিক উৎকৰ্ষসাধন আৰু চিত্তবিনোদনৰ এক শক্তিশালী মাধ্যমৰূপে কাব্যক পৰিগণিত কৰা হৈছিল। কিন্তু ৰুচি বিনোদনকাৰী সৌন্দৰ্যৰ যোগেদিহে এই দুই লক্ষ্যত উপনীত হব পৰা যায়। সেইবাবে সৌন্দৰ্য ভিত্তিক ৰুচিবিনোদনকেই (বা তুষ্টিসাধনকেই) নাট্য ৰচনাৰ মূল ভিত্তি বুলি লব লাগিব; মাত্ৰ বহিৰ্গঠনৰ বাবেহে লাগাতিয়াল অন্য কোনো কথাই প্ৰয়োজনীয় বুলি বিবেচিত হব নালাগিব। ৰাণী (প্ৰথম) এলিজাবেথৰ দিনৰ ইংলণ্ডত জনপ্ৰিয় বিষয় হিচাপে নাটকত উপৰ্যুপৰি ব্যৱহাৰ হোৱা ধৰণৰ বিষয়সমূহ যেনে হিংসা, সন্ত্ৰাস, অসহ্য আৰু অবৰ্ণনীয় কায়ক্লেশ ইত্যাদিৰ প্ৰতি হিন্দুমানস স্বাভাৱিকতেই

১। aesthetic শব্দৰ অসমীয়া ৰুচি 'বিনোদনকাৰী' কৰা হৈছে। আনন্দৰাম বৰুৱাই 'aesthetics, শব্দৰ সংস্কৃত অনুবাদ কৰিছে। 'ৰুচি বিজ্ঞানম্' বুলি।

২। তুলনীয় : এৰিষ্টটলৰ "পয়েটিকচৰ" ট্ৰেজেডী সম্বন্ধীয় আলোচনা।

বীতস্পৃহ। অকল সেয়ে নহয়, সদসদাচাৰ সম্বন্ধীয় বিচাৰৰ পটভূমিত ট্ৰেজিক সমস্যাৰ কথায়ো হিন্দুমানসক আকৃষ্ট কৰা নাছিল, কিন্তু এই এটা বিষয়েই গ্ৰীক-মানসক বিশেষভাৱে আকৃষ্ট আৰু অভিভূত কৰিছিল। আধুনিক কালৰ নাটক-উপন্যাসৰ ঘাই উপজীব্য বিষয় সমূহ যেনে জৰাব্যাধি, চিত্তভ্ৰান্তি বা তথাকথিত আধ্যাত্মিক স্থবিৰতা ইত্যাদি হিন্দু নাট্যৰ অন্তৰ্ভুক্ত হোৱা নাছিল। মনোগ্ৰাহী (ৰোমাণ্টিক) সৌন্দৰ্যৰ পৰিবেশ, উচ্চ সৌজন্যবোধ, অনুভূতিৰ অনুগ্ৰাহী (gracious) সমতা, আৰু জীৱনৰ সুন্দৰ ফালটোত অটল বিশ্বাস—এয়ে হ'ল হিন্দু নাট্যৰ অন্তৰ্নিহিত সত্য। কৰুণা বা সহানুভূতি, আৰু সন্ত্ৰাসৰ প্ৰয়োগ কৰা হয় অনুভূতিৰ উদ্ৰেক কৰিবলৈ; অনুভূতিবোৰ চেপি খুন্দি পেলাবলৈ বুলি নহয়। নাটকৰ শেষত ধ্বনিত হয় শান্তিৰ আৰু সন্তুষ্টিৰ সুৰ। শান্তি আৰু সন্তুষ্টিৰ অবিৰত সূৰ্যালোকৰ পৰাই সকলোৰে উৎপত্তি আৰু তাতেই সকলোৰে লয়। বিষাদৰ ক'লামেঘৰ অৱতাৰণা হয়তো বা হয়; হলেও সূৰ্যকিৰণক উজ্জ্বলতৰ কৰি দেখুৱাবৰ বাবেহে তাৰ অৱতাৰণা। এনে এক কলা সৃষ্টিতহে আত্মাই শান্তি বিচাৰি পায়। এনে এক কলাসৃষ্টিতহে চিত্তৰ উদাৰতা আৰু কৰুণাৰ ভিত্তি সুদৃঢ় হবলৈ সুযোগ পায়। জীৱনৰ অসম্পূৰ্ণতা আৰু বিসংগতি অতিক্ৰম কৰি যি অবিমিশ্ৰিত বৌদ্ধিক উৎকৰ্ষ সাধন আৰু সৌন্দৰ্য ভিত্তিক ৰুচি বিনোদন আত্মাই বিচাৰি ফুৰে তাৰো সন্ধান মিলে এনেকুৱা সাৰ্থক কলাকৃষ্টিতেই।

মঞ্চত উপস্থাপন কৰাৰ উপযোগী যথাৰ্থনামা কাব্য নাট্যবিশেষৰ এই কেইটা বিশিষ্টতা থাকিব লাগিব—কাহিনীৰ সুসংগঠন, নাটকীয় অৱস্থিতিৰ সুসমন্বয়, সংলাপৰ সূক্ষ্মতা, নিপুণতা আৰু প্ৰভাৱ, আৰু নাটকত ব্যৱহৃত বচনৰ (কবিতাৰ) স্বকীয় প্ৰাণবত্তা। কিন্তু প্ৰকৃত অৰ্থত মহৎ বুলিবলৈ হলে এখন নাটকৰ সৰ্বোপৰি এটি অসামান্য গুণ থাকিব লাগিব। এই বিশেষ গুণটি হ'ল চৰিত্ৰাঙ্কণৰ দক্ষতা। চৰিত্ৰাঙ্কণৰ দক্ষতাত অৱশ্যে গুণভেদ লক্ষ্য কৰা যায়। এই গুণভেদ থকা স্বত্বেও নাট্যকাৰে চৰিত্ৰঙ্কণৰ বিৰল ক্ষমতা আয়ত্ব কৰে মানৱজীৱনৰ বিষয়ে থকা তেওঁৰ গভীৰ (আৰু বিস্তৃত) অভিজ্ঞতাৰ পৰা। কেতিয়াবা আকৌ চৰিত্ৰাঙ্কণৰ বিৰল দক্ষতাৰ আঁৰত থাকে নাট্যকাৰৰ সূক্ষ্ম পৰ্যবেক্ষণ শক্তি আৰু যথাৰ্থ কল্পনাৰ এক নিবিড় সমন্বয়। এনেস্থলত অভিজ্ঞতাৰ পৰিসৰ ঠেক হলেও সূক্ষ্ম পৰ্যবেক্ষণ শক্তি আৰু যথাৰ্থ কল্পনাই নাটকৰ অভিজ্ঞতাৰ পৰিসৰ বৃদ্ধি কৰিব পাৰে। কিন্তু চৰিত্ৰাঙ্কণৰ ক্ষেত্ৰত অসামান্য পাৰদৰ্শিতা থকাজনৰ বেলিকা দেখা যায় যে বিভিন্ন দেশৰ, বিভিন্ন কৃষ্টিৰ, বিভিন্ন সমাজৰ, বিভিন্ন স্তৰৰ মানৱ জীৱনৰ প্ৰতি গভীৰ আৰু অপৰিসীম অনুবেদনা তেওঁৰ আছে। আৰু আছে উপলব্ধিৰ ক্ষমতা। এই অনুবেদনা আৰু উপলব্ধিৰ গুণে তেওঁ স্বকীয় নিৰ্বাচনী ক্ষমতাৰে আনৰ অভিজ্ঞতা ৰাশিৰ ওপৰত নিজ ব্যক্তিত্বৰ চাপ মাৰি তাক নিজৰ মনোমত'কৈ ৰূপায়িত কৰিব পাৰে। হিন্দু নাট্য সাহিত্যত এই বিৰল দক্ষতাৰ অভাৱ বুলি য়ুৰোপীয় পণ্ডিতসকলে একে মুখে কৈছে। গ্যেটে আছিল এজন কবি মাথোন—এজন কবিয়ে শকুন্তলা নাটকৰ অকুণ্ঠ আৰু ভূয়সী প্ৰশংসা কৰা কথাটো একো লেখত লব লগীয়া নহয়। কিন্তু বিজ্ঞতৰ আৰু পাণ্ডিত্যপূৰ্ণ সমালোচনাই শকুন্তলা নাটকক ইমান ওপৰত স্থান নিদিয়ে। বহুতে কব খোজে বোলে হিন্দু কাব্যত কলাশৈলীৰ অভাৱ নাই, অভাৱ মাথোন মনোযুক্তিৰ। কল্পনা শক্তিৰ অভাৱ নাই, অভাৱ মাথোন উপলব্ধিৰ। বৰ্ণাঢ্যতা আছে, কিন্তু বৰ্ণাঢ্যতাই মাথোন সাৰ: মানৱতাবোধ তাত নাই। সুন্দৰ, মৰ্মস্পৰ্শী কাব্যৰ উজ্জ্বলতা আছে, কিন্তু চৰিত্ৰ সৃষ্টি নাই। নিজ দেশতে শিক্ষা লাভ কৰা ভাৰতীয় পণ্ডিতসকলেও আনৰ পৰা শিকা এই কথাকে দোহাৰে। সংস্কৃত সাহিত্যত বুৎপত্তি থকা এজন হিন্দু পণ্ডিতে আনকি ইয়াকো কৈছে বোলে হিন্দু মানসৰ স্বাভাৱিক গঠন এনেহে যে মৌলিক আৰু সচেষ্ট প্ৰাণবান সৃষ্টিৰ সামৰ্থ্য ইয়াৰ নাই। উদাহৰণ স্বৰূপে এই পণ্ডিতজনে কব খোজে যে মহাভাৰতৰ অতি মহান, প্ৰাণবান আৰু বীৰ্যবান চৰিত্ৰ সমূহ নিশ্চয় প্ৰকৃত নৰনাৰী আছিল: অৰ্থাৎ প্ৰকৃত জীৱনৰ পৰা তেওঁলোকক হুবহু ৰূপায়িত কৰা হৈছে। এনে অভিমতৰ যুক্তি ক'ত বুলি আপুনি যদি প্ৰশ্ন কৰে তেন্তে পণ্ডিতজনে টপৰাই উত্তৰ দি কব যে, যুক্তিটো দেখ দেখকৈ ওলাই আছে, অৰ্থাৎ বাস্তৱ জীৱনৰ পৰা হুবহু নললে এনে তথ্যগত আৰু সুদক্ষ চৰিত্ৰাঙ্কণ কৰিব পৰাটো কোনো হিন্দু কবিৰ পক্ষে সম্ভৱপৰ হয় নে কি? আনফালে বঙালী পণ্ডিতসকলৰ কথা ধৰক—তেওঁলোকৰ পাণ্ডিত্যৰ মান সকলো ক্ষেত্ৰতে উচ্চ পৰ্যায়ৰ বুলি স্বীকৃতি দিব নোৱাৰি, নাইবা ইয়াক সৰ্বত্ৰ সমপৰ্যায়ৰ বা নিঃসন্দেহে নিৰ্ভৰযোগ্য বুলিও কব নোৱাৰি। কিন্তু তেওঁলোকৰ সাহিত্যিক সুলভ ৰসবোধ আৰু উপলব্ধি নিঃসন্দেহে উচ্চমানৰ। পিছে এই বঙালী সমালোচক সকলেও কব খোজে যে কালিদাস আৰু ভৱভূতিৰ চৰিত্ৰসমূহ সুন্দৰ আৰু প্ৰাণবন্ত আৰু ষোড়ষ শতিকাৰ ইংলণ্ডৰ এলিজাবেথীয় নাট্য সাহিত্যৰ চৰিত্ৰবিলাকৰ সমানেই এই চৰিত্ৰসমূহো অধ্যয়নৰ উপযুক্ত বিষয়। সমালোচনাৰ এই অসঙ্গতি যে অত্যন্ত প্ৰকট তাত কোনো সন্দেহ নাই, কিন্তু তাৰ কাৰণটো ক'ত তাকো উলিয়াবলৈ টান নহয়। সমালোচনাত স্বদেশাভিমানী দোষটো কম বেচি পৰিমাণে থাকেই, আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই এনে সমালোচনাৰ সৃষ্টি হৈছে। যি কোনো অপৰিচিত কাব্য জিজ্ঞাসাৰ ক্ষেত্ৰতেই দেখা যায় যে আমাৰ সৰহ ভাগৰে বেলিকা কাব্য জিজ্ঞাসাৰ পথ পূৰ্ব নিৰূপিত কৰি দিয়ে আমাৰ স্বজাতীয় চৰিত্ৰ, স্বজাতীয় অন্ধবিশ্বাস, স্বজাতীয় শিক্ষা-সংস্কৃতি আৰু ধ্যান-ধাৰণাই। সাধাৰণ বিচাৰ বুদ্ধিৰ এজন ইংৰাজে কোনো দৃঢ় কৰ্মবিশেষৰ যোগেদি বা কোনো দৃঢ় অৰ্থব্যঞ্জক বচনৰ যোগেদি প্ৰকাশিত হোৱা চৰিত্ৰৰহে যথাযথ মূল্যাঙ্কণ কৰিব পাৰে; কিন্তু তেওঁৰ মনৰ স্বাভাৱিক গঠনৰ বিশেষত্ব এনেহে যে কোনো সুসংস্কৃত চৰিত্ৰৰ সূক্ষ্মতাৰ মূল্যাঙ্কণ কৰিবৰ বেলিকা—যি সূক্ষ্মতা লুকাই থাকে মন বা হৃদয়ৰ গহন বনত, বা যি প্ৰকাশ পায় হয়তো এটা সামান্য শব্দৰ ব্যৱহাৰত বা এক বিশেষ বচনভঙ্গীত, আনকি মৌনতাতো—তেওঁৰ অসামৰ্থ্য ওলাই পৰে। সামগ্ৰিক ভাৱে চালে দেখা যায় যে য়ুৰোপৰ জাতিসমূহ এতিয়াও অৰ্ধসংস্কৃত হৈয়েই আছে—তেওঁলোকৰ মন নিবিষ্ট থাকে জীৱনৰ কায়িক, আৰু অন্যান্য বাহ্যিক স্থূলৰূপতে। বাস্তৱতঃ জলমলাই থকা নেদেখিলেই যি কোনো ব্যক্তিসত্তাকে তেওঁলোকে

( ৪ পিঠিৰ পিচৰ পৰা )

সাহিত্যিকসকলে এই ব্যাধি দূৰ কৰি সমাজক তথা জনসাধাৰণক উদ্ধাৰ কৰিব পাৰে। তাৰে এটি উপায় হ'ল গণচেতনা জগাই অন্যায়-অসত্যৰ বিৰুদ্ধে জাগৰণ তুলি বিদ্ৰোহৰ সৃষ্টি কৰা। সাহিত্যিকে বিদ্ৰোহৰ কথা কবৰ প্ৰয়োজন নাই, তেওঁলোকৰ অন্তস্পৰ্শী, শক্তিশালী লিখনীয়ে বিদ্ৰোহৰ বান তুলি দিব পাৰে। আন এটি উপায় হ'ল জনগণৰ প্ৰাণত দেশ-প্ৰেম জগাই তুলি আত্মশুদ্ধিৰ পৰিবেশ সৃষ্টি কৰা। সাহিত্যিক সত্য আৰু মানৱতাৰ পূজাৰী। সত্য আৰু মানৱতাক সমাজত আকৌ সুপ্ৰতিষ্ঠিত কৰিবলৈ সাহিত্যিকসকলে উদাত্তকণ্ঠে জগৎবাসীক আহ্বান কৰিব লাগিব তেওঁলোকৰ সাহিত্যিক কলা-কৌশলৰ দ্বাৰাই। আজি যি হিংসা, লোভ, নীচতা, ক্ষুদ্ৰতাই মানুহৰ মনক কলুষিত কৰি মানুহক আত্মকেন্দ্ৰিক কৰি তুলিছে কৰি, সাহিত্যিকসকলে সেই পঙ্কিলতাৰ পৰা মানৱতাক উদ্ধাৰ কৰাৰ প্ৰধান ভূমিকা লব লাগিব। সাহিত্যিকে নিজক বৰ্তমানৰ কলুষিত পৰিবেশৰ উৰ্দ্ধত ৰাখি জনগণৰ অন্তৰ জগাই তুলিব লাগিব ন্যায় আৰু সত্যৰ সন্ধানত। বৰ্তমান সমাজত কবি আৰু সাহিত্যিকসকলে এই ভূমিকা লব বুলি আমি আকুলভাৱে বাট চাই থাকিলোঁ।।

বৈশিষ্ট্যবিহীন বুলি কব খোজে। কিন্তু ধৰক এনে এক চৰিত্ৰবিশেষৰ মূল্যাংকণ কৰিব লগা হ'ল যাৰ দৃঢ়তা আছে, কিন্তু বাহ্যিকতাৰ আড়ম্বৰখিনি নাই, যাৰ কান্তি, মনোগ্ৰাহিতা আৰু সৌন্দৰ্য আছে; কিন্তু বাগাড়ম্বৰ (বা বুদ্ধিবাহুল্য) নাই, আৰু যি প্ৰথম দৰ্শনতেই আপোনাৰ ওচৰত নিজক উজাৰি নেদেখুৱায়— এনে ক্ষেত্ৰত দেখা যাব যে নিজৰ সংস্কাৰগত চৰিত্ৰক বিশাল আৰু গভীৰ বিদ্যানুসেৰনেৰে সংস্কৃত কৰি লব পৰা মুষ্টিমেয় কেইজনমানেহে মাথোন সাৰ্থক মূল্যাংকণ কৰিব পাৰিছে। হিন্দু এজনৰ বেলিকা দেখা যায় যে তেওঁ হিংসাত্মক কাৰ্য আৰু বাগাড়ম্বৰতাৰ প্ৰতি বীতস্পৃহ। আচাৰ-ব্যৱহাৰত বাহ্যিকতা, আত্মশ্লাঘা আৰু দম্ভৰ প্ৰতিও তেওঁৰ বিৰাগ। হিন্দুমানসৰ আদৰ্শ চৰিত্ৰ সেইজন যি মিতাচাৰী, সংযত, উদাৰমনা, সত্যপ্ৰিয় আৰু পৰোপকাৰী। মিতাচাৰী আৰু মিতভাষী জনেই হে আৰ্য[3] অৰ্থাৎ মহাশয়। কাৰ্যৰ প্ৰচণ্ডতা বা প্ৰাবল্য বা তীব্ৰতাৰ ফালৰ পৰা বিচাৰ কৰি চালে দেখা যায় যে মহাভাৰতৰ দৰে গ্ৰন্থ আমাৰ আৰু এখন নাই। কিন্তু এই মহাভাৰততো ওপৰত উল্লেখ কৰি অহা হিন্দুৰ স্বজাতীয় চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশ পাইছে। য়ুৰোপীয় অৰ্থত মহাকাব্য বুলিলে যি বুজায় তাৰ লগত মহাভাৰতক বিনা দ্বিধাই তুলনা কৰা যায়। কিন্তু মহাভাৰতৰ প্ৰথম বৈশিষ্ট্য হ'ল ইয়াৰ অতুলনীয় বুদ্ধিগম্যতা; কায়িক বা মনোবিকাৰমূলক প্ৰতিঘাততকৈ (বা নিৰ্বহনতকৈ) মানসিক প্ৰতিঘাতৰ প্ৰতি ইয়াৰ অনুৰাগ অধিক। যি কোনো মানসিক প্ৰতিঘাতকে ইয়াত বুদ্ধিনিষ্ঠা আৰু মনোভাবিতাৰে সিক্ত কৰা হৈছে। যি কোনো সংঘাত বা প্ৰতিঘাতৰ শিষ্টাচাৰত্ব আৰু গভীৰতা ইয়াৰ অন্যতম বৈশিষ্ট্য। ৰুচিবোধহীন পাঠকৰ বাবে সহজে উত্তেজনাদায়ক উপকৰণ কোলাহল বা চিঞৰ-বাখৰেই মহাভাৰতৰ ঘটনাপুঞ্জৰ বৈশিষ্ট্য বুলি ভবাটো সম্পূৰ্ণ অবান্তৰ আৰু ভ্ৰান্ত ধাৰণা। চমু কথাত কবলৈ গলে মহাভাৰতৰ চৰিত্ৰসমূহৰ গুণগত বৈশিষ্ট্য হল তেওঁলোকৰ আৰ্যত্ব। কিন্তু অতি আচৰিত কথা যে মহাভাৰতৰ এই বৈশিষ্ট্য-সমূহ য়ুৰোপীয় পণ্ডিতসকলে মনোগ্ৰাহী বুলি নকয়; তেওঁলোকে এইবোৰ হৃদয়ঙ্গম কৰিব নোখোজে, বৰঞ্চ এনেবোৰ বৈশিষ্ট্যই তেওঁলোকক প্ৰকোপিতহে কৰে। ভাৰতীয় সাহিত্যৰ ধাৰা অধ্যয়নকাৰী এজন য়ুৰোপীয় পণ্ডিতৰ মতে মহাভাৰতত মহাকাব্যোচিত চৰিত্ৰ মাত্ৰ এটা আছে আৰু সেইটো হ'ল ভীমৰ চৰিত্ৰ। তেওঁ-লোকে ভীমক এনে সন্মান দিয়াৰ কাৰণ হ'ল এই চৰিত্ৰত অত্যুজ্জলকৈ প্ৰকাশ পোৱা প্ৰবল আৰু অপৰাজেয় শক্তি, অদম্য ক্ৰোধাবেশৰ উন্মত্ততা, ৰণাসক্তি আৰু ধ্বংসোন্মুখিতাৰ সমাহাৰ[4]। পাশ্চাত্য মহাকাব্যৰ আদৰ্শত ভীমৰ এই চৰিত্ৰগত বৈশিষ্টতাবোৰ তেওঁ-লোকে বুজিবলৈ টান নাপায়, কিন্তু হিন্দুমানসৰ বাবে মহাকাব্যৰ আদৰ্শ একিলিচৰ ক্ৰোধোন্মত্ততাত নাই। কাব্যৰ উৎসৰ কথাকেই কওক বা চৰিত্ৰ বিন্যাসৰ কথাই কওক—যি কেৱল উদ্ধত, প্ৰচণ্ড, প্ৰবল আৰু অদম্য, কেৱল তাতেই হিন্দুমানসৰ কাব্যৰ আদৰ্শ সীমিত নহয়। এই আদৰ্শহে মহাকাব্যৰ বাবে এখন বৃহত্তৰ ক্ষেত্ৰ বিচাৰে, আৰু বৰ্বৰ বা অৰ্ধ-বৰ্বৰ যুগত ঘটা ঘটনাৱলীৰ মাজত এই আদৰ্শক সঙ্কুচিত নকৰে।

৩। আৰ্যত্ব: কৰ্তব্যমাচৰণ্ কাৰ্যমকৰ্তব্যমনাচৰণ্।

তিষ্ঠতি প্ৰকৃতাচাৰে স বা আৰ্য ইতি স্মৃতঃ।

৪। প্ৰখ্যাত বঙালী কবি আৰু সমালোচক শ্ৰীযুক্ত বুদ্ধদেৱ বসুৰ 'দেশ' পত্ৰিকাত ধাৰাবাহিকভাৱে প্ৰকাশিত "মহাভাৰতৰ কথা" নামৰ অতুলনীয় আলোচনাত মহাভাৰতৰ বীৰ কোন এই প্ৰসঙ্গৰ বিশদভাৱে আলোচনা কৰা হৈছে।



ৰণ লিপ্সা, পাশৱিক শক্তি, প্ৰতিহিংসাপৰায়ণতা, ক্ৰোধ, ঘৃণা, অদম্য অহংবোধ ইত্যাদি মহাকাব্যৰ বিষয়বস্তু হোৱাদি, সৌম্য, ধৃতি, আত্মত্যাগ, পবিত্ৰতা ইত্যাদি শিষ্ট গুণাৱলী সম্বলিত কাব্যৰ আদৰ্শকো মহাকাব্যৰ উপযুক্ত বিষয়বস্তু বুলি হিন্দুমানসে স্বীকৃতি দিছে। প্ৰবল ঘৃণা আৰু পৰাক্ৰমৰ উন্মত্ততাৰে ভীমে কীচকক বধ কৰাটো যিদৰে মহাকাব্যোচিত বিষয় বুলি বিবেচিত হৈছে, সেইদৰে পিতৃসত্য ৰক্ষা কৰিবলৈ ৰাজ্যলোভ ত্যাগ কৰি শ্ৰীৰামচন্দ্ৰ নিৰ্বিবাদে বনলৈ যোৱাটোও সমানেই মহা কাব্যোচিত বিষয় বুলি হিন্দুমানসত পৰিগণিত হৈছে। এটা বিশেষকৈ মন কৰিব লগীয়া কথা হল যে য়ুৰোপীয় মানসে ধৰ্মতকৈ অধৰ্মক অধিক চিত্তাকৰ্ষক বুলি ভাবে আৰু মুখেৰে ফুটাই নকলেও পেটে সমখিতে খৃষ্টধৰ্মানুসাৰী গুণৰাজিক কৰণাত্মক (positive) গুণ বুলি নাভাবে, অকৰণাত্মক (negative) বুলিহে জ্ঞান কৰে। এজন সৎলোকৰ স্বভাব-সমতা ফুটাই তোলোঁতে য়ুৰোপীয় লেখকে যে কিমানবোৰ অসুবিধাৰ সন্মুখীন হব লগা হয় সেইকথা সাহিত্যালোচনাত বহুবাৰ ধৰা পৰিছে। এই সকলো বিষয়তে য়ুৰোপীয়মানসৰ লগত হিন্দুমানসৰ আকাশ-পাতাল প্ৰভেদ। মহাভাৰতত স্পষ্টকৈ প্ৰকাশ পোৱা হিন্দুমানসৰ এই প্ৰকৃতি য়ুৰোপীয় পণ্ডিতসকলৰ ইমানেই অসহ্য যে তেওঁলোকে নিজৰ চিত্তপ্ৰকোপন শাম কটাবলৈ কিছুমান অদ্ভুত মত বাহিৰ কৰিছে। তেওঁলোকে কব খোজে বোলে মহাভাৰতখন পূৰ্বতে 'বেলাড' (ballad) ৰূপত আছিল[5] (মহাকাব্য বুলিলে তেওঁলোকে যি বুজিব খোজে ঠিক তেনেকুৱা) আৰু আমি বৰ্তমানৰ মহাভাৰতত পোৱা দুষ্ট চৰিত্ৰবিলাক বোলে পূৰ্বতে মহাকাব্যৰ বীৰ-নায়ক আছিল, আৰু বৰ্তমানৰ মহা-ভাৰতত যিসকলক ন্যায়ৰ পক্ষে থিয় দিয়া দেখা পাওঁ হ'ক তেওঁলোক আছিল হেনো মহাকাব্যখনৰ কুচক্ৰী চৰিত্ৰ (villains)! তেওঁলোকৰ মতে বৰ্তমানৰ মহাভাৰতখন হল আশ্ৰমবাসী ঋষিসকলে কৰা পূৰ্বৰ মহাভাৰতৰ কপটধৰ্মী ৰূপান্তৰ! তেওঁলোকৰ মতে পূৰ্বৰ মহাভাৰত-খনৰ চৰিত্ৰবোৰ আছিল বেচ তেজোবান, আৰু ঘটনা-বোৰো আছিল উদ্দাম আৰু তীব্ৰ; কিন্তু চৰিত্ৰবোৰ আছিল অৰ্ধসভ্য আৰু সিহঁতৰ ক্ৰিয়া-কলাপবোৰো আছিল তেনেকুৱাই! আন কথাত কবলৈ গলে, তেওঁ-লোকৰ মতে বৰ্তমানৰ মহাভাৰতখন অপভ্ৰংশহে মাথোন। বুদ্ধি চাতুৰ্যই সঁচাটোক কেনেকৈ মিছাটো কৰে তাৰে ই এটা জ্বল্ জ্বল্ প্ৰমাণ। পিছে যুক্তিৰ এনে বিসঙ্গতিয়েই য়ুৰোপীয় চিন্তাধাৰাৰ প্ৰকৃতি নিৰ্ণয় কৰাতো সহায় কৰে। ইয়াৰ পৰা ফট্‌ফটীয়াকৈ ওলাই পৰে যে যান্ত্ৰিক সভ্যতাৰ গুণে বৈষয়িক সমৃদ্ধি লাভ কৰা অৰ্ধ বৰ্বৰ টিউটন জাতিটো সুসভ্য বুলি পৰিগণিত হলেও ই মূলতঃ সুসভ্যতৰ জাতি এটাৰ বুদ্ধি-নিষ্ঠাৰ প্ৰতি সম্পূৰ্ণ সহানুভূতিসূচক মনোভাব গ্ৰহণ কৰিব নোৱাৰে। চৰিত্ৰ মূল্যায়নৰ ক্ষেত্ৰত দেখা দিয়া দৃষ্টিভঙ্গীৰ এই মূলগত পাৰ্থক্যৰ কাৰণে নাটক বা মহাকাব্যৰ মূল্যায়নৰ বেলিকাও মূলগত প্ৰভেদ সাধাৰণতে চকুত পৰে। কিন্তু হিন্দু নাটকৰ বিচাৰৰ ক্ষেত্ৰত এই প্ৰভেদ তীব্ৰতৰ হৈ উঠে, কিয়নো কিছুমান বিষয়-বহিৰ্ভূত কথাৰ অৱতাৰণা কৰি সিবোৰৰ যোগেদি য়ুৰোপীয় পণ্ডিত-সকলে, এই বিশেষ ক্ষেত্ৰত, দৃষ্টিভঙ্গীৰ মৌলিক অসামঞ্জস্যটোত গুৰুত্ব আৰোপ কৰাবলৈ বিচাৰে।

ষষ্ঠদশ শতিকাৰ এলিজাবেথীয় ইংলণ্ডৰ নাটকৰ লগত হিন্দু নাটকৰ বহুতখিনি মিল থকা কথাটো বহুতৰে চকুত পৰিছে। গদ্য আৰু কাব্য (পদ্য)ৰ মিশ্ৰণ, স্থান আৰু কালৰ যথেচ্ছা পৰিবৰ্তন, নাটকীয় বিষয়বস্তুৰ চিত্তচাঞ্চল্যকৰ গুণ আৰু বাস্তৱ জীৱনৰ ঘটনাপ্ৰবাহৰ লগত সেইবোৰৰ তত্তুল্য সামঞ্জস্য, লঘু বিষয়ৰ

৫। ইংৰাজী সাহিত্যৰ Beowulf ক মহাকাব্য হিচাবে পৰিগণিত কৰিবৰ বাবে কৰা সমালোচকসকলৰ চিঞৰ বাখৰ সেই সাহিত্যৰ ছাত্ৰই এই প্ৰসঙ্গত মনত পেলাব পাৰে।

লগতে গুৰুবিষয়ৰ উপস্থাপন, কাব্যসংলাপৰ উজ্জ্বলতা (অৰ্থাৎ একেলগে অৰ্থৰ স্পষ্টতা আৰু বৰ্ণাঢ্যতা), দৰ্শকৰ ভাৱ-অনুভূতিৰ প্ৰতি প্ৰত্যক্ষ আবেদন—এই প্ৰতিটো বিষয়তে এই দুই সাহিত্যৰ মিল আছে; কিন্তু অমিলো আছে। মিলখিনি সহজে চকুত পৰাদি অমিলখিনি সহজে চকুত নপৰে; কিন্তু অমিলখিনিহে ঘাই কথা, সেইখিনিহে বেছি গুৰুত্বপূৰ্ণ আৰু অৰ্থব্যঞ্জক। মিলখিনি হল উপৰিভাগৰ ৰীতিৰ; অমিলখিনি হ'ল অন্তৰ্ভাগৰ— প্ৰকৃতিৰ। এলিজাবেথীয় নাট্য সাহিত্য আছিল জনপ্ৰিয় সাহিত্য। সচেতন গুণ-দোষগ্ৰাহিতা এলিজাবেথীয় দৰ্শকৰ নাছিল। ৰুচিবোধৰ ফালৰ পৰাও তেওঁলোক সকলো সমান পৰ্যায়ৰ নাছিল। তথাপি, জীৱন আৰু চৰিত্ৰৰ বলিষ্ঠ আৰু যথাযথ ৰূপায়ণৰ দ্বাৰা দৰ্শকৰ মনোৰঞ্জন কৰাই এলিজাবেথীয় সাহিত্যৰ লক্ষ্য আছিল। গতিকে লোকানুৰঞ্জনকাৰী সাহিত্যৰ দোষ-গুণ এলিজাবেথীয় নাট্য সাহিত্যৰো আছিল। গুণৰ ভিতৰত লেখত লব লগীয়া হল এই সাহিত্যৰ মানসিক ভাৱ-অনুভূতি আৰু কাৰ্য বিশেষ ৰূপায়ণৰ ক্ষেত্ৰত প্ৰকাশিত হোৱা অসামান্য সাৰৱত্তা, আৰু সামগ্ৰিক অৰ্থত জীৱনৰ অসাধাৰণ উপলব্ধি। দোষৰ ভিতৰত চকুত পৰে ইয়াত প্ৰকাশ পোৱা আদিম হিংসা-পৰায়ণতা, সন্ত্ৰাস আৰু বিকটতা। লগতে আৰু লেখত লব লাগিব ইয়াৰ অতিৰঞ্জনৰ প্ৰবৃত্তি। সহৰভাগ নাটকৰে গাঁথনি অপটু আৰু ছিদ্ৰ-যুক্ত। এইবোৰৰ বিপৰীতে যদি হিন্দু নাটকৰ দোষ-গুণ ফঁহিয়াই চোৱা যায়, তেন্তে দেখা যাব যে হিন্দু নাটকবোৰৰ নাট্যকাৰসকল আছিল পৰিমাৰ্জিত ৰুচি-বোধ সম্পন্ন লোক, দৰ্শক সকলো আছিল সুশিক্ষিত, সাধাৰণতে ৰাজসভা বিশেষৰ সভাবৰ্গ, সুজনবৰ্গ। তদুপৰি নাটক ৰচিত হৈছিল ৰসশাস্ত্ৰৰ বিস্তাৰিত অনু-শাসন আগত ৰাখি, আৰু এই অনুশাসনাৱলীৰ মৰ্ম নাট্যকাৰসকলে সুন্দৰকৈ উপলব্ধি কৰিছিল। কেৱল অতি তীব্ৰ আৰু অপৰিপক্ক মতহৰহে দুতি বুদ্ধা ইংৰাজ পণ্ডিতে সেইবাবে জোৰ দি কয় বোলে হিন্দু নাটকত চৰিত্ৰ সৃষ্টি নগণ্য কথা, আনকি চৰিত্ৰ সিবোৰত নায়েই। চৰিত্ৰাঙ্কণৰ তথাকথিত অসম্পূৰ্ণতা দৰ্শাই কয় যে হিন্দু নাট্যকাৰসকলৰ সৃজনী ক্ষমতা বৰ দুৰ্বল! তেওঁলোকে আৰু কৰ খোজে যে সৃজনী ক্ষমতাৰ দুৰ্বলতাৰ কাৰণেই এছিয়াৰ যিকোনো দেশৰে কাব্যত বৰ্ণাঢ্যতাই কাব্যৰ সাৰবস্তুৰ ঠাই লৈছে। কাব্যবস্তুৰ দৈন্যক বৰ্ণনাৰ চমক আৰু ব্যঞ্জনাৰে ঢাকি ৰখাৰ প্ৰয়াস কৰা হয় বুলি এইসকল পণ্ডিতে অভিমত প্ৰকাশ কৰে। আৰু এই সকল ইংৰাজ পণ্ডিতৰে ভাৰতীয় ছাত্ৰয়ো গুৰুৰ কথাকে অধিক দৃঢ়তাৰে দোহাৰিবলৈ চায়। এওঁলোকে এনে কৰাৰ কাৰণ আছে। কাব্য বুলিলে এওঁলোকে ইংৰাজী কাব্যহে বুজে; আৰু পঢ়িছেও অকল তাকেইহে। গতিকে যি চকুত চাঁত মাৰি ধৰে, যি জলমলীয়া, আৰু যি স্থূলৰীতিৰ ওপৰত প্ৰতিষ্ঠিত তাৰহে তেওঁলোকে মোল বুজে। ফলস্বৰূপে সূক্ষ্ম বিচাৰবোধ তেওঁলোকে হেৰুৱাই পেলায় আৰু নিজৰ ৰুচিবোধৰ বিকৃতি ঘটায়। তাৰবাবেই তেওঁলোকে তেওঁলোকৰ গুৰুৰ উপকৰা মন্তব্যকে বেদ বাক্য বুলি সাৰোগত কৰি নিৰ্বিচাৰে তাৰেই পুণৰাবৃত্তি কৰে, কিন্তু ইয়াৰ বাবে কালিদাস অনুৰাগী, বা কালিদাসৰ সমসাময়িক কোনো কবিৰ প্ৰতি শ্ৰদ্ধাবান পাঠকমহল শঙ্কাকুল হোৱাৰ কাৰণ নাই। কালিদাসৰ কাব্য-নাটকত লগপোৱা অনুকম্পী সহচৰবৃন্দক কল্পনাৰ পৰা নিৰ্বাসন দিবৰ প্ৰয়োজনো নাই। শকুন্তলাক কিবা এক বাঙ্ময় নাস্তিত্ব (an eloquent nothing) বা উৰ্বশীক এক সুসন্ধিযুক্তা দাৰু পুত্ৰিকা (a finely-jointed puppet) বুলিও কোৱাৰ প্ৰয়োজন নাই। এনেবোৰ অভিমতে ৰূপ লয় বুদ্ধিবক্ৰতাৰ পৰা, আৰু বুদ্ধিবক্ৰতাকেই সিহঁতেও প্ৰতিধ্বনিত কৰে। এনেবোৰ অভিমত কোনো সূক্ষ্ম পৰ্যবেক্ষণ শক্তিৰ পৰিচায়ক নহয়। বৰঞ্চ এইবোৰৰ পৰা কাব্যৰসাস্বাদী শক্তিৰ সঙ্কীৰ্ণ পৰিসৰৰ কথাহে

( ১৫ পিঠিত চাওঁক )

# আধুনিক অসমগঢ়োঁতা সাহিত্যৰথী লক্ষ্মীনাথ

নাৰায়ণ বেজবৰুৱা

সংঘাতেই জীৱন। এই সংঘাত যাৰ জীৱনত যিমান বেছি আৰু প্ৰকট তেওঁৰ জীৱনো সিমানেই জীৱন্ত আৰু নাটকীয়। নিজৰ যোগ্যতা আৰু অস্তিত্বত সম্পূৰ্ণ আস্থাভাজন নহলে, বলিষ্ঠ প্ৰতিকূল পৰিবেশত তিষ্ঠি থকা টান। কিন্তু এই টান কামো যি সমাধা কৰিব পাৰে তেনে লোকৰ ব্যক্তিত্ব যে অসাধাৰণ—এই কথা মুক্ত কণ্ঠে স্বীকাৰ কৰিব লাগিব।

আপেক্ষিকতাই মূল্যাঙ্কনৰ একমাত্ৰ আহিলা। অসমীয়া আধুনিক সাহিত্যৰ সৰ্বাঙ্গীন সৃষ্টি আৰু পুষ্টি সাধনত ব্ৰতী হৈ, সম-সাময়িক অসমীয়া সমাজৰ সাংস্কৃতিক চিন্তাধাৰাত আধুনিক ৰহণ চালি, সৰ্বতো-প্ৰকাৰে অসমীয়াক ভাৰতৰ অন্যান্য প্ৰদেশ বা ৰাজ্য সমূহৰ সমকক্ষ কৰাত যিজন জাতে-পাতে হাড়ে-হিমজুৱে অসমীয়াই অসমৰ বাহিৰত থাকিও দেহে-কেহে আপ্ৰাণ চেষ্টা কৰি গল, সেইজন কোন বুলি সুধিলে, সমগ্ৰ অসমেই হয়তো ঐক্যকণ্ঠে উত্তৰ দিব: সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা। আধুনিক অসম গঢ়োঁতা দিকনিৰ্ণয়ী পুৰুষসকলৰ মাজত লক্ষ্মীনাথকো এখন আচুতীয়া ওখ আসন দি, অসমীয়াই নিজ গুণগ্ৰাহিতাৰ পৰিচয় দিব পৰাটো গৌৰৱৰ কথা। তাতোকৈ গৌৰৱৰ কথা, তেওঁৰ বিভিন্ন ৰচনাৱলী সম্পৰ্কে আলোচনা-পৰ্যালোচনা হোৱাটো। এনেহেন এজন সৰ্বজনপ্ৰিয় গুণী পুৰুষৰ জীৱন আৰু কাৰ্যাৱলী আৰু তেওঁৰ বিবিধ প্ৰতিভা সম্পৰ্কে সম্যক জ্ঞান আহৰণ কৰি, তেওঁৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ, আধুনিক অসমত খোজ দি স্বদেশক নিভুৰ্ল বাটেৰে আগুৱাই নিবলৈ যি সকল আগবাঢ়ি আহিছে, তেওঁলোকে নিশ্চয় একো ভুল কাম কৰা নাই। কাৰণ, লক্ষ্মীনাথে যি বাট লৈছিল, সেই বাট আছিল এটা আৰু যি 'বাঁহী' বজাইছিল সেই 'বাঁহী'ৰ সুৰো আছিল একেটাই। অসমীয়া জাতিৰ মানসিক দাপোণ স্বৰূপে অসমীয়া সাহিত্যত লক্ষ্মীনাথে ফুটাই তুলিছিল একেটি মাথোন গুণগুণনি; আৰু সেই গুণগুণনিয়েই অসমত ধ্বনিত-প্ৰতিধ্বনিত হৈ ৰজন্-জনাইছিল তেওঁৰ 'বাঁহীৰ' সুৰেৰে, অসমীয়া সুৰীয়া মাতেৰে, শইচে সেউজী অসমী আইৰ মুখত হাঁহিৰ ৰেঙণি বিৰিঙাই।

চৰম আত্মবিশ্বাসী, এইজন আশাবাদী বিৰাট ব্যক্তিত্ব-সম্পন্ন স্বদেশ হিতৈষী পুৰুষৰ সাহিত্যিক কাৰ্যাৱলী সম্পৰ্কে সম্যক উপলব্ধি হবলৈ হলে, কেনে পৰিবেশ আৰু পৰিপ্ৰেক্ষিতৰ মাজত তেওঁ তেওঁৰ কৰ্মপন্থা নিৰ্ধাৰণ কৰিব লগীয়া হৈছিল, এই বিষয়ে থোৰতে হলেও আভাস লোৱাটো নিতান্ত প্ৰয়োজন।

অসমত ছ-শ বছৰীয়া আহোম ৰাজত্বৰ অৱসান হ'ল ইংৰাজ চৰকাৰৰ লগত বৰ্মা ৰজাই স্বাক্ষৰ কৰা ইং ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিমতে। সেই দিন ধৰি অসমৰ শাসনভাৰ ক্ৰমে ইংৰাজৰ হাতলৈ গৈ, ইং

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ তথা ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰামৰ ব্যৰ্থতাৰ পিচত, একেবাৰে নিগজ্-গজীয়া হল। ইয়াৰ বহুতো পূৰ্বেই ইংৰাজৰ হাতলৈ যোৱা ভাৰতৰ অন্যান্য প্ৰদেশসমূহৰ দৰে, এতিয়া অসমতো ইংৰাজৰ আমোলত অসমীয়া ৰাইজে ইংৰাজী ধৰণ-কৰণত দীক্ষিত হৈ, ন-কৈ খোজ দিবলৈ সাজু হ'ল। এনে বেবেৰিবাং অৱস্থাত উৱাদিহ নোপোৱা অসমীয়া ৰাইজৰ বিলৈ কেনে হৈছিল, সেই সময়ৰ ৰাৰ-আহুকলীয়া বুৰঞ্জীয়েই তাৰ সাক্ষী। ইংৰাজ চৰ্কাৰৰ আৰম্ভণিৰ এই কাল চোৱাত অসমৰ গাতে লাগি থকা বঙ্গ প্ৰদেশৰ পৰা চৰকাৰে অসমলৈ আমদানি কৰা ইতিপূৰ্বেই ইংৰাজীত পটু সৰু-বৰ চৰকাৰী চাকৰিয়াল-সকলৰ লগত ন-কৈ ইংৰাজী শিকিবলৈ আৰম্ভ কৰা অসমীয়াই সমানে জোৰ মাৰিব পৰা পটুতা অৰ্জনৰ সময় নৌ হয় এখোন। এই দুৰৱস্থাৰ সুযোগ লৈ, অসমৰ পঢ়াশালি আৰু আদালতবোৰত প্ৰায় দেড়কুৰি বছৰবো ওপৰ কাল বঙলা ভাষা জাপি দিয়া হ'ল। বদান্যতাহীন এনে অবিচাৰৰ বিষয়ে ইংৰাজ চৰ্কাৰক ভালকৈ বুজাই দিব পৰা ইংৰাজী শিক্ষাত পাৰদৰ্শী অসমীয়া লোক এই কম সময়ৰ ভিতৰতে ওলোৱাটো সম্ভৱ নোহোৱাত, ইংৰাজ চৰকাৰে অসমীয়াৰ এই বাহুকালক আহুকাল বুলি গণ্য নকৰি, নিৰ্বিবাদে চৰকাৰ চলাই যাবলৈ ধৰিলে। তেতিয়া অসমত আধুনিক যান-বাহন, ৰেল-জাহাজ আদি নথকা অৱস্থাতো দুই-এজনে অসমীয়া ডেকা ব্ৰহ্মপুত্ৰইদি নাৱেৰে ভটিয়াই গৈ কলিকতাৰ কলেজত অধ্যয়ন কৰিলে গৈ।

অসমত ইংৰাজ ৰাজত্ব প্ৰচলন হোৱাৰ লগে লগে অসমলৈ আহি অসমীয়া ভাষাৰ মাধ্যমেৰে খৃষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ লোৱা আমেৰিকান বেপ্টিষ্ট মিচনেৰী সকলৰ লগ হৈ, কলিকতাৰ কলেজত ইতিমধ্যে ইংৰাজী শিক্ষা লাভ কৰা কিছুন স্বদেশ হিতৈষী ডেকাই পোন-প্ৰথমে ইংৰাজ চৰকাৰক অসমীয়া ভাষাৰ প্ৰতি কৰা অবিচাৰৰ কথা পতিয়ন নিয়াই, অসমৰ পঢ়াশালি আৰু আদালতবোৰত পুনৰ অসমীয়া ভাষা প্ৰবৰ্তন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল. তেৱেঁই হৈছে আধুনিক অসম গঢ়োতা সৰ্বপ্ৰথম দিক্‌নিৰ্ণয়ী পুৰুষ— অসমীয়াৰ চিৰ নমস্য স্বৰ্গীয় আনন্দৰাম ঢেকিয়াল ফুকন। তেওঁৰ পিছত, সেই একে আদৰ্শৰে অনুপ্ৰাণিত যি কেইগৰাকী দিকনিৰ্ণয়ী পুৰুষে স্থায়ী চিন থৈ অমৰত্ব লাভ কৰিলে, সেইসকলৰ ভিতৰত স্বৰ্গীয় গুণাভিৰাম বৰুৱা, ৺হেমচন্দ্ৰ বৰুৱা, ৺মাণিক চন্দ্ৰ বৰুৱা আৰু ৺জগন্নাথ বৰুৱা বি-এ'ৰ নাম বিশেষ উল্লেখযোগ্য। এই বিশেষ উল্লেখযোগ্য সকলৰ ভিতৰতো, যি গৰাকী পুৰুষে নিজ মহিমাৰে মহিমামণ্ডিত হৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰত অসমক কটন কলেজৰ দৰে এখন কলেজ আৰু আৰ্ল ল' কলেজৰ দৰে এখন আইন কলেজ দি যাবলৈ সক্ষম হৈছিল; আৰু সক্ষম হৈছিল সৰ্ব প্ৰথম অসমলৈ ৰেলৰ আলি আনি ইংলণ্ডৰ ব্যৱসায়ীৰে যুটীয়া কাৰবাৰ কৰি অসমত চাহ-শিল্পৰ উন্নয়ন ঘটোৱাৰ লগতে অসমীয়া চাহ ব্যৱসায়ী কোম্পানী স্থাপন কৰাত, সেইজনক যে এখন সৰ্বোচ্চ আসন অসমীয়াই পলমকৈ হলেও দিব লাগিব— এই কথা লক্ষীনাথক সোঁৱৰোতেই সোঁৱৰাই থোৱা দৰ্কাৰ। এহাতে অসমৰ চকুৰ মণি মাণিকচন্দ্ৰ বৰুৱা আৰু আনহাতে পূৰ্ণাঙ্গ আধুনিক সাহিত্যৰ ওৰি ব'ঠা ধৰি, অসমক হাঁহিবলৈ আৰু কথা কবলৈ শিকোৱা লক্ষীনাথৰ জহতেই আধুনিক অসমে নিজকে আধুনিক বুলি চিনাকি দিব পাৰিছে। এজনে দিলে অসমক উচ্চ শিক্ষা লভাৰ উপায় আৰু আনজনে দিলে অসমীয়া ভাষাত সৰ্বমুখী আধুনিক সাহিত্য সৃষ্টি কৰাৰ আহি বা কিটিপটো। শিক্ষা আৰু সাহিত্যই যদি এটা জাতিৰ থিয় দি থাকিব পৰা দুখন ভৰি হয়, তেনেহলে আধুনিক অসমক সেই ভৰি দান দি, তাৰ ওপৰত থিয় হৈ সগৌৰৱে বাট বুলিবলৈ অসমীয়াক সুযোগ দিলে প্ৰধানকৈ এই দুজন ব্যক্তিয়েই। সেয়েহে—লক্ষীনাথৰ কথা কবলৈ যাওঁতে, অপ্ৰাসঙ্গিকতাৰ দোষত পৰিলেও মাণিক চন্দ্ৰৰ কথা নোকোৱাকৈ থাকিব নোৱাৰি।



"বলী বীৰ, বালি বীৰ, অৰ্ধ হনুমান।
নহবও, সুপজিব কৰ্ণৰ সমান॥"

সেয়ে যদি হয়, এই এটাইৰে মাজৰ পৰা আমি যদি কেৱল এজনকহে বাচিব লগীয়া হয়, তেনেহলে সৰ্বশেষত হলেও, অসমৰ মুখত যিজনে হাঁহি বিৰিঙাবলৈ সক্ষম হল, তেওঁকেই কৰ্ণৰ দৰে শ্ৰেষ্ঠত্ব দান কৰিব লাগিব। সেইমতে সাহিত্যৰথী উপাধিটো লক্ষীনাথ বেজবৰুৱাৰ ক্ষেত্ৰত অতি উপযুক্ত হৈছে।

লক্ষীনাথৰ কথা কওঁতে আমি এটা কথা সদায় মনত ৰাখিব লাগিব। সেইটো হৈছে—লক্ষীনাথ পূৰ্ণাঙ্গ আধুনিক অসমীয়া সাহিত্য-স্ৰষ্টা আৰু সমালোচকসকলৰ ভিতৰত আগৰণুৱা আৰু দিক্ নিৰ্ণয়কাৰী পথ-প্ৰদৰ্শক। কোনোৱে যদি তেওঁক সৰ্ব সময়ৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যিক বা লেখক বুলি ভুল কৰে, তেনেহলে সেই দোষে লক্ষীনাথক নোচোৱে, চুব ভুল কৰোঁতাজনকহে।

বেজবৰুৱাই কবিতা লিখিছিল ভাবৰ উচ্ছ্বাসত, কবি হবলৈ নহয়। তেওঁৰ কবিতা পুথি-'কদমকলি'ত তেওঁ নিজেই কৈছে : এইবিলাক 'কবিতা হয় যদি হওক, নহয় যদি নহওক বুলি লিখা?' ছন্দ পতনৰ দোষত বেজবৰুৱাৰ বেছি ভাগ কবিতাই যদিও দোষী, তথাপি এই কথা দুই কৰিব নোৱাৰি যে তেওঁৰ দুই এটি কবিতা অতি উচ্চ থাপৰ। উদাহৰণ স্বৰূপে তেওঁৰ "বীণ-বৰাগী", "কবিতা" আৰু 'অৱশেষ'ৰ মান সময়েও ম্লান কৰিব নোৱাৰিব। তদুপৰি অন্যান্য কবিতাবো দুই এঠাইত প্ৰকৃত কবিতাৰ চিক্‌মিকনি আমি দেখিবলৈ পাওঁ। তেওঁৰ উপমাবোৰত ফুটি উঠা ৰকৰা চিত্ৰ আৰু মৌলিকতা মন কৰিব লগীয়া।

"ইতিহাস বুৰঞ্জীৰ বগা গোঁফ-ডাঢ়ি;
চিৰ যৌৱনেৰে ভৰা কবিতা-কুঁৱৰী।"

কোমল ভাব প্ৰকাশতো ঠায়ে ঠায়ে বেজবৰুৱাই শুদ্ধ কবিতাৰ স্তৰলৈ উঠা যেন লাগে।

"ভাগি গ'ল বীণ খনি ছিগি গল তাঁৰ,
বৈ গল অৱশেষ অমিয় জোকাৰ।"

ডক্টৰ নেওগৰ ভাষাত : 'তেওঁৰ অন্তৰ যেনে নিকপ, সুস্থ, তেওঁৰ দেশপ্ৰেমো সেইদৰে সঞ্জীৱনী শক্তিৰে পুৰ। তেওঁক লাগে ডবা, শঙ্খ, মৃদং, খোলৰ আনন্দময় কোলাহল ..........'

"বাজক ডবা, বাজক-শঙ্খ, বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত, জয় আই অসম বোল।"

এই দুইশাৰী পদ্যই তেওঁৰ আশাবাদো প্ৰতিপন্ন নকৰাকৈ থকা নাই। মুঠতে তেওঁৰ কবিতাত কাব্যিক লালিত্যৰ অভাৱ ঘটিলেও, তেওঁৰ অন্তৰ যে আছিল কবিত্বময়—এই কথা তেওঁৰ অন্যান্য গীত-মাত ৰচনা-ৱলীৰ মাজে মাজে প্ৰায়েই ধৰা পৰি যায়। এই প্ৰসঙ্গত তেওঁৰ 'জয়মতী' নাটকৰ গীতবোৰৰ সহজ-সৰলতালৈ আঙুলিয়াই ক'ব পাৰি যে বেজবৰুৱাৰ স্বভাৱসৰল প্ৰকাশটো সেইবোৰত স্পষ্টকৈ উঠিছে। বেজবৰুৱাক কোনো কোনোৱে 'কাৰ্টুনিষ্ট' বুলিছে। একেবাৰে সচা কথা। কেৱল চিত্ৰাঙ্কনেৰেই যে 'কাৰ্টু-নিষ্ট' হব পাৰি, এনে নহয়। বেজবৰুৱাৰ সৰহ ভাগ লিখাতেই সহজতে একো একোখনি চিত্ৰ (সৰহ ক্ষেত্ৰ-তেই ব্যঙ্গাত্মক) পাঠকৰ মানস চকুত ভাহি উঠে। সেই বিচাৰে কলমেই বেজবৰুৱাৰ ৰং, তুলিকা আৰু ফলি-পেঞ্চিল।

নাট্যকাৰ হিচাপে 'বেলিমাৰ', 'চক্ৰধ্বজ সিংহ' আৰু 'জয়মতী' তেওঁৰ বুৰঞ্জীমূলক নাটক। ইয়াৰ ভিতৰত এটাইতকৈ মঞ্চোপযোগী নাট 'জয়মতী'য়ে চেলুলইডতো আত্ম প্ৰকাশ কৰাৰ সুযোগ পাইছে ৰূপকোঁৱৰ স্বৰ্গীয় জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিল্পী-হাতৰ অপূৰ্ব পৰশ পাই। এই চিত্ৰত 'ডালিমী' চৰিত্ৰটিয়ে জীৱন্ত ৰূপ লৈ দৰ্শকৰ প্ৰাণত পাহৰিব নোৱাৰা ছাপ বহুৱাবলৈ সক্ষম হৈছে। কিন্তু বেজবৰুৱাৰ এই 'ডালিমী' চৰিত্ৰৰ পৰিকল্পনাত ৰূপত ৰহণ চৰোৱা নৈপুণ্য থাকিলেও মৌলিকতা নাই। 'জয়মতী'ৰ পূৰ্বে প্ৰকাশ হোৱা ঔপন্যাস সম্ৰাট স্বৰ্গীয় ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী' উপন্যাসৰ 'ডালিমী' চৰিত্ৰটিৰ লগত 'জয়মতী'ৰ 'ডালিমী

চৰিত্ৰটিৰ মিল ইমান বেচি যে 'ডালিমী'ক যেন মিৰি চাঙৰ পৰা ধৰি নি নগা চাঙত মেলি দিয়াহে হৈছে। এই ছুয়োখন পুথি একেলগে পঢ়িলেই ইয়াৰ সত্যতা পাঠকে সহজেই অনুমান কৰিব পাৰিব।

বেজবৰুৱাৰ ধেমেলীয়া নাটিকা কেইখন হৈছে : 'লিতিকাই', 'নোমল', 'পাচনি' আৰু 'চিকৰ-পতি নিকৰ পতি'। উচ্চস্তৰৰ হাস্যৰসৰ সোৱাদ ইয়াৰ কোনো খনতেই নাই। হাঁহিৰ খোৰাক হিচাপে ইয়াত আছে লৰালি আৰু বহুৱালি। কুমলীয়া লৰা-ছোৱালী আৰু অপৰিপক্ক নাইবা অশিক্ষিত জনসাধাৰণক আমোদ দিয়াই বোধকৰোঁ বেজবৰুৱাৰ উদ্দেশ্য আছিল। সেই সময়ৰ অসমৰ পৰিস্থিতিৰ লগত এই কেইখন হয়তো থাপ খোৱাই আছিল, যদিও বৰ্তমানৰ ৰুচিৰ লগত এনে প্ৰহসন আজি সম্পূৰ্ণৰূপে অচল হৈ গৈছে। কিন্তু "কাকতৰ টোপোলা" বেজবৰুৱাৰ প্ৰকৃত বৌদ্ধিক অভি-যোগী আৰু ব্যঙ্গাত্মক দৃষ্টিভঙ্গীৰ অৱদান। ইয়াত হাঁহিৰ খোৰাকৰ লগতে সমাজৰ অপগণ্ড-মকৰন্দৰ পৰা তথা-কথিত ভদ্ৰলোক নামধাৰীসকলৰ সকলো পেতৰ জাৰি-ফুকি আঁতৰাবলৈ যি কেইপাত বিহঢেকীয়া আৰু যি কেই ফাঁকি মন্ত্ৰ লৈছে, সিয়েই পৰিচয় দিয়ে তেওঁৰ ভিতৰত লুকাই থকা মন্ত্ৰ সিদ্ধ সমাজ সংস্কাৰকজনৰ কথা। এই বিষয়ত বেজবৰুৱাই অসমৰ যি উপকাৰ সাধিলে তাক আজিও অসমীয়াই শ্ৰদ্ধাৰে সুঁৱৰি, আৱশ্যক হলে তেনে পন্থাৰে সময়োপযোগী ৰচনা কৰি, আজিৰ সামাজিক কেৰোণবোৰো জাৰিফুকি নাইকিয়া কৰিব পাৰে। এই ধৰণৰ সমাজৰ চিকিৎসা ক্ষেত্ৰত বেজ-বৰুৱা আজিও অপ্ৰতিদ্বন্দ্বী 'বেজ' ৰূপে গণ্য হৈ আছে যদিও তেওঁৰ পূৰ্বে স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা, স্বৰ্গীয় গুণাভি ৰাম বৰুৱা, স্বৰ্গীয় লম্বোদৰ বৰা আদিয়েও কম-বেছি পৰিমাণে এনে চেষ্টা নকৰাকৈ থকা নাছিল।

আধুনিক অসমীয়া সাহিত্যত চুটি গল্পৰ ক্ষেত্ৰত বেজবৰুৱাৰ দানেই সৰ্বপ্ৰথম, কিন্তু সৰ্বশ্ৰেষ্ঠ নহয়। কেইটিমান গল্পৰ বাহিৰে সৰহভাগকেই সাধাৰণ সাধু-কথা, ৰূপকথা নাইবা 'গোপালভাড়'ৰ সাধুৰ দৰে সাধুৰ পৰ্যায়ৰ বুলি ক'ব পাৰি। চেমনীয়া মনৰ পঢ়ুৱৈক এইবোৰে আনন্দ নিদিয়াকৈ নেথাকে। কিন্তু পৰিপক্ক মগজুৱে এনে ধৰণৰ গল্পৰ মাজত বহুতো উপাদান বিচাৰি হতাশ হ'বলগীয়া হয়! অৱশ্যে অসমত কোনেও আধুনিক চুটি গল্প নিলিখাৰ সময়ত বেজবৰুৱাই এই দিশটোলৈকো হাতে কামে আঙুলিয়াই দি অসমীয়া আধুনিক গল্প সাহিত্যৰ যি মহৎ উপকাৰ সাধিলে, সেই কথা দুই কৰাৰ থল নাই।

উপন্যাসতো বেজবৰুৱাই হাত দিছিল। কিন্তু এক-মাত্ৰ উপন্যাস 'পদুম কুঁৱৰী' লিখিয়েই আন পিনে মন দিলে। আনৰ দোষ-ত্ৰুটি ছাট্ কৰে চকুত পৰাৰ দৰে, নিজৰ ত্ৰুটি সম্পৰ্কেও বেজবৰুৱা সম্পূৰ্ণ সজাগ আছিল। ই মহৎ লোকৰ লক্ষণ।

বেজবৰুৱাৰ অন্যান্য বিবিধ প্ৰবন্ধাৱলীৰ মাজেৰে সূক্ষ্ম সমালোচক বেজবৰুৱাজন জিলিকি উঠিছে।

হাঁহিলে কান্ধত উঠিবৰ মন যোৱা আৰু গহীন হৈ হৈ থাকিলে মাতিবলৈ ভয় লগা আছিল এইজন পুৰুষ। 'যুদ্ধং দেহি' বুলিলেতো কথাই নাই—পলাই পত্ৰং দিব লাগিব। এনেকুৱাই আছিল বেজবৰুৱাৰ ব্যক্তিত্ব।

বেজবৰুৱাৰ দৃষ্টি আছিল দিগন্ত প্ৰসাৰী। সেয়েহে তেওঁৰ চকুত অসমীয়াৰ সকলো অভাৱ জল্‌জল্ পট্‌কৈ ভাহি উঠিছিল। নিজে মাটিকটীয়া নহলেও, হাতত কোৰ লৈ নিজে মাটি কাটি গড় বান্ধিবলৈ গৈ প্ৰকৃত মাটি কটীয়াক যেনেকৈ কামত উদগনি দি গড় বন্ধা কাম সমাধা কৰিব পাৰি, বেজবৰুৱায়ো সাহিত্যৰ সকলো দিশতে কলম ধৰি আগৰণুৱা হৈ সেই সেই বিষয়ত পটুতা অৰ্জন কৰাৰ সামৰ্থ্য থকাসকলক বাট দেখুৱাই উছাহ-উদ গনি দি গল।

আজি যদি আধুনিক অসমীয়া সাহিত্যই গদ্য-পদ্য উভয় ক্ষেত্ৰতে চকুত লগাকৈ গা কৰি আনৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে, তেনেহলে বুজিব লাগিব ই স্বৰ্গীয় সাহিত্যৰথী বেজবৰুৱাৰেই গতি নিৰ্ণয় সূচক



কৰ্মৰ ফল। এইজন বহুমুখী প্ৰতিভাবান, দুৰদৰ্শী, অক্লান্ত সাহিত্যসেৱী মহান ব্যক্তিৰ প্ৰভাৱ পৰোক্ষ-ভাৱে হলেও আজি সকলো অসমীয়া সাহিত্যিকৰ ওপৰত কম-বেছি পৰিমাণে পৰিছেই।

'গাতে ৰাতি, চেতনেই নাই'—এই কথাটো অসমীয়া মানুহৰ গাত নথটা হলে, সকলোৱেই বেজবৰুৱাৰ এই প্ৰভাৱৰ কথা মুক্তকণ্ঠে স্বীকাৰ কৰিলেহেঁতেন।

মুঠতে, স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা আছিল স্বদেশ প্ৰেমৰ জলন্ত প্ৰতীক। তেওঁৰ স্বাধীন চিন্তাধাৰা তেওঁৰ ৰচনাৰ মাজেদি অবিশ্ৰান্তভাৱে প্ৰবাহিত হৈছে। তেওঁৰ ৰচনাৰ মাজত বিচাৰিলে দেখা যাব নিজ জন্মভূমিৰ প্ৰতি থকা অপৰিসীম শ্ৰদ্ধা আৰু অকপট স্নেহ। অসমৰ ঐতিহ্য সোঁতত সকৰে পৰা সাতুৰি-নাদুৰি ডাঙৰ দীঘল হৈ, ডেকা কালৰে পৰা জীৱনৰ প্ৰায় শেহ মুহূৰ্তলৈকে কলিকতা আৰু চম্বলপুৰত থাকিও তেওঁৰ নিভাঁজ অসমীয়া মন অসমীয়া হৈয়েই ৰল। যোৰাসাকোঁৰ ঠাকুৰ পৰিয়ালৰ জোৱাই হৈ ৰাবীন্দ্ৰিক সাহিত্য সুধা পান কৰিও, অসমীয়া শঙ্কৰী সুধাৰ সোৱাদ তেওঁ পাহৰিব নোৱাৰিলে। বৰঞ্চ, শঙ্কৰৰ সৰ্বমুখী প্ৰতিভাৰ লগত আনক চিনাই শঙ্কৰৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাতহে লাগি গল যুক্তি তৰ্কেৰে। বৰোদাৰ ৰাজ অতিথি ৰূপে সমাদৃত হৈ, তাৰ ধৰ্মালোচনী সন্মিলনিত শঙ্কৰৰ একশৰণ ভক্তি সম্বন্ধে গধুৰ তত্ত্বমূলক বক্তৃতা দি, সকলোকে মুহিত কৰিলে—প্ৰতিপন্ন কৰিলে শঙ্কৰী দৰ্শন ফহিয়াই দেখুৱাই শঙ্কৰীয় ধৰ্মৰ শ্ৰেষ্ঠত্ব —প্ৰতিপন্ন কৰিলে শঙ্কৰী সাহিত্যৰ স্বকীয় বৈশিষ্ট্য —প্ৰতিপন্ন কৰিলে শঙ্কৰী ভেটিত প্ৰতিষ্ঠিত অসমীয়া গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰ কথা। এক কথাত লক্ষ্মীনাথে অসমৰ বাহিৰত অসমীয়াৰ মুখ উজ্জ্বল কৰিলে।

সেয়েহে নিজৰ এজেনা লোণ দি হলেও, অসমৰ আন এজন সুযোগ্য সন্তান স্বনামধন্য ভাষাবিদ পণ্ডিত বাণীকান্ত কাকতিৰ ভাষাত কবৰ মন যায়।

'বেজবৰুৱা সাহিত্য জাগ্ৰত স্বদেশানুৰাগৰ জলন্ত চানেকি। জাগ্ৰত স্বদেশানুৰাগ, অপূৰ্ব ৰচনা পদ্ধতি আৰু প্ৰকৃত হাস্য ৰস—এই তিনিটা উপাদান লৈ বেজবৰুৱাৰ প্ৰতিভাই আধুনিক সাহিত্যৰ সকলো বিভাগতেই বিকাশ লাভ কৰিছে।'

( ১১ পিঠিত চাওক )

( ১০ পিঠিৰ পিচৰ পৰা )

প্ৰমাণ হয়। হিন্দু নাট্যকাৰ এজনে এগৰাকী সুন্দৰী বগী পিশাচী (White Devil) বা মাল্টাৰ এজন ইহুদী (The Jew of Malta) বা তদনুৰূপ অন্য চৰিত্ৰ সাৰ্থক ভাবে ৰূপায়িত কৰিব পাৰিব বুলি ভাবিলে মাথোন হতাশ হবলৈহে আছে। কাৰণ সুন্দৰেই হওক বা ভয়ানকেই হওক এই মুখা (masks) বোৰ তেওঁৰ নাটকৰ বিষয়বস্তু হব নোৱাৰে। তেওঁৰ পৰা এজন লীয়েৰ বা এজন মেকবেথ বিচাৰিলেও আমি হতাশ হব লাগিব। এনেবোৰ চৰিত্ৰ ৰূপায়িত কৰা হিন্দু নাট্যকাৰৰ বাবে সম্ভৱ নহয় এইবাবেই যে এইজাতীয় চৰিত্ৰৰ অত্যুৎকৰ্ষ তুলনামূলক ভাবে বেছি অসংস্কৃত সভ্যতাৰ অন্তৰ্গত। আকৌ, বৰ্বৰতৰ জাতীয় বৈশিষ্ট্য বিশেষৰ পৰিচায়ক হীনতম পাপকাৰ্য বিশেষেই হওক বা চৰম দুঃখভোগেই হওক, সুখসম্ভোগেই হওক বা ধৰ্মাচৰণেই হওক—এই সকলোৰে ৰূপায়ণৰ ক্ষেত্ৰত আৰ্যমানস সদায়েই সুসংস্কৃত আৰু মিতাচাৰী। গুণগতভাৱে এনে ৰূপায়ণ য়ুৰোপীয় মানসৰ দ্বাৰা কৃত ৰূপায়ণৰ পৰা বেলেগ। হিন্দুমনৰ সৃষ্টিত লীয়েৰ গৰিয়ৎ বা মেডেম বোভাৰী বিচাৰিলেও হতাশ হব লাগিব, কাৰণ যদিও এনেবোৰ চৰিত্ৰৰ "টাইপ" সকলো সময়তে আছিল—বিশেষকৈ আফ্ৰিকাৰ মানুহৰ লগত তেজৰ সম্বন্ধ থকা জাতিবোৰৰ মাজত —তথাপি হিন্দু আৰ্টে ভ্ৰষ্টতাৰ এনে বিশদ অধ্যয়নৰ দ্বাৰা আত্মাৰ নৈতিক পৰিবেশটো বিষাক্ত কৰাৰ পৰা বিৰত থাকিলহেঁতেন। সমালোচনাৰ দাই লক্ষ্য হল সাহিত্য বিশেষত আমি সুন্দৰ বা মহৎ কিবা আবিষ্কাৰ কৰিব পাৰোঁনেকি তাৰ যত্ন কৰা; সাহিত্য বিশেষে দিব নোখোজা কিবা এটা বিচৰাটো সমালোচনাৰ লক্ষ্য নহয়।

# মোক্ষ আৰু ৰসময়ী ভক্তি

অধ্যক্ষ শ্ৰীৰমণীকান্ত শৰ্মা

( ৮ম সংখ্যাৰ পিছৰ পৰা )

বস্তুতঃ পৰমতত্বৰ জ্ঞান ভগবানৰ কৃপাসাপেক্ষ। ভগবদ্‌প্ৰেমিকে ভগবানৰ কৃপা লাভ কৰে আৰু তাৰ ফলত পৰমতত্বৰ বা আত্মাৰ জ্ঞান লাভ কৰে। ভগবানক যি ভাল পায়, সি বিষয়-বাসনাক ভাল পাব নোৱাৰে। তেতিয়া ভক্তৰ চিত্ত নিৰ্মল বা শুদ্ধ হয়, আৰু তাত ভগবদ্‌প্ৰেম আপোনা আপুনি প্ৰস্ফুটিত হৈ বাঢ়িবলৈ ধৰে।

আচলতে ভগবানৰ অনুভবাত্মক জ্ঞানৰ দ্বাৰাইহে অৱশেষত মোক্ষ লাভ হয়। বুদ্ধিয়ে এই জ্ঞান দিব নোৱাৰে। অন্তঃপ্ৰজ্ঞাৰ দ্বাৰাইহে আমি এই জ্ঞান পাব পাৰোঁ। প্ৰেম আৰু ভগবদ্‌কৃপাইহে আমাক এই অন্তঃপ্ৰজ্ঞা দিব পাৰে। চিত্ত শুদ্ধ হলে তাত আত্মজ্ঞানৰ উদয় হয়। এই জ্ঞানত, জ্ঞাতা, জ্ঞেয় আৰু জ্ঞান এক হৈ যায়। এই জ্ঞান পৰব্ৰহ্মৰেই স্বৰূপ। জীৱ এই জ্ঞানত উপনীত হলে ভগবানৰ সাক্ষাৎকাৰ পায়, আৰু ভগবদ্‌প্ৰেমৰ অধিকাৰী হয়। কিন্তু সমস্যা হৈছে চিত্ত শুদ্ধ আৰু নিৰ্মল কৰাটোহে। মানুহৰ বিষয়তৃষ্ণা বা বাসনাৰ হাত সৰাটো অতি কঠিন কাম। বিষয়তৃষ্ণা মনত জাগি থাকিলে মানুহৰ মুক্তি নাই। এইবাবে ভগবদ্‌ আৰাধনা বা ভক্তিযোগ অপৰিহাৰ্য। মন ভগবন্মুখী হলেহে মায়াৰ বান্ধোনৰ হাত সাৰিব পাৰি।

সেইদেখি শ্ৰীচৈতন্য চৰিত্ৰামৃতত লিখিছে—

কৃষ্ণ সূৰ্য সম, মায়া হয় অন্ধকাৰ।
যাহা কৃষ্ণ তাহা নাহি মায়াৰ অধিকাৰ॥

মন ভগবানৰ ফালে আকৃষ্ট হলে বিষয়-বাসনা অন্তৰ্হিত হয়।

জ্ঞান মাৰ্গৰ ফালৰ পৰা বিচাৰ কৰি দেখা গ'ল ভগবানৰ আৰাধনা নাথাকিলে আমি আত্মজ্ঞান পাব নোৱাৰোঁ আৰু আমাৰ মুক্তিও নাই। জ্ঞানযোগীৰ ভগবদাৰাধনা হৈছে অব্যক্তৰ উপাসনা।

কৰ্মযোগ বা প্ৰবৃত্তিমাৰ্গৰ কথা বিচাৰ কৰি চালে আমি দেখিবলৈ পাওঁ যে সকলো কৰ্মই বন্ধনৰ কাৰণ নহয়। কৰ্মত আসক্ত নোহোৱাকৈ কৰ্মফল ত্যাগ কৰি অৰ্থাৎ ভগবানৰ চৰণত অৰ্পণ কৰি ভগবানৰ প্ৰীতিৰ কাৰণে কৰ্ম কৰিলে সি বন্ধনৰ কাৰণ হব নোৱাৰে।

গীতাত কোৱা হৈছে—

গতসঙ্গস্য মুক্তস্য জ্ঞানাবস্থিত চেতসঃ।
যজ্ঞায়াচৰতঃ কৰ্ম সমগ্ৰং প্ৰবিলীয়তে॥

'যি ফলাকাঙ্ক্ষা বৰ্জিত, ৰাগদ্বেষাদি মুক্ত, যাৰ চিত্ত আত্মবিষয়ৰ জ্ঞানত নিবিষ্ট বা জ্ঞানস্বৰূপ ব্ৰহ্মত অৱস্থিত, সিয়ে যজ্ঞাৰ্থ ( অৰ্থাৎ ঈশ্বৰ প্ৰীতিৰ বাবে যজ্ঞস্বৰূপ ) কৰ্ম কৰে, তেওঁৰ কৰ্ম বিলাক ফলসহ বিনষ্ট হৈ যায় আৰু সেই কৰ্মসমূহৰ কোনো সংস্কাৰ নাথাকে অৰ্থাৎ তেওঁৰ কৰ্ম বন্ধনৰ কাৰণ নহয়।

আকৌ গীতাতেই কৈছে—

শ্ৰেয়ান্ দ্ৰব্যময়াদ্ যজ্ঞাজ্ঞ জ্ঞানযজ্ঞঃ পৰন্তপ।
সৰ্বং কৰ্মাখিলং পাৰ্থ জ্ঞানে পৰিসমাপ্যতে ॥

অৰ্থাৎ যজ্ঞৰূপে কৰা নিষ্কাম কৰ্মৰ দ্বাৰা বাসনা আৰু অহং বুদ্ধি ক্ৰমে লোপ পায় আৰু সাম্যবুদ্ধি ক্ৰমে বাঢ়ে আৰু অৱশেষত আত্মা সম্পূৰ্ণ সমতাত প্ৰতিষ্ঠিত হয়। আত্মাৰ এই উচ্চতম অৱস্থাৰ নামেই জ্ঞান। তেতিয়া অহং ভাৱ নাথাকে, সৰ্বভূতত এক আত্মাকেই দেখা যায়।

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্ট হৈছে যে মোক্ষ প্ৰাপ্তিৰ পথ জ্ঞানমাৰ্গ আৰু কৰ্মমাৰ্গ যদিও দুটা, তথাপি জ্ঞানমাৰ্গও কৰ্মৰে ওপৰত নিৰ্ভৰ কৰে অৰ্থাৎ কৰ্মৰ সহায়তহে আমি জ্ঞানত উপনীত হব পাৰোঁ, আত্মজ্ঞান লাভ কৰাৰ ফলত জীৱন্মুক্তি অৱস্থা পাব পাৰোঁ। জ্ঞানমাৰ্গৰ এই কৰ্মক আমি যোগদৰ্শনত উল্লিখিত যম, নিয়ম প্ৰভৃতি অষ্টবিধ কৰ্মৰ অন্তৰ্ভূক্ত বুলিব পাৰোঁ। আনহাতে কৰ্মযোগত আমি আসক্ত আৰু ফলত্যাগৰ যোগেদি জ্ঞানত উপনীত হব পাৰো। কৰ্মযোগৰ এই কৰ্মসমূহ থাইকৈ কাম্যকৰ্মৰ ভিতৰুৱা বুলি কব পাৰি। এই নিষ্কাম কৰ্মক জ্ঞান-যজ্ঞ বুলি কোৱা হৈছে আৰু এই যজ্ঞ দ্ৰব্যময় যজ্ঞসমূহতকৈ শ্ৰেষ্ঠ আৰু ই অৱশেষত জ্ঞানত পৰিসমাপ্তি লাভ কৰে অৰ্থাৎ জ্ঞানৰূপ লয়।

উল্লিখিত আলোচনাত আমি ইয়াকো দেখিবলৈ পাইছোঁ যে জ্ঞান-নিষ্ঠা আৰু কৰ্ম-নিষ্ঠা উভয়ৰেই ভগবদ্ভক্তিৰ সাহায্য অপৰিহাৰ্য। ভগবানৰ প্ৰতি প্ৰেম নাথাকিলে কি জ্ঞানমাৰ্গ, কি কৰ্মমাৰ্গ কোনোটোতেই আমি সাফল্য লাভ কৰিব নোৱাৰো, অৰ্থাৎ মোক্ষলাভ কৰিব নোৱাৰোঁ। ভগবদ্‌ প্ৰেমৰ সহায়তহে আমি বিষয়-তৃষ্ণাৰ হাত সাৰিব পাৰোঁ আৰু আমাৰ চিত্ত শুদ্ধি হব পাৰে।

কৰ্মযোগ আৰু জ্ঞানযোগত ভক্তিক সাধন স্বৰূপে লোৱা হৈছে, সাধ্যস্বৰূপে লোৱা হোৱা নাই। অৰ্থাৎ ভক্তি এই দুই মাৰ্গৰ সহায়কহে। কিন্তু বৈষ্ণৱ দৰ্শনত ভক্তিক সাধ্যস্বৰূপে লোৱা হৈছে। বৈষ্ণৱসকলৰ মতে মুক্তিতকৈ ভক্তি অশেষ গুণে শ্ৰেষ্ঠ। আমি ইয়াৰ ইয়াৰ আগতে দেখিছোঁ যে অদ্বৈত বেদান্তত বাজে আইন কোনো দৰ্শনে জ্ঞানসঞ্জাত মোক্ষৰ লগত আনন্দ বা সুখৰ অনুভূতি থাকে বুলি স্বীকাৰ নকৰে। অকল অদ্বৈত বেদান্ত অনুসাৰে ব্ৰহ্ম সাক্ষাৎকাৰৰ লগে লগে মোক্ষ লাভ আৰু অপূৰ্ব আনন্দঘন অনুভূতি হয়। কিন্তু দ্বৈতবাদী বৈষ্ণৱসকলৰ মতে জীৱ ব্ৰহ্মৰ লগত এক হৈ যোৱাৰ ফলত যি মোক্ষ লাভ হয় তাত এই আনন্দ-অনুভূতি থাকিব নোৱাৰে। তেওঁলোকে কয়, চেনি হোৱাত সুখ নাই, চেনি আস্বাদন কৰাতহে সুখ। অৰ্থাৎ তেওঁলোকে ভগবানৰ উপলব্ধিৰ দ্বাৰা আনন্দ লাভ কৰিবলৈ খোজে, ভগবানৰ লগত এক হৈ যাবলৈ নিবিচাৰে। তেওঁলোকৰ মতে ভগবানৰ সেৱাত বা আৰাধনাত যি আনন্দময় ৰস লোৱা যায়, সি অমৃত স্বৰূপ আৰু সেইদেখি তেওঁলোকে ৰসময়ী ভক্তিক মুক্তিতকৈ সহস্ৰ গুণে শ্ৰেষ্ঠ বুলি বিবেচনা কৰে। গৌড়ীয় বৈষ্ণৱসকলৰ মতে যি ভক্তই মুক্তিক বিচাৰে, তেওঁ মানৱ জীৱনৰ পৰম পুৰুষাৰ্থ ভগবানৰ প্ৰেমামৃতক হেৰুৱায়। তেওঁলোকে ভাবে যে,

ভুক্তি মুক্তি স্পৃহা যাবৎ পিশাচী হৃদি বৰ্ততে।
তাবদ্ভক্তি সুখস্যাত্ৰ কথমভ্যুদয়ো ভবেৎ॥

যেতিয়ালৈকে ভোগ আৰু মুক্তিৰ স্পৃহাৰূপ পিশাচী



( ১৫ পিঠিৰ পিছৰ পৰা )

সৃষ্টিতকৈও স্ৰষ্টা মহান। ৰেজৰকৰাৰ সৃষ্টিৰ মাজেৰে আমি তেওঁৰ মহান ব্যক্তিত্বৰ উমান লৈ, একেজন মানুহেই কেনেকৈ ইমান বিলাক বিষয়ত একেলগে হাত দিব পাৰিছিল এই কথা সুৰঁৰি, তেওঁৰ মহত্বৰে নিজেও মহীয়ান হবলৈ চেষ্টা কৰিলেহে ৰেজৰকৰাৰ অমৰ আত্মাই শান্তি পাব। ওম্ শান্তি! ওম্ শান্তি!! ওম শান্তি !!!

হৃদয়ত থাকিব তেতিয়ালৈকে ভক্তিসুখৰ উদয় কেনেকৈ হব?

গীতাত ভগৱানে আগতে জ্ঞান-মাৰ্গ আৰু কৰ্ম-মাৰ্গৰ কথা কৈ অৱশেষত সবাতোকৈ সুগম পন্থা ভক্তি-যোগৰ পথ দেখুৱাই দিছে। সেই দেখিয়েই ভগৱানে গীতাত তেওঁৰ নিৰ্গুণ উপাসনাতকৈ তেওঁক পুৰুষোত্তমৰূপে উপাসনাৰ শ্ৰেষ্ঠতা দেখুৱাইছে। ভক্তিযোগত ভগৱানক ব্যক্তৰূপত (শ্ৰীকৃষ্ণৰূপত) উপাসনা কৰা হয়। পুৰুষোত্তম ৰূপ সগুণ ব্ৰহ্মৰ লগত আমাৰ মানৱীয় গুণৰ মাজেদি সংযোগ স্থাপন কৰিব পাৰোঁ। সৰ্ব-শক্তিমান ভগৱানৰ অনন্তৰূপ। তেওঁ আমাৰ ব্যক্তিতৰূপত আমাৰ লগত প্ৰেমৰ সম্বন্ধ কৰাটো আমি অনায়াসে উপলব্ধি কৰিব পাৰোঁ। সেই দেখিয়েই গীতাৰ শেষ অধ্যায়ত ভগৱানে কৈছে, 'সৰ্ব ধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।' অৰ্থাৎ সকলো ধৰ্মীয় অনুষ্ঠান পৰিত্যাগ কৰি একমাত্ৰ মোতেই শৰণ লোৱাঁ। এয়ে ভক্তৰ শৰণাগতি।

শ্ৰীমদ্ভাগৱতৰ তলৰ শ্লোকত এই কথা আৰু স্পষ্ট-ৰূপত প্ৰকাশ পাইছে। 'স জহাতি মতিং লোকে বেদে চ পৰিনিষ্ঠিতম্।' অৰ্থাৎ ভগৱানত নিবিষ্টচিত্ত ভক্তই লোক ধৰ্ম আৰু বেদধৰ্ম পৰিত্যাগ কৰে। এয়ে ভক্তিৰ চৰম স্তৰ ৰাগানুগা ভক্তিৰ কথা—প্ৰেমভক্তিৰ কথা।

ভগৱানৰ লগত যোগস্থাপনৰ সকলো মাৰ্গতেই যে ভক্তিৰ প্ৰয়োজন তাক ভগৱানে তলৰ শ্লোকটিতো প্ৰকাশ কৰিছে। তেওঁৰ মতে ভক্তিযুক্ত জনেই শ্ৰেষ্ঠ যোগী।

যোগিনামপি সৰ্বেষাং মদ্গতেনান্তৰাত্মনা।

শ্ৰদ্ধাবান ভজতে যো মাং স মে যুক্ততমো মতঃ॥

অথচ ভগৱানে ইয়াকো কৈছে যে জ্ঞানী ভক্তইহে তেওঁৰ শ্ৰেষ্ঠ ভক্ত।

তেষাং জ্ঞানী নিত্যযুক্ত এক ভক্তিৰ্বিশিষ্যতে।

প্ৰিয়োহি জ্ঞানিনোঽত্যৰ্থহং সচ মমপ্ৰিয়ঃ॥

ভক্তই শালগ্ৰাম শিলাটোকেই ভগৱান বুলি নাভাবিব, শালগ্ৰাম শিলা অব্যক্ত পৰব্ৰহ্মৰ প্ৰতীকহে, এই জ্ঞান ভক্তিৰ হব লাগিব, তেহে তেওঁ শ্ৰেষ্ঠ ভক্ত। আৰু ইও সঁচা যে ভক্তি-যোগৰ পথেদি ভক্তই আত্মজ্ঞান লাভ কৰে। ভগৱানক একান্তভাৱে ভাল পালে এই জ্ঞান ওপজে।

আগতেই উল্লেখ কৰা হৈছে যে মন ভগৱদ্ মুখী হলেহে অৰ্থাৎ ভগৱানৰ প্ৰতি প্ৰেম উপজিলেহে জীৱে মায়াৰ হাত সাৰিব পাৰে আৰু জীৱৰ মোক্ষ লাভ হয়। এই কালৰ পৰা চালে ভগৱৎ প্ৰেমেই জীৱৰ পৰম পুৰুষাৰ্থ আৰু ইয়াৰ গৌণ ফলহে মোক্ষ। ভগৱৎ প্ৰেমত যি অমৃতৰ আস্বাদন হয়, মোক্ষ লাভত নহয়। আচলতে মুক্তি ভগৱৎ প্ৰেমৰ পিছে পিছে ফুৰে, কায়াৰ পিছে পিছে ছায়াৰ দৰে। বস্তুতঃ ভগৱানৰ ওচৰত মোক্ষ প্ৰাৰ্থনা কৰিলেও তাক ভগৱৎ প্ৰেমৰ সহায়তহে পোৱা যাব। সেই দেখি যিজন প্ৰকৃত ভক্ত, তেওঁ মুক্তি কামনা নকৰে, তেওঁক লাগে ভগৱদ্ প্ৰেম। কি জীৱন্মুক্ত অৱস্থাত, কি বিদেহ অৱস্থাত তেওঁ প্ৰেমকেই বিচাৰে। এই প্ৰেম সাধ্য, সাধন নহয়। বৈষ্ণৱসকলে ভগৱানক আৰাধনা কৰি ভগৱানৰ প্ৰেমামৃত পান কৰি থাকিবলৈকেহে বাঞ্ছা কৰে। ভগৱানৰ ভাৱৰাজ্যত যি নিত্য বৃন্দাৱন বৰ্তমান তাত অনন্ত কাললৈ ভগৱানৰ সেৱাত থাকিবলৈ কামনা কৰে। এইদেখি ভগৱানেৰে সৈতে এক হৈ যোৱা সাযুজ্য মুক্তি তেওঁলোকে নিবিচাৰে। হয়তো তেওঁলোকে সামীপ্য আৰু সালোক্য মুক্তিকেই পছন্দ কৰে। কোৱা বাহুল্য যে বৈষ্ণৱ দৰ্শন অনুসাৰে মোক্ষৰ পিছতো জীৱৰ অস্তিত্ব থাকে। জীৱে ভগৱান থকা লোকত, নাইবা ভগৱানৰ ওচৰত থাকি নাইবা ভগৱানৰ ৰূপ বা ঐশ্বৰ্য্য পাই ভগৱানৰ সেৱাত আনন্দ উপভোগ কৰে। ভগৱানৰ লগত মিলি যাবলৈ তেওঁলোকে বাঞ্ছা কৰে।

মানৱ জীৱনৰ পৰম পুৰুষাৰ্থ পৰম সাধ্য ভক্তিক বৈষ্ণৱসকলে দুই ভাগত ভাগ কৰিছে: বৈধী ভক্তি আৰু ৰাগানুগা ভক্তি। বৈধী ভক্তিৰ অৰ্থ হৈছে বিধি মতে ভক্তিৰ আচৰণ। ৰাগানুগা ভক্তি হৈছে প্ৰেম ভগৱানত স্বতঃস্ফূৰ্ত্ত আসক্তি। গীতাত ভগৱানে জ্ঞানী ভক্তক শ্ৰেষ্ঠ ভক্ত বুলি উল্লেখ কৰিছে। কিন্তু বৈষ্ণৱ দৰ্শনে আৰু আগবাঢ়ি গৈ কয় কয় যে এই ভক্তি প্ৰেমত পৰিণত হলেহে ভক্তি সাৰ্থক হয়। প্ৰেম ভক্তি-ৰেই পৰিপক্ক অৱস্থা।

বৈষ্ণৱসকলে শ্ৰৱণ-কীৰ্তনাদি নৱলক্ষণা ভক্তিৰ অনুষ্ঠান কৰে। এইয়া বৈধী ভক্তি। বৈধীভক্তি অনুশীলনৰ পথত ভক্তই ক্ৰমে ভগৱানত সৰ্বকৰ্মাৰ্পণ, শৰণাগতি, জ্ঞানমিশ্ৰা অনন্যা আৰু অহৈতুকী ভক্তি আৰু শুদ্ধাভক্তি লাভ কৰে। ইয়াৰ পৰাই প্ৰেমৰ উদ্ভৱ হয়। ভগৱানেও গীতাৰ অষ্টাদশ অধ্যায়ত অৱ-শেষত এই শুদ্ধাভক্তিৰেই কথা এইদৰে কৈছে,—

'মন্মনাভৱ মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু।

'মামেৱৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োঽসি মে॥

'তুমি একমাত্ৰ মোতেই চিত্ত ৰাখা, মোকেই ভক্তি কৰাঁ। মোক পূজা কৰা, মোক নমস্কাৰ কৰা। মই সত্য প্ৰতিজ্ঞা কৰি কৈছোঁ, তুমি মোকেই পাবা, কিয়নো তুমি মোৰ প্ৰিয়।'

এই শুদ্ধা-ভক্তিৰেই পৰিণত অৱস্থা হৈছে প্ৰেম-ভক্তি। প্ৰেমভক্তি পাঁচবিধ—যেনে শান্ত, দাস্য, সখ্য, বাৎসল্য আৰু মধুৰ। ভক্তৰ মনত প্ৰেমৰ উদয় হলে আৰু ভয় নাই। এই প্ৰেম জ্ঞানাতীত ভগৱানৰ প্ৰতি ভক্তই অনিবাৰ্য আকৰ্ষণ অনুভৱ কৰে এই স্তৰত।

গৌড়ীয় বৈষ্ণৱসকলে মধুৰ ভাৱকেই সবাতো ওপৰত ঠাই দিছে। এই ভাৱৰ সাধনাত দেখিবা জীৱাত্মা আৰু পৰমাত্মাৰ মাজত প্ৰেমৰ মিলন হয় কান্ত আৰু কান্তাৰ দৰে। বস্তুতঃ শ্ৰীচৈতন্যদেৱে এই প্ৰেমক কান্তা প্ৰেম আৰু সাধ্য শিৰোমণি আখ্যা দিছিল। ভক্তই নিজকো কান্তা বা প্ৰকৃতৰূপে ভাবি পৰম পুৰুষ শ্ৰীকৃষ্ণৰ সেৱা কৰে। শ্ৰীচৈতন্যদেৱে নিজকে ৰাধা ভাৱত ৰাখি শ্ৰীকৃষ্ণ প্ৰেমৰ সাধনা কৰিছিল।

অসমত মহাপুৰুষ শঙ্কৰদেৱে দাস্য ভক্তিৰ সাধনা কৰিছিল। শ্ৰীশ্ৰীৰামকৃষ্ণ পৰমহংসদেৱেও মধুৰ ভাৱৰ সাধনাক ভক্তসকলৰ বাবে পছন্দ কৰা নাছিল। তেওঁ নিজে ভগৱানক মাতৃ ৰূপত আৰাধনা কৰিছিল। পৰমহংসদেৱে ভাবিছিল যে অনধিকাৰীৰ হাতত মাধুৰ্য ভাৱৰ সাধনাৰ অপব্যৱহাৰ হোৱাৰ ফলত ভক্তৰ পতন ঘটিব পাৰে। এই প্ৰসঙ্গত এটা কথা উল্লেখ কৰিব পাৰি যে সকলো প্ৰকাৰ সাধনাত ভগৱানৰ সেৱা আছেই আৰু এই সেৱা কোনোটো তেই কম বুলি কব নোৱাৰি।

ভক্তিৰ মাহাত্ম্য সম্পৰ্কে শ্ৰীমদ্ভাগৱতত ভগৱানে কৈছে,

"ন সাধয়তি মাং যোগো,

ন সাংখ্যং ধৰ্ম উদ্ধৱ

ন স্বাধ্যায়স্তপত্যাগো

যথা ভক্তিৰ্মমোৰ্জ্জিতা।

হে উদ্ধৱ, যোগ, জ্ঞান কৰ্ম, তপস্যা, ধৰ্ম, দান এইবিলাকৰ দ্বাৰা মোক পোৱা নাযায়, একমাত্ৰ উৰ্জ্জিতা ভক্তিৰ দ্বাৰাইহে পোৱা যায়।

শেষত মহাপুৰুষ মাধৱদেৱৰ নামঘোষাত থকা তলৰ কথা কেইফাকিৰে মোখনি মৰা যাওক:

কেৱল ভকতি পুৰুষক তাৰে

সহায় কাকো নচাৰে।

জ্ঞান, কৰ্ম ভাৱে অচিতে নপাৰে

ভকতি নপাৰে যাৰে।

# ভুৱনেশ্বৰৰ ললিত কলাপীঠ

ৰমেশ চন্দ্ৰ বৰা

অসমৰ দৰে উৰিষ্যাও লোক-সংস্কৃতিত চহকী। উৰিষ্যাবাসীৰ কলাসুলভ নৈপুণ্য বিখ্যাত মন্দিৰসমূহত, হাতে বোৱা কাপোৰত, চিত্ৰত, নৃত্যত প্ৰতিফলিত হৈছে। পুৰীৰ জগন্নাথ-মন্দিৰ, ভুবনেশ্বৰৰ লিঙ্গৰাজ-মন্দিৰ, কোনাৰকৰ বিশ্ববিখ্যাত সূৰ্য-মন্দিৰৰ শিল্প-নৈপুণ্যই যি কে নো দৰ্শকক বিস্মিত, মুগ্ধ আৰু অভি-ভূত কৰিব পাৰে। এই ৰাজ্যৰ লোকগীত আৰু নিষ্ঠাৰে পালন কৰা ধৰ্মীয় অনুষ্ঠানসমূহেও যি কোনো লোকক আকৰ্ষণ কৰিব পাৰে। উৰিয়াসকলৰ ওপৰত ধৰ্মৰ প্ৰভাব মন কৰিব লগীয়া। তেওঁলোকে বাৰটা মাহত তেৰটা ব্ৰত পালন কৰে। এই ব্ৰত পালন কৰাৰ মাজেদিয়েই 'উচ্ছ্বাস' নামৰ গীত বিশেষৰ সৃষ্টি হৈছে। ইয়াৰ সাহিত্যিক মূল্যও আছে। উপাসনা কৰাৰ সময় ছোৱাত মন্দিৰৰ আৰাধ্য দেৱতাৰ সন্মুখত এই গীত-সমূহ আবৃত্ত কৰা হয়।

উৰিয়াসকল উৎসৱ-প্ৰিয় জাতি। এটি ভক্তিমূলক উৰিয়া গীতত আছে—

বাৰমাসে তেৰযাত্ৰা দেখুথিবি।
শ্ৰীক্ষেত্ৰে হোয়ে ভিকাৰি॥
সাধু সন্থঙ্কৰ বোলাই কিঙ্কৰ।
মাগুথিবি মাধুকৰী॥

ইয়াৰ অৰ্থ হ'ল পুৰীৰ ভিক্ষাৰী হৈ হলেও মই বাৰটা মাহত তেৰটা উৎসৱ চাম। প্ৰয়োজন হলে সাধু-মহন্তৰ দাস হৈ তেওঁলোকৰ চৰণ সেৱা কৰি হলেও উৎসৱ চাম।

উৰিষ্যাৰ ওৰিচি নৃত্য বিখ্যাত। ভুবনেশ্বৰ, পুৰী, কোনাৰকৰ বিখ্যাত মন্দিৰসমূহত খোদিত নৃত্য-ভঙ্গিমাত থকা মূৰ্তিসমূহৰ অনুকৰণত এই নৃত্যই গঢ় লৈছে। জগন্নাথ মন্দিৰৰ নাটমণ্ডপত এই নৃত্যই বিকাশ লাভ কৰে। এই ৰাজ্যৰ জনজাতীয় লোক-নৃত্যৰ আকৌ সুকীয়া মাধুৰ্য আছে। ৰাজ্যৰ তেৰখন জিলাৰ ভিতৰত কৰাপুট, গঞ্জাম, সম্বলপুৰ, ময়ুৰভঞ্জ জিলাত বাস কৰা আদিবাসীসকলৰ ভিতৰত কন্ধ, শবৰ, চাণ্ডাল, কয়া, গণ্ড আদি বিভিন্ন জনগোষ্ঠীৰ লোকসংগীত, লোক-নৃত্যৰ বৈশিষ্ট্য আৰু আকৰ্ষণ সুকীয়া।

উৰিষ্যাৰ লোকসংস্কৃতি বৈচিত্ৰ্যময়। এই বিচিত্ৰতাক একতাৰ ডোলেৰে বান্ধি সাংস্কৃতিক ঐতিহ্য ৰক্ষা কৰাৰ ক্ষেত্ৰত ভুৱনেশ্বৰৰ ললিত কলাপীঠে কম সময়ৰ ভিতৰতে যথেষ্ট বৰঙণি যোগাইছে। লোকসংস্কৃতিক বিজ্ঞান-সন্মত ভাৱে আগ বঢ়াই নি সুপৰিকল্পিতভাৱে সংগীত আৰু নৃত্যত বহু ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দি সীমিত সময়ৰ ভিতৰত এই অনুষ্ঠানটোৱে কৃতিত্ব অৰ্জন কৰিছে। যোৱা ১৮ বছৰৰ ভিতৰত এই কলাপীঠে কণ্ঠ সংগীত আৰু যন্ত্ৰ-সংগীতৰ ক্ষেত্ৰত ১৮৮৯ জন প্ৰতিভাবান শিল্পীৰ সৃষ্টি কৰিছে। অনুসূচিত আৰু জনজাতীয় সম্প্ৰদায়ৰ বহু ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ নৃত্য আৰু গীতৰ প্ৰশিক্ষণ দিছে। ১৮ গৰাকী প্ৰশিক্ষাৰ্থীয়ে ওৰিচি নৃত্য আৰু গীত উপযুক্তভাৱে শিকিবৰ বাবে বৃত্তিও লাভ কৰিছে।

ৰাজ্যৰ সাংস্কৃতিক উন্নয়নৰ ক্ষেত্ৰত উৰিষ্যা চৰকাৰেও যথেষ্ট বৰঙণি যোগাইছে। চৰকাৰে ১৯৫৮ চনতে উৰিষ্যা সাহিত্য একাডেমী, ললিত কলা একাডেমী আৰু সংগীত নাটক একাডেমী প্ৰতিষ্ঠা কৰে। ভুৱনেশ্বৰৰ ললিত কলাপীঠৰ জন্ম অৱশ্যে আৰু আগতীয়া। ১৯৫৫ চনৰ ১৫ মে'ৰ দিনা এই অনুষ্ঠানটোৰ জন্ম। প্ৰথমতে উৰিষ্যা চৰকাৰৰ সচিবালয়ৰ বিনোদনক্লাবৰ এটা অংশতে কাৰ্যালয় স্থাপন কৰি ভৱিষ্যতৰ বিভিন্ন আঁচনি লৈ আগবঢ়া হৈছিল। ৰাজধানীৰ মাজ মজিয়াত এতিয়া অনুষ্ঠানটিৰ ধুমহলীয়া ঘৰটো জিলিকি আছে। ১৯৬৩ চনৰ ১৪ ডিচেম্বৰৰ দিনা কেন্দ্ৰীয় মন্ত্ৰী (বৰ্তমান স্বৰ্গীয়) অধ্যাপক হুমায়ুন কবীৰে এই ভৱনৰ আধাৰশিলা স্থাপন কৰিছিল। গৃহ-প্ৰৱেশ কাৰ্য ১৯৬৭ চনৰ ২০ আগষ্টৰ দিনা আকৰ্ষণীয় কাৰ্যসূচীৰে সম্পন্ন হৈছিল।

১৯৬১-৬২ চনত এই অনুষ্ঠানটিয়ে এলাহাবাদৰ প্ৰয়াগ সমিতিৰ স্বীকৃতি লাভ কৰে। তেতিয়াৰ পৰাই এই কলাপীঠে প্ৰয়াগ সঙ্গীত সমিতিৰ পাঠ্যক্ৰম গ্ৰহণ কৰিছে। আঠ বছৰীয়া এই পাঠ্যক্ৰমৰ সফল সামৰণিৰ পিছত প্ৰশিক্ষাৰ্থী গৰাকীয়ে সংগীত প্ৰধান উপাধি লাভ কৰে।

প্ৰয়াগ সংগীত সমিতিয়ে ১৯৬৫-৬৬ চনতে ওৰিচি নৃত্যক ক্লাচিকেল নৃত্যৰ পৰ্যায়ভুক্ত কৰে। ওৰিচি নৃত্যৰ মাধুৰ্য বৰ্ণনাৰ অতীত। উৰিষ্যাৰ এই শ্ৰেষ্ঠ নৃত্যক ভাৰতীয় নৃত্যৰ গৌৰৱ বুলি কব পাৰি।

ওৰিচি নৃত্যৰ দৰে ওৰিচি গীতো উৰিষ্যাত সমানে জনপ্ৰিয়। এই গীত জনপ্ৰিয় হোৱাৰ মূলতে সঙ্গীত সুধাকৰ শ্ৰীবালকৃষ্ণ দাসৰ অবদান অতুলনীয়। শ্ৰীদাস ৰাইজৰ চেনেহৰ শিল্পী। উৰিয়াসকলে শিল্পীক সমাদৰ জনাব জানে। শ্ৰীদাস বৰ্তমান উৎকল সংগীত মহা বিদ্যালয়ৰ ওৰিচি সংগীতৰ অধ্যাপক।

ললিত কলাপীঠৰ উদ্যোগত প্ৰতিবছৰে প্ৰশিক্ষাৰ্থী-সকলে কণ্ঠসংগীত, তবলা, চেতাৰ, ভায়লিন, বাঁহী-বাদনত পটু হৈ শিল্পী হিচাপে আত্মপ্ৰতিষ্ঠা লাভ কৰিছে। ১৯৬৬-৬৭ চনত উৰিষ্যা চৰকাৰে এই কলাপীঠৰ শিল্পীবৃন্দক ৰাজ্যিক সাংস্কৃতিক দল হিচাবে মনোনীত কৰি পাঞ্জাব আৰু জম্মু কাশ্মীৰলৈ পঠাইছিল।

বৰ্তমান এই অনুষ্ঠানটোৰ অধ্যক্ষ সঙ্গীত-প্ৰভাকৰ শ্ৰীকাশীনাথ পূজাপাণ্ডা। তেখেতৰ বাহিৰেও আন ছ গৰাকী শিক্ষকে প্ৰশিক্ষাৰ্থীসকলক সংগীতৰ বিভিন্ন বিভাগত শিক্ষা দিয়ে।

অনুষ্ঠানটিৰ ২৫ গৰাকী আজীৱন সভ্যৰ উপৰিও ৫০ গৰাকী বছৰেকীয়া সভ্য, বহুপৃষ্ঠপোষক আৰু অবৈত-নিক সভ্য আছে। কলাপীঠৰ পৰিচালনাত নজন বিষয় ববীয়াৰ উপৰিও ছজন কাৰ্যনিৰ্বাহক সদস্য আছে।

উৰিষ্যাৰ কলা-সংস্কৃতিৰ উন্নয়নৰ ক্ষেত্ৰত নৱজাগৰণ আনি বৈপ্লবিক পৰিবৰ্তন সাধন কৰা ভুৱনেশ্বৰৰ ললিত কলা-পীঠৰ আদৰ্শ আৰু নিষ্ঠা যি কোনো চালুকীয়া অনুষ্ঠানৰ বাবেই প্ৰেৰণাদায়ক বুলি কব পাৰি।

# গোৱালপৰীয়া লোক-কথাত জন-জীৱন

দ্বিজেন নাথ

জনসাহিত্যাই জন-জীৱনৰ সকলো কথাৰে কম বেছি পৰিমাণে সম্ভেদ দিয়ে যদিও গোৱালপৰীয়া লোক সাহিত্যৰ বিষয়ে এতিয়াও বৈজ্ঞানিক বিশ্লেষণ হোৱা দূৰৰ কথা—গীত-মাতবোৰৰে উদ্ধাৰ আৰু সংৰক্ষণ হোৱা নাই। লোক-সাহিত্যৰ লোকগীত, সাধুকথা, সাঁথৰ, যোজনা-ফঁকৰা, প্ৰবচন-পটন্তৰ এই কেইবিধ উপাদানৰ ভিতৰত প্ৰথম তিনিবিধৰ কথা বাদ দি শেষৰ কেই-বিধক একেলগে 'লোককথা' হিচাপে লোৱা হৈছে আৰু এইবোৰ লোককথাত, বিশেষকৈ গোৱালপৰীয়া লোক-কথাত জন-জীৱনৰ কি কি বিষয়ে সম্ভেদ পোৱা যায় তাৰেই এটি চমু আলোচনা এই প্ৰবন্ধত দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

লোককথা সমূহলৈ মন কৰিলেই জন-জীৱনৰ ভালেমান কথাৰ সম্ভেদ পোৱা যায়। আলোচনাৰ সুবিধাৰ অৰ্থে সেইবোৰ কথাক মোটামুটিভাৱে এনে দৰে ভাগ কৰিব পাৰি: (ক) গাৰ্হস্থ্য জীৱন, (খ) স্বাস্থ্য-নীতি, (গ) সমাজ-নীতি, (ঘ) জীৱন আৰু জীৱিকা, (ঙ) ধৰ্মীয় সংস্কৃতি, (চ) প্ৰকৃতি প্ৰীতি (ছ) স্বভাৱ-চৰিত্ৰ, (জ) অদৃষ্টবাদিতা, (ঝ) নীতিবচন, (ঞ) ব্যঙ্গ আৰু বিদ্ৰূপ, (ট) অন্যান্য।

কৈশোৰৰ ডেওনা পাৰহৈ যৌৱনত ভৰি দিয়াৰ পিছতে আমাৰ সমাজ-ব্যৱস্থা মতে বিবাহৰ সময় আহি পৰে আৰু বিবাহ নহলে জীৱনৰ পূৰ্ণতাও হেনো নাহে। দুই অৰ্ধাঙ্গৰ মিলনতহে এক পূৰ্ণাঙ্গৰ সৃষ্টি হয়—এয়া লোক-বিশ্বাস। গতিকে জীৱনত বিবাহ অপৰিহাৰ্য। কিন্তু বহু বিবাহৰ দৃষ্টান্ত থাকিলেও তেনে জীৱন সুখৰ নহৈ দুখৰহে হব পাৰে:

এক তিৰীয়া ঢকুৰ ঢুকুৰ, দুই তিৰীয়া কাথিৰ কুকুৰ।
তিন তিৰীয়াৰ মাথাত হাত, চাৰি তিৰীয়া খুজিয়া
নাপায় ভাত॥

উপযুক্ত বয়সত বিয়া নকৰালেও শেষত পস্তাব লাগে। গতিকে বিয়া যিহেতু কৰাবই লাগিব—উপযুক্ত সময়তেই কৰোৱা উচিত বুলি লোক-কথাই কয়। আৰু এনে বিয়াৰ সুফলো আছে:

চেংৰা কালেৰ বেটা-বেটী কান্ধে উঘায় ভাৰ।
বুঢ়া কালেৰ বেটা-বেটী চুমা চাটায় সাৰ॥

স্বাস্থ্যই পৰম ধন। সেয়ে স্বাস্থ্য ৰক্ষাৰ ওপৰত তেতিয়াৰ জনসাধাৰণেও বিশেষ গুৰুত্ব আৰোপ কৰিছিলঃ শৰীৰমাদ্যং খলুধৰ্মঃ সাধনম্। আমাৰ লোক কথাই কয়—'দেহাইহে বেহা।' গোৱালপৰীয়া লোক-কথাই আৰু এখোপ আগ বাঢ়ি কয়— 'দেহা থাকিলে হাজাৰ থাকে লায়েক।' অৰ্থাৎ দেহ সুস্থ-সবল হৈ থাকিলে জীৱনত হাজাৰৰ পৰা লাখৰ অংকলৈকে টকা-কড়ি আৰ্জিব পৰা যায়। গৃহস্থই সেয়ে স্বাস্থ্যৰ উপযোগীকৈ ঘৰ-দুৱাৰ সাজি লৈছিল:





পুবে হাস পশ্চিমে বাশ। উত্তৰে গুৱা দক্ষিণে ধুৱা॥

খাদ্যাখাদ্যৰ লগত স্বাস্থ্যৰ যি সম্পৰ্ক সি তেল আৰু চাকিৰ সম্পৰ্ক বুলি কব পৰা যায়। তেল থাকিলেহে চাকি জ্বলিব — সেইদৰে খাদ্যবস্তু থালেহে স্বাস্থ্যও টিকিব। এই সন্দৰ্ভত লোক কথাই কয়:—

আশিনত ওল কাতিত চানা।
তাক খাইলে হয় বেমাৰ কাণা॥
নাকে কাণে নাভিয়ে তেল।
তাৰ ঘৰত বৈদ্য নেগেল॥

অৱশ্যে কৃপণসকলৰ বাবে ধনৰ মূল্যই সৰ্বাধিক। সেয়ে ধনৰ মায়া সিহঁতে এৰিব নোৱাৰে। সিহঁতৰ যুক্তি:

যদি শাকে শুকাতিয়ে হয়। তেল লবনেৰ কিয় ব্যয়॥

অতীতৰ সমাজ-নীতি তথা সমাজ-জীৱনো কিছুমান বিধি-নিষেধৰ মাজেদিহে চলিব লাগিছিল। অৱশ্যে বিলত শাল-শিঙি থাকিবই: নিয়মৰে বা ব্যতিক্ৰম নাথাকিব কিয়?

ৰাজা হয়া নকৰে ৰাইজেৰ বিচাৰ,
বেটা হয়া নকৰে বাপেৰ উদ্ধাৰ।
মাইয়া হয়া নকৰে পুৰুষক ভক্তি,
এই তিনিটা জীৱ যায় অধোগতি।

বিচাৰ-বিবেচনাৰ কথাও বিশেষভাৱে মন কৰিব-লগীয়া। লোক-কথাই সামাজিক বিচাৰ-বিবেচনাৰ পৰিচয় দিয়ে:

হাত দাঙিলে মাৰিবাৰ নাম। পাত পাৰিলে খাবাৰ নাম॥
ধাকৰায় ধাৰ পায়। তিৰী মাৰায় তিৰী পায়॥

সমাজৰ বিচাৰ-বিবেচনাক কিমান গুৰুত্ব দিয়া হৈছিল, তাৰ নিদৰ্শন তলৰ কথা ফাঁকি—

ৰাইজে ৰাজা জাতিয়ে গঙ্গা
ৰাইজ নহলে কিসেৰ ৰাজা।
ৰাইজে ইস কৈলে বিষ।

ধৰ্মাধৰ্ম আৰু পাপ-পুণ্য সম্বন্ধীয় বিশ্বাসৰ কথাও কোৱা হৈছে—

এক শ গৰু মাৰিলে বাঘেৰো মৰণ।
অধৰ্মৰ জয় আগত – ধৰ্মৰ জয় পাছত।

সহায়-সহযোগিতাৰ মাজেদি মানুহে সমাজত বসতি কৰিবলৈ লয়। এই সহায়-সহযোগিতাই লোকৰ মাজত আত্মীয়তাৰ ভাব গাঢ় কৰি তোলে। অৱশ্যে খাই পাত ফলা লোকৰ কথা সুকীয়া, সিহঁত ব্যতিক্ৰম:—

যায় কৰে মোৰ হাতেৰে। অন্ন পায় মোৰ পাতেৰে॥

অৱশ্যে, সহায়-সহযোগিতাৰ লোভ দেখুৱাই কেতিয়াবা যে দুই এজনে প্ৰবঞ্চনাও নকৰে তেনে নহয়, নহলে—'ঠগে নষ্ট কৰে পাও, বাপ-মায়ে নষ্ট কৰে ছাৱ' বোলা কথাষাৰৰ প্ৰচলনেই বা হব কিয়? আৰু আন হাতেদি নাৰদৰ দৰে টুটকীয়া স্বভাৱৰ 'ঢোলতো আৰু ডাং—মাদলতো আৰু ডাং' মৰা-লোকৰ বাবেই যে কেতিয়াবা ভালেমান বেমেজালিৰ সৃষ্টিৰ হয় সিও ঠিক:

কাথাৰ উপাক পাক,
বাৰজন যায় জন যুৰিবা
তেৰ জনেৰ যায় নাক।

গতিকে সিয়ান শ্ৰেণীৰ লোকসকলে 'হুস থাকিতে হৰিৰ নাম'লৈ 'সাতেও নাই পাঁচেও নাই'—মধ্যম পন্থা অৱলম্বন কৰি 'আগত হাটা, প্ৰসাদ বাটা, নৌকাৰ ধৰে হাইল—এই তিনিয়ে যায় গাইল' বোলা কথাষাৰ মানি লৈ বুদ্ধিমানৰ পৰিচয় দিয়ে; নিজকে নিজৰ কৰ্মৰ মাজত ডুবাই ৰাখি:

বুঢ়া হৈলে হাতত লয় লাঠী।
ধীৰে ধীৰে চলিয়া যায়
বেটী-জাউৰেৰ বাৰী।

জীৱন আৰু জীৱিকা নিৰ্বাহৰ ভালেমান কথাও লোক-কথাৰ পৰা সংগ্ৰহ কৰিব পাৰি। জীৱিকা নিৰ্বাহৰ বাবে তেতিয়াৰ জনসাধাৰণেও জীৱন-সংগ্ৰামত অৱতীৰ্ণ হৈছিল সেয়া নিশ্চিত:

তিন শাউনে পান। এক্কে আশিনে ধান॥
ভাতাৰে কৰে বহু শস। তিৰী বোলে মোৰ বৰ যশ॥
আগা জানি বান্ধে আলি। তায় খায় নানান শালি॥
দুয়া গৰু নোবোৱায় হাল। তাৰ দুখ চিৰকাল॥

কৃষিজীৱীৰ বাহিৰেও মাৎসজীৱীলোকসকলৰ কথাও লোক-কথাত পোৱা যায়। আন হাতেদি আকৌ সময়ৰ সদ্ ব্যৱহাৰ সম্বন্ধেও জন-সাধাৰণ যে বেছ সচেতন আছিল তাৰো সম্ভেদ পোৱা যায় :—

মাৰিবি মাছ আজিবি ভাত।
কত সুখ তুই পাবি তাত॥

আজিৰ সমাজখনৰ দৰে আগৰ সমাজখনৰো ভিক্ষা-জীৱীসকলৰ প্ৰতি ভাল মনোভাব নাছিল—

ঘাৰত ঝোলা, পৰাৰ ছুৱাৰ
কত্তয় শিকাৰ।

এই লোকৰ উপৰিও সমাজত কমাৰ, বনীয়া আৰু ওজাৰ জীৱন আৰু জীৱিকাৰ কথাও পোৱা যায় :—

কামাৰ বিদ্যা ঠাকাস, বানীয়া বিদ্যা চোৰ ;
ওঝা বিদ্যা শিকিশ যদি আশা পালি মৰ।

ধৰ্মীয় তথা লোক-সংস্কৃতিৰ ভালেমান কথাও লোক কথাৰ পৰা জানিব পৰা যায়। জন্ম, মৃত্যু আৰু বিবাহ, জীৱন-জীৱিকা আৰু পূজা-পাতল, লোকবিশ্বাস, লোকানুষ্ঠান আৰু লোকাচাৰ আদিক কেন্দ্ৰ কৰিয়েই লোক-সংস্কৃতিয়ে গঢ় লৈ উঠে। লোক-কথাত মৃত্যু সম্বন্ধে থকা বিশ্বাসৰ কথা কোৱা হৈছে :—

পাজি চাং পঞ্জিকা চাং মোৰ মৰণ নাই ;
অন্ত ধৰণে মৰিবা চাং কাম ক্ৰিয়া নাই।
বাথে হৰি মাৰে কায়। মাৰে হৰি ৰাখে কায়॥

সমাজৰ কোনো ব্যক্তিৰ বিয়া-বাৰু সম্বন্ধে নাইবা আন তেনে কোনো বিষয়ে কথা-বতৰা বা সম্পৰ্ক চলি থকা সময়ৰ পৰাই এচাম লোকৰ 'চকুত টোপনি নোহোৱা হয়' অৰ্থাৎ তেওঁলোকৰ মুখত সেই বিষয়ে নানা আলোচনা-বিলোচনাৰ শেষ নহয়। তেনে অৱস্থাত কোৱা হয় :—

বিয়াৰ ঘৰেৰ দাশ নাই।
পাৰাৰ পৰশীৰ নিন্দ নাই॥

অৱশ্যে তেনে অৱস্থাত যে প্ৰত্যুত্তৰ দিয়া হোৱা নাই তেনে নহয় :—

নদী নাই পাইতে লেৰটিয়া হৈছে।
ফুল নাই ফুটিতে গোন্ধ ওলাইছে॥

কোনো কথা বা বিষয়ে চূড়ান্ত সিদ্ধান্ত নোহওতেই 'নানা মুনিৰ নানা মত' শুনা যায়। তেনে অৱস্থাত কোৱা হয় :—

ৰাম নাই জন্মিতে ৰামায়ণ ৰচিছে।
ফুল নাই ফুটিতে গোন্ধ ওলাইছে॥

লোকক সহায় কৰি নিজে বিপদত পৰা লোকৰ উদ্দেশ্যে কোৱা হয় :—

নিজেৰ লগুণ পৰাক দিয়া।
বামুণ বেৰায় কান্দিয়া॥

পাত্ৰ এৰি অপাত্ৰত ভৰসা কৰি কৰা কাৰ্য যে তেনেই নিৰৰ্থক তাকেই বুজাবৰ বাবে কোৱা হয় :—

পুজিবা লাগে তুলসীৰ তলত।
পুজিলে কি হব সিজুৰ গোৰত॥

মানব জীৱনৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱ অখণ্ডনীয়। সেয়ে প্ৰকৃতি ৰাজ্যৰ লগত মানৱৰ সম্পৰ্ক আৰু প্ৰকৃতি-প্ৰীতিৰ কথাও লোক-কথাত ধ্বনিত হৈছে। মন কৰিব লগীয়া যে কিছুমান তুলনামূলক কথাৰ মাজেদি মানৱ চৰিত্ৰ সম্বন্ধেও ভালেমান সংবাদ পোৱা যায়। তেনে কথা কিছুমান ৰূপক ধৰ্মীও :—

অলপ পানীত তিত পুঠী। গভীৰ পানীত ৰৌ কাতালা॥
হাতী ঘোৰা গেল তল। ভেৰা বোলে কত জল॥

অসমীয়া ভাষাত প্ৰচলিত 'আদাক দেখি উঠিল গা কাতুৰি বোলে মোকো খা' বোলা বচন ফাঁকিৰ অৰ্থত প্ৰচলিত—'চেং নাচে, বেং নাচে পুঠী খলদা ওয়ো নাচে' কথাষাৰে অলায়ক বা অযোগ্যজনৰ অত্যুৎসাহী কাম-কাজৰ প্ৰতি ব্যঙ্গ কৰাকে সূচাইছে।

সেইদৰে দুটা দল বা গোষ্ঠীৰ জেদ বা প্ৰতিযোগিতা অথবা প্ৰতিদ্বন্দ্বিতাৰ ফলত সৰ্বসাধাৰণৰ যি দুখ-দুৰ্গতি হয় তাৰ আভাসো দিয়া হৈছে :—

হাতী হৈভেসে যুঁজ কৰে। নল খাগাৰাৰ মৰণ মিলে॥

আৰু তেনে অৱস্থাত যি সকলে অন্যায়কাৰীৰ বিপক্ষে





থিয় দিব পাৰে বা শাস্তিমূলক ব্যৱস্থা হাতত লব পাৰে সিহঁতৰ অৱস্থা কৌৰৱৰ অন্নৰে পালিত ভীষ্ম-দ্ৰোণৰ লেখীয়া পুতৌ লগা :—

হয় হনুমান, পৰাৰ চাকৰ।

মাক-বাপেকতকৈ পুতেক কোনো বিষয়ত এখোঁপ চৰা হলে তাক উদ্দেশ্য কৰি কোৱা হয়—

বাৰ হাত কাকিৰলেৰ তেৰ হাত বিচি।
আগটা ওলায় ঘৰেৰ মুধা ফুটি॥

'কেৰ্কেটুৱাই তামোল খায়—নেউলক বান্ধি কিলায়' বা 'এক ৰৰাই ধান খায়—এক ৰৰাই হান খায়' জাতীয়—'ধান খাওৱাক নাপে তুষ খাওৱাক মাৰে—গঁৱাক নাপে গঁৱৈক কিলায়' কথাষাৰে—'সব শিয়ালে কাঠল খায়—বোবাৰ মুখত আঠা যায়' বা 'ভুইৰ লটপট শান্তৰ মৰণ' নাইবা 'সঙ্গ দোষে বিকট মৰণ' প্ৰভৃতি কথা মনলৈ আনে।

স্বাভাৱিক ধৰ্ম বুজোৱা কথাৰ আভাসো লোক-কথাত পোৱা যায়। তেনে এফাকি কথা—

পখী দেখিলে পখী পৰে ফুল ফুটিলে ভোমৰা ঘূৰে॥

মনৰ দৃঢ়তা বুজাবলৈয়ো কোৱা হয়—

যেই পাতত ন খায় ভাত। কাউৰায় চিলায় হাগক তাত॥

তেনেদৰে কোনোবাই কাৰোবাক কিবা কাৰণত বিদ্ৰূপ কৰিলে তাৰ উত্তৰত কোৱা হয়—

আগলতীক দেখি পাচলতী হাসে।
থাক থাক পাচলতী তোকো লাগি আছে॥

কাৰোবাৰ মাজত কিবা বিষয়ে কথা-বতৰা চলি থকা অৱস্থাত তেনে আলোচনাৰ থলীলৈ আহি আলোচনাৰ একো ভু-ভা নোপোৱাকৈ কোনো ব্যক্তিয়ে কিবা মন্তব্য কৰিলে কোৱা হয়—

'আলুত নাপে তালুত ধৰে।'

মানুহৰ স্বভাৱ-চৰিত্ৰৰ বিষয়েও ভালেমান কথা লোককথাৰ পৰা জানিব পৰা যায়। এই ক্ষেত্ৰত পুৰুষতকৈ নাৰী সমাজৰে অধিক সংবাদ পোৱা যায় :—

দুপাইৰ পাৰে ঝিকিনী টানে।
নাই মাৰিতে আটাস পাৰে॥
কাজ নোহো তিৰী বেৰায় বাৰী বাৰী।

তিৰোতা সমাজৰ প্ৰতি যে অতীতৰ সমাজখনৰ ভাল মনোভাব নাছিল তাৰো সম্ভেদ পোৱা যায়। তিৰোতা সমাজ—লোকবিশ্বাসৰ থল নহয় ; সিহঁতক বিশ্বাস কৰিলেই বিপদ :—

মাজ পাথাৰত নেদিবি কুকুৰাৰ ভাসা।
তিৰীৰ আগত নকৰি বিশ্বাসেৰ কথা॥

× + ×

তিৰীৰ আগত কথা শুকয়ে কৰছে মানা।
যেই পুৰুষে কয় কথা দুইয়ো চকু কানা॥

স্বভাৱ-চৰিত্ৰ বুজোৱাৰ ক্ষেত্ৰত মান্য অসমীয়াত প্ৰচলিত—''মাছে নিচিনে নৈ, তিৰীয়ে নিচিনে পৈ, কুকুৰে নিচিনে তাম তুলসী,—ঠেং দাঙি মুতে গৈ' বোলা কথাষাৰৰ সমপৰ্যায়ৰ বচন এফাকি গোৱালপৰীয়া লোক-কথাতো পোৱা যায় : নাঙলে নিচিনে এলুৱা কাশী—মূৰ্খই (?) নিচিনে মাসী পেসী।' সেইদৰে কোৱা হৈছে—'মনে চিনে পাপ—মায়ে চিনে বাপ।' 'আপোন ভালে জগত ভাল'ৰ দৰে 'চিনা বামুনেৰ পইতাৰ দৰকাৰ নাই ; ইয়ো সঁচ।

ভাৰতীয় জনজীৱন অতীতৰ পৰাই অদৃষ্টবাদী। পূৰ্ব জন্ম আৰু কৰ্মফলৰ কথাও ভাৰতীয় সমাজে বিশ্বাসেৰে মানি লয়। লোককথাই তেনে কথাৰো সম্ভেদ দিয়ে :—

কি যাইস তুই সোণাৰ গাঁও।
মুই বিধি তোৰ পাছত যাঁও॥
ভাগ্যে নাৰী ভাগ্যে দাৰী।
ভাগ্যে পায় আম-কাঠলেৰ বাৰী॥
হাল বোৱাবাৰো নাম কৰিলুং।
খুঙি খাওৱাৰো ভিং মাৰিলুং॥
টাকা পইসা বাহুৰ বল।
পুত্ৰ কন্যা কৰ্মৰ ফল॥

জীৱনৰ ক্ষণভঙ্গুৰতা আৰু অনিত্যতাৰ সম্ভেদো পোৱা যায় :—

ছয়, কুন দিন বা হয় ক্ষয়।
ভাণ্ডায় ফুটায় কয়—মোক বা কুন দিন নিয়া থয়।
আৰৈ থাকতেও বাৰৈ সামায়।
তেল থাকতেও চেৰাক নিমায়॥

নীতিবচনৰ আৰ্হিত কোৱা ভালেমান লোককথাও আছে। এইবোৰ কথাই স্বাভাৱিকতে নীতি-উপদেশ-বোৰলৈ মনত পেলায়। সেয়েহে তেনেবোৰ কথাক নীতি-বচনৰ শাৰীত পেলাব পৰা যায়:—

যাৰ নুন খাবি—তাৰ গুণ গাবি।]
পৰাৰ আশায় থাকে যায়—নিত্যে উপাস কৰে তায়।
ভাত কাপুৰ শাসন—এই তিনিয়ে তিৰীৰ আপোন।
দাৱত শান কুঠাৰত শিল—মাসে পক্ষে তিৰীক কিল।
দৈ কিনিবি যাৰ মাজত থাল।
কইনা আনিবি যাৰ মাৰটা ভাল।
পেট নষ্ট কৰে মুৰী—ঘৰ নষ্ট কৰে বুঢ়ী।

ব্যঙ্গ আৰু বিদ্ৰূপ অৰ্থত ব্যৱহাৰ হোৱা লোক-কথাৰ সংখ্যাও কম নহয়। অতীত ঐতিহ্য লৈ গৰ্ববোধ কৰা লোকসকলক উদ্দেশ্য কৰি কোৱা হয়:—

কতদিনে মৰিছে ভইস। ওৰ কাথা এলাও কইস॥

'বেঙৰ নাকত খৰ'ৰ দৰে 'কামাৰেৰ ঘৰত ভাঙাদাও, ওঝাৰ ঘৰত কাহুলা মাৰ' বোলা বচন ফাকিৰ সত্যতা কোনেনুই কৰিব পাৰে? 'ওভোতগাৰে নচা' সকলক কোৱা হয়—"বাপজন্মে নাই ঘোঁৰা—টিটকাৰী দি লাহাম ধৰা।' তেনেদৰে কোৱা হয়—'বাৰীৰ কোলাৰ ভূত, চৈধ্য পুৰুষেৰ নাম জানুং।' ঐতিহ্যকে লৈ বৰ মানুহ বোলাই থকা সকলৰ উদ্দেশ্যে কোৱা হয়—"নামত গগনা ফাটে—হাড়ীৰ ভাত কুকুৰে চাটে।" সেইদৰে নতুনকৈ ধন-মান-সন্মানৰ গৰাকী হব ধৰা সকলৰ ফুটনি দেখি কোৱা হয়—

নহবাৰ ঘৰত হৈছে নাতি।
কাণ ফৰকাইছে উপৰ কাতি॥

স্বাভাৱিকতে শ্ৰমিক-মজদুৰসকলৰ নিজৰ 'ঘৰৰ' অৱস্থা বেয়া। অথচ লোকৰ ঘৰ ভালদৰে সাজি দি, মেৰামতি কৰি দি—ব্যৱহাৰৰ উপযোগী কৰি তোলে। কিন্তু নিজৰ—

ঘৰ কামালাৰ ভিজে মাথা।
জোলাৰ ছাওৱাৰ গলাত থেতা॥

'অধিক মাছত বগলী কণা'ৰ দৰে 'বাচোতে বাচোতে' 'বাথনেৰ নাৰী(ও) কুজা ভাতাৰী' হে হয়। তেনে অৱস্থাত যদি কয়—"যাৰ মনে যেই ধায়—দৈ ছাৰি পানী খায়'—কোনোৱাই কব নেকি—"ছাগলে নাথায় কি—পাগলে নকয় কি?" কেতিয়াবা আকৌ 'মাক ভালেহে জীয়েক জাতি'ক বুজাবলৈ কোৱা হয়—

গাছ হিচাবে ফল।
নদী হিচাবে জল॥

ঘঁহোতে ঘঁহোতে শিলো ক্ষয় যায়? নিলাজ হৈ যদি কোনোবাই কিবা অসৎ কামত আগবাঢ়িয়েই থাকে তেতিয়া তেওঁ জয়যুক্ত হবই। তেনে ক্ষেত্ৰত কোৱা হয়—

নিলাজীয়া পাৰে পাত।
কুনজনে বা নেদে ভাত॥

এইবোৰৰ উপৰিও আৰু ভালেমান লোককথাই অন্যান্য ভালেমান কথাৰ সম্ভেদ দিয়ে। তেনেবোৰ কথাৰ মাজৰ পৰা কেইটামান উদ্ধৃত কৰা হ'ল।

চোৰ গেলে বুদ্ধি হয়।
পানী চাৰিলে ছাতা লয়॥
যেই গাছেৰ ফল নাখাং।
সেই গাছেৰ তলেদিও নাযাং॥
কাণা থৰা ছুষ্টেৰ গৰা।
ঘিৰিলে বিৰিলে বাৰী।
পিঙ্কিলে উৰিলে নাৰী॥
দুই নাৱত পাৱ যাৰ।
সব বুদ্ধি নষ্ট তাৰ॥

( ২৮ পিঠিত চাওক )

# সম্প্ৰীতি আৰু বিভেদ

অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা

একালত আমাৰ এই কামৰূপ ৰাজ্য—পশ্চিমে কৰতোয়া নদীৰ পৰা পূবে ডিক্ৰং নৈলৈকে দীঘে এশ যোজন আৰু বহলে ত্ৰিশ যোজন বিস্তীৰ্ণ, নদ-নদী, পৰ্বত-কান্তাৰ সমাকীৰ্ণ, ত্ৰিকোণাকাৰ, বিস্তীৰ্ণ ভূখণ্ড আছিল—

কৰতোয়ানদীপূৰ্বং যাবদ্দিক্কৰবাসিনীম্।
ত্ৰিংশদ্যোজনবিস্তীৰ্ণং যোজনৈকশতায়তম্॥
ত্ৰিকোণং কৃষ্ণবৰ্ণঞ্চ প্ৰভূতাচলপূৰিতম্।
নদীশতসমাযুক্তং কামৰূপং প্ৰকীৰ্তিতম্॥

—কালিকা পুৰাণ

মহাৰাজ ভাস্কৰবৰ্মাৰ ৰাজত্বকালত কামৰূপ ৰাজ্যৰ সীমা কৰতোয়াৰো পশ্চিমে বিহাৰ ৰাজ্যৰ কৌশিকী বা কোশী নৈলৈকে বিস্তৃত হৈছিল। অষ্ট্ৰিক, দ্ৰাবিড়, আৰ্য, মঙ্গোলীয় আদি নানা জাতিৰ পৰস্পৰ সমিলমিলত কালক্ৰমত প্ৰত্যেকৰে দান-বৰঙণিৰে পৰিপুষ্ট হৈ অপূৰ্ব অসমীয়া সংস্কৃতি আৰু ভাষাই ৰূপ পৰিগ্ৰহ কৰিছিল। শ্যান বা টাই জাতীয় শাসক গোষ্ঠীৰ আহোমসকলেও নিজৰ বিশিষ্ট অৱিহণাৰে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিক সমৃদ্ধ কৰি তাকেই আঁকোৱালি লৈছিল। নেফা, নগাৰাজ্য, খাচীয়া পাহাৰ আদিৰ পৰ্বতীয়া জনজাতিসকলৰ ভিন্ ভিন্ ফৈদৰ মাজতো অসমীয়া ভাষাই পৰস্পৰৰ মাজত ভাব বিনিময়ৰ ভাষা হৈ উঠিছিল। বৃটিছ শাসকৰ কূট-নীতিয়ে পৰ্বত-ভৈয়ামৰ মাজত মিলনৰ বাটত হেঙাৰ দিদিয়াহেঁতেন, কোনে কব পাৰে যে সিসকলেও অসমীয়াকে নিজৰ কৰি নললেহেঁতেন।

পৰ্বত-ভৈয়ামৰ মাজত গঢ় লোৱা পাৰস্পৰিক মধুৰ সম্পৰ্কৰ অলেখ কথা আজিও বুৰঞ্জীৰ পাতত জিলিকি আছে। মিৰজুমলাই অসম আক্ৰমণ কৰি স্বদেশলৈ গুচি যোৱা কথা শুনিব'ল পাই জয়ন্তীয়া ৰজা যশোমাণিক্যই আহোম ৰজা প্ৰতাপসিংহলৈ লিখিছিল,—"এই বাৰ্তা তুমি আমালৈ নিদিলা কিয়? জয়ন্তা আৰু গড়গাওঁ দুই নহয়। তোমাৰ দেশ নামাৰিছে যেন আমাৰ দেশহে মাৰিছে, আমাৰ মনত এনে দুখ লাগিছে।" অসমৰ বুৰঞ্জীত পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ আৰু বহু উদাহৰণ আছে। আজি বৃটিছ শাসকে ৰুই যোৱা বিহগুটি প্ৰকাণ্ড মহীৰুহত পৰিণত হৈছে। এটা এটাকৈ পৰ্বতীয়া জাতিবিলাক আমাৰপৰা পৃথক হৈ যাব ধৰিছে। বাকী আছে মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ।

আজি আকৌ ভৈয়ামৰ জনজাতীয় সম্প্ৰদায়বো এচাম লোকে বিভেদৰ ধ্বনি তুলিছে। কিয় এনে হ'ল বাৰু? কিহৰ প্ৰেৰণাত, কাৰ অভিসন্ধিত, কাৰ দোষত? এইবোৰ প্ৰশ্নৰ ৰহস্য উদ্ঘাটন কৰি কাৰণ নিৰ্ণয়ৰ দ্বাৰা আশু প্ৰতিকাৰৰ ব্যৱস্থা নকৰিলে আমাৰ পিতৃ-পুৰুষসকলে বুকুৰ উম দি গঢ় দিয়া বৰ্ণাঢ্য অসমীয়া সংস্কৃতি আৰু অসমীয়া হৈ নাথাকিব। ৰাজ্যিক আৰু কেন্দ্ৰীয় নেতাসকলৰ দৃঢ়তা আৰু বিচক্ষণতাৰ অভাৱত

অসম খণ্ডিত হৈ পৃথক নাগালেণ্ডৰ জন্ম হোৱাৰ দিন ধৰি কিছুমান লোকে নিজৰ ৰাজনৈতিক স্বাৰ্থপূৰণৰ সপোন দেখিবলৈ ধৰিলে। এটাৰ পাছত এটা সপোন বাস্তৱত পৰিণত হোৱাত বিভেদকামী শক্তিবোৰ ঠন ধৰি উঠিবলৈ ধৰিলে। আজি অঙ্গৰাজ্যৰ সমস্যা সমাধানৰ কাৰণে কেন্দ্ৰই যি ধৈৰ্য আৰু দৃঢ়তাৰ নীতি অৱলম্বন কৰিছে, অসমৰ ক্ষেত্ৰত সেই নীতি লোৱা নহল। নগাসকল কোনো দিনেই অসমীয়া বিৰোধী নাছিল, আজিও নহয়। সেই সময়ৰ সমাজবাদী নেতা স্বৰ্গীয় হৰেশ্বৰ গোস্বামীৰ নেতৃত্বত এটা সঁজাতি দলে শুভেচ্ছাৰ বাণী লৈ নগাপাহাৰলৈ যাওঁতে নগা নেতা শ্ৰীফজোৱে কৈছিল—'মিঃ গোস্বামী, আপোনালোক অসমীয়া মানুহ অসমত স্বাধীন নে? আমাক কিয় আপোনালোকৰ লগত সাঙুৰিবলৈ বিচাৰিছে। আমি আমাৰ ভাগ্য নিজে নিৰ্ণয় কৰি ল'ম।" নগা তথা আন পৰ্বতীয় জাতিসকলে বৃহত্তৰ ভাৰতীয় জাতীয়তাবাদীৰ সোঁতৰ লগত নিজক কেতিয়াও মিলাই দিয়া নাছিল। আমাৰ বিদেশী শাসকসকলে এই অৱস্থা সৃষ্টি কৰাত সহায় কৰিছিল। এই সম্পৰ্কত আমাৰ এজন বিশিষ্ট লেখক আৰু প্ৰশাসক শ্ৰীসত্যেন্দ্ৰনাথ বৰকাকতীৰ এষাৰ কথা প্ৰণিধানযোগ;—Wholesale and indiscriminate imposition of alien institutions on primitive races is a practice which cannot be too strongly condemned. It tears them away from their roots, breeding in them a contempt for their own race and social traditions, causing a loss of pride and self respect.......By disrupting tribal foundations and destroying an age-old way of life, no inferior to any other, it engenders in them a sense of frustration or ennui and an indefinable fear about the future, a kind of mental unrest which finds exprse-ssion periodicaly in violent eruptions as the Naga and Mizo Hills."—অৰ্থাৎ আদিমবাসী জাতিসকলৰ ওপৰত বিদেশী আচাৰ-অনুষ্ঠান সামগ্ৰিকভাৱে জাপি দিয়াটো অতি গৰ্হিত কাৰ্য। ইয়াৰ দ্বাৰা তেওঁলোক নিজৰ মূলৰ পৰা বিচ্ছিন্ন হয়, নিজৰ জাতি আৰু জাতীয় ঐতিহ্যৰ প্ৰতি তেওঁলোকৰ অৱজ্ঞাৰ ভাৱ হয়, গৰ্ব আৰু আত্মসন্মানৰ লাঘৱ হয়....। জনজাতীয় খোপনৰ ভেটি লৰাই দি, সুপ্ৰাচীন জীৱনৰীতি-যি ৰীতি কাতোকৈ হীন নহয়—তাক নষ্ট কৰি তেওঁলোকৰ মনত হতাশা বা অৱসাদ সৃষ্টি কৰা হয়, ভৱিষ্যতৰ প্ৰতি এটা অজ্ঞাত ভয়ে মনলৈ তীব্ৰ অশান্তি আনে আৰু তাৰ ফলত নগা-পাহাৰ আৰু মিজো-পাহাৰত হোৱাৰ দৰে সময়ে সময়ে হিংসাত্মক কাৰ্যবোৰ সংঘটিত হয়।[1]

( ২৬ পিঠিৰ পিছৰ পৰা )

ভাত ফেলাইলে কাউৱাৰ আকাল নাই।
ভৰ যুৱতী চিকোন কালা।
তাকে কৰিম কণ্ঠৰ মালা।
বাটত পাইল কামাৰ।
দাৱ গঢ়েয়া দে আমাৰ ॥
বুজাক বুজাবি আকাৰে ইঙ্গিতে।
নুবুজাক বুজাবি ঢাৰেয়া চাপৰে ॥

এইদৰে লোক-সাহিত্যৰ যোজনা-পটন্তৰ-প্ৰবচন-সমূহ বিশ্লেষণ কৰি চালে আমাৰ অতীত সমাজৰে মাথো নহয়, বৰ্তমানৰ সমাজথনৰ লগত খাপ খোৱা ভালেমান চিৰন্তন সত্য কথাৰ আভাস পোৱা যায়। সেইফালৰ পৰা বিচাৰ কৰিলে 'লোককথা'ক লোক সমাজৰ দাপোণ বুলি কব পৰা যায়। কোৱা বাহুল্য মাথোন—লোককথাই মাত কথাত সোণত সুৱগা চৰায়। গতিকে দৈনন্দিন জীৱনত এইবোৰ মাতকথাৰ যে ব্যাপকতা আছে তাক দুই কৰিব নোৱাৰি।

১। সৰ্বভাৰতীয় বিজ্ঞান শিক্ষকসকলৰ গুৱাহাটীত বহা অধিবেশনৰ স্মৃতিগ্ৰন্থ 'কামৰূপ'ৰ 'Some aspects of tribal life in Assam' প্ৰবন্ধ।



অপ্ৰমাদী কবি মাধৱ কন্দলিৰ হতুৱাই ৰামায়ণ গ্ৰন্থ অসমীয়ালৈ ভঙাই বড়ো-কছাৰী জাতিৰ সমৃদ্ধিৰ দিনত ৰবাহী ৰজা মহামাণিফাই অসমীয়া ভাষা-সংস্কৃতিৰ গুৰি ধৰিছিল। সেই দিনা বড়োসকলৰ অবিসম্বাদী নেতা স্বৰ্গীয় ৰূপনাথ ব্ৰহ্মই কৈছিল, "ভৌগোলিক, ঐতিহাসিক, সাংস্কৃতিক সকলো বিষয়তে জনজাতীয় ভাই-ভনীসকল আমাৰ অসম দেশ আৰু অসমীয়া জাতিৰ লগত ওতপ্ৰোতভাৱে সম্পৰ্কিত আৰু অবিচ্ছেদ্যভাৱে জড়িত। অসমৰ জনজাতীয় কৃষ্টি-সংস্কৃতি আমাৰ অসমৰ তথা ভাৰতৰে কৃষ্টি-সংস্কৃতি। আমাৰ অসমীয়া ভাষাত আমাৰ জনজাতীয়সকলৰ, বিশেষকৈ ভৈয়ামৰ বড়ো-কছাৰীসকলৰ অবদান ভাষাতত্ত্ববিদসকলে বিশেষকৈ জানে। বহুত জনজাতীয় শব্দ অসমীয়া ভাষাত সোমাই আছে। অসমৰ জনজাতীয় বিভিন্ন ভাষাৰ পৰিবেশত গঢ়ি উঠাৰ কাৰণে জনজাতীয় ভাইসকলে অতি কম আয়াসতে অসমীয়া ভাষা আয়ত্ত কৰিব পাৰে"।[2] এই উমৈহতীয়া কৃষ্টি-সংস্কৃতিৰ কাৰণেই জীৱন সমুদ্ৰ মন্থন কৰি অসমবাসীক অমৃতৰ সোৱাদ বিলাই পুণ্য-স্মৃতি বিষ্ণু ৰাভাই কৈছিল—"অসমৰ যি কৃষ্টি-সংস্কৃতি আছে তাক সংস্কৃত কৰিব লাগিব, যি নতুন আহিছে তাক অসমীয়া চাঁচত ভালকৈ সজাই পৰাই গঢ়িব লাগিব। তেতিয়াহে আমাৰ অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সভ্যতাই পূৰ্ণ বিকাশ পাব আৰু অসমীয়া জাতি বাচিব"।[3] সাহিত্য সভাৰ ৰূপালী জয়ন্তী অধিবেশন উদ্বোধন কৰি শ্ৰীসীতানাথ ব্ৰহ্ম চৌধুৰীয়ে কৈছিল—"এন্ধাৰৰ মাজতো মই সদায় পোহৰ দেখোঁ। আমাৰ হতাশ হবৰ একো কাৰণ ঘটা নাই। আমাৰ জনসংখ্যা তাকৰ হলেও আমাৰ মন উদাৰ, আমাৰ মন বহুত ওখ, পৰ্বতে ভৈয়ামে মৰম-প্ৰীতি শ্ৰদ্ধাৰ একতাৰ ডোলেৰে আমি বান্ধ খোৱা।" অসম সাংস্কৃতিক সভাৰ দ্বিতীয় বাৰ্ষিক অধিবেশনত শ্ৰীমঙ্গলচণ্ডী ব্ৰহ্মই ভাষা-প্ৰসঙ্গত কোৱা এষাৰি কথা উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো। তেখেতে কৈছিল—"বড়ো সংস্কৃতিৰ প্ৰগতিশীলতাৰ মাজতেই এদিন অসমী আইৰ গৰ্ভত অসমীয়া সংস্কৃতিয়ে থিতাপি লৈছে। এনে হেন বড়ো-কছাৰীসকলেই যদি আজ অসমীয়া নহয়, তেনেহলে অসমীয়া কোন ?"

বড়ো-কছাৰী জনগোষ্ঠীৰ আমাৰ জাতীয় নেতাসকলৰ এই বাণীসমূহে আমাৰ মনলৈ আশাৰ ৰেঙনি আনে। আকৌ যেতিয়া পৃথক ৰাজ্যৰ দাবীৰ প্ৰতিধ্বনি আমাৰ কাণত পৰে আমি নিৰুৎসাহ হওঁ। যুগ যুগ ধৰি অসমৰ কোলাতে উপজি অসমতে হাড় পেলোৱা অসমৰ জনজাতীয় আৰু অজনজাতীয় লোকসকল যদি পৰস্পৰ পৰস্পৰৰ আপোন নহয়, আন কোন বাৰু হব পাৰে ? অসমৰ শ্ৰীবৃদ্ধিৰ প্ৰতি ঈৰ্ষালু তৃতীয় পক্ষৰ প্ৰৰোচনায়ো বিভেদাত্মক মনোভাৱক জীপ দিব পাৰে। যিজনা মহাপুৰুষে এক দিব্য জীৱনবোধৰ দ্বাৰা অনুপ্ৰাণিত হৈ প্ৰেমভক্তিৰ বাণীৰে স্পৃশ্যাস্পৃশ্যৰ ভেদ দূৰ কৰি সাম্যৰ ভেটিত বিশাল অসমীয়া সমাজখনক নতুন ৰূপ দিছিল সেই শ্ৰীমন্ত শঙ্কৰদেৱৰ গ্ৰন্থৰ কোনো বাক্যৰ বিকৃত ব্যাখ্যাৰ দ্বাৰা ভেদ ভাব সজীৱ কৰি তোলা দেখিলে আমাৰ এনে আশঙ্কা অমূলক যেন নালাগে। সি যিয়ে নহওক, আমি লোকৰ গাত দোষ দি আত্মপ্ৰসাদৰ মনোভাৱ নলৈ নিজৰ গাতো চিকুট মাৰি চোৱাটো সমীচীন হব। আমাৰ আচৰণ, আমাৰ ব্যৱহাৰ, মনোভাৱৰ দ্বাৰা আমি আমাৰ জনজাতীয় ভাই-ভনী-সকলৰ হৃদয় জয় কৰিবলৈ কিবা যত্ন কৰিছোনে ?

এই বিষয়ত লেখক আৰু সাহিত্যিকসকলৰ এক বিশেষ ভূমিকা আছে। অসমীয়া সাহিত্যত উপন্যাস সম্ৰাট ৺ৰজনীকান্ত বৰদলৈদেৱৰ 'মিৰিজীয়ৰী' আৰু সাম্প্ৰতিক কালৰ ঔপন্যাসিক শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য-

( ৩২ পিঠিত চাওক )

২। সাহিত্য সভাৰ ধুবুৰী ৰূপালী জয়ন্তী অধিবেশনত ধুবুৰী শাখাৰ সভাপতিৰ অভিভাষণ।
৩। অসমীয়া কৃষ্টিৰ চমু আভাস ( ২৪ পৃঃ )।

# অসমৰ সংস্কৃতি আৰু আমাৰ কৰ্তব্য

শ্ৰীমঙ্গলচণ্ডী ব্ৰহ্ম

অসম বহুজাতি উপজাতিৰ সমন্বয়ত গঢ় লোৱা এখন বিচিত্ৰ ৰাজ্য। এই নানা তৰহৰ বাৰবৰণীয়া প্ৰজাসকলেই অসমৰ আদিম মানৱ পুৰুষ, অসমীয়া ভাষা-সংস্কৃতিৰ মৌবিচনী বাব্ধোতা আৰু অসমীয়া জাতিটোক তেজ-মঙহে লোকোৰ-পোদোৰ কৰোঁতা। কিন্তু বৰ দুখলগা কথা যে অসমৰ পৰ্বতীয়া ভাইয়ে হওক বা ভৈয়ামীয়া জন জাতিয়েই হওক এওঁলোকৰ বিষয়ে আজিলৈকে ভালকৈ গূঢ় গৱেষণা নোহোৱাৰ কাৰণে বুজা-বুজিত ভুল হোৱাত আজি আমাৰ ৰাজ্যত নানান সমস্যা আৰু বেমেজালিয়ে জুমুৰি ধৰিছে। জনজাতিৰ বিষয়ে আলোচনা কৰিবলৈ বহুপণ্ডিতে সংস্কৃত পুথি, বেদ-বেদান্ত, উপনিষদ, পুৰাণ আদিৰ সাহায্যলৈ কপটীয়া ভাৱত গৱেষণা কৰাত বহুতো কেৰোণ থাকি যোৱা প্ৰমাণ পোৱা যায়। এই কথা কলাগুৰু বিষ্ণুৰাভাই মন্তব্য কৰিছে। কোনো জনজাতিৰ বিষয়ে জানিবলৈ হ'লে সেই জাতিৰ ধৰ্ম, ভাষা, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে জ্ঞান আৰু অধ্যয়নৰ একান্ত আৱশ্যক। সেইবোৰ বিষয়ে জানিবলৈ হলে আমি সেই জনজাতিৰ "হিয়াৰ আমঠু, কলিজাৰ এচুৰখৰি আৰু বুকুৰ এফাল" হবলৈ শিকিব লাগিব।

**দ্বিতীয়তে,** বড়ো সংস্কৃতিৰ মাজতেই এদিন অসমী আইৰ গৰ্ভত অসমীয়া ভাষা-সংস্কৃতিয়ে পিতাপি লৈছে। তাৰ প্ৰমাণ বড়ো নৃত্য, কৃষ্টি, সংস্কৃতি আজিও অমৰ হৈ আছে, চি কুণ্ডৰ [বাঁহীৰ] সুৰ আজিও গাওঁ-বননিত বাজিছে, মাদল গুডুম-ডুম এতিয়াও মাৰ যোৱা নাই। এয়ে হৈছে অমৰ কলা। এই কলাৰ সেৱক হৈছে মানুহ। এই সেৱকসকলৰ জাতিভেদ নাই, ধৰ্মভেদ নাই, ভৌগোলিক ভেদজ্ঞান নাই; এয়ে হৈছে মানৱ আত্মাৰ মৰ্মবাণী। সেয়েহে অসমৰ শ্ৰেষ্ঠ কলা শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু কলাগুৰু বিষ্ণু ৰাভাই অসমৰ থলুৱা কৃষ্টি সংস্কৃতিৰ মৌলিক ঐতিহ্য, সংৰক্ষণ কৰিবলৈ অশেষ যত্ন আৰু চেষ্টা কৰিছিল। কিন্তু বৰ দুখ লগা কথা, ভাৰতৰ ভিতৰত আগশাৰীৰ কামৰূপীয়া নৃত্য, বড়ো নৃত্য আৰু সঙ্গীতত অসমীয়াৰ এনে বহুমূলীয়া সম্পদ থাকিও চৰ্চাৰ অভাৱত আজি মানৱ জগতৰ আগত অসমীয়া থলুৱা লোকসকলৰ নৃত্য-কলা দেখুৱাবলৈ অসমীয়া অপাৰগ। অৱশ্যে তাৰ বাবে লাগে ধন, চৰ্চা, সাধনা আৰু সাধনাৰ আশ্ৰয়। গতিকে অসমৰ ভাষা-সাহিত্য সেৱাৰ মাজেদি জাতীয় কৃষ্টি, সংস্কৃতি আৰু সংহতি স্থাপনৰ ক্ষেত্ৰত শঙ্কৰী কলা-কৃষ্টি আৰু অসমৰ সংস্কৃতিৰ পথ-প্ৰদৰ্শক বড়ো কছাৰী, মিচিং, মিকিৰ, চাহ বনুৱা আদি থলুৱা শ্ৰেণী লোকসকলৰ লুপ্তপ্ৰায় কলাকৃষ্টিসমূহ পুনৰ উদ্ধাৰ আৰু চৰ্চা কৰিবলৈ চৰকাৰী, বেচৰকাৰী পৰ্যায়ত অসমৰ ঠাই বিশেষে অসমৰ কলা-কৃষ্টি অধ্যয়নৰ কাৰণে বিদ্যালয় স্থাপনৰ ব্যৱস্থা হাতত লব লাগে।



**তৃতীয়তে,** যুগ-যুগান্তৰ ধৰি নানা বিপৰ্যয়ৰ সন্মুখীন হৈয়ো অসমৰ বিভিন্ন জনগোষ্ঠীৰ জাতীয় জীৱনৰ উৎকৰ্ষ সাধনৰ ভিত্তি স্বৰূপ লোকগীত, সংস্কৃতিমূলক গল্প, কাহিনী, সাধুকথা আৰু অসমৰ চিত্ৰকলা আদিৰ তথ্যপাতি উদ্‌ঘাটন আৰু সংগ্ৰহৰ বাবে 'অনুসন্ধান সমিতি (Enquiry Committee) গঠন কৰি ক্ষিপ্ৰগতিত কাম কৰিব লাগে। কাৰণ, কামৰূপ অনুসন্ধান সমিতিৰ ঘৰটোৰ বাহিৰেও গোটেই অসমখনেই এটা বিৰাট 'মিউজিয়াম'। অপ্ৰিয় হলেও সঁচা কথা যে আজি সেই সংগ্ৰহ আৰু অনুসন্ধানৰ কাম শামুকীয়া গতিত চলিছে। তত্ত্ববিদ্ পণ্ডিতসকলক অনুৰোধ কৰোঁ যেন তেওঁলোকে বিজ্ঞান-সম্মতভাৱে এইবোৰ অনুসন্ধান-বিশ্লেষণ কৰি অসমীয়া ৰাইজৰ আগত দাঙি ধৰে। পুৰণি বস্তুকে যেন নতুন সংস্কৰণ কৰি প্ৰকাশ নকৰে। তেখেতসকলে যেন কেৱল পুথিগত বিশ্বাসে বিশ্লেষণ কৰি পুথি নেলেখি প্ৰত্যেক জাতিৰ মানুহৰ লগত আলোচনা কৰি তথ্যপাতি গোটাই নিজৰ অভিজ্ঞতাৰে পুথি লিখে। নহলে পুথিত বহুতো বিকৃতি বা ভুল থাকিবৰ সম্ভাৱনা থাকে। কাৰণ, গল্প-উপন্যাসত আমি পাওঁ অভিজাত সম্প্ৰদায়ৰ জীৱনৰ ঘাত প্ৰতিঘাত, দুষ্কৃতি, শোষক জাতিৰ আত্ম-গৌৰৱ, আত্মগৰিমা, আত্মমৰ্যাদা। কিন্তু যি জাতি চিৰকাল দুষ্কৃতিৰে শাসিত, শোষিত, নিৰ্যাতিত, ইয়াৰ পৰিণাম ভয়াবহ হব পাৰে। আৰু হয়তো এনে কাৰণতেই অসমৰ বিভিন্ন জনগোষ্ঠীয়ে একো একোটা স্বকীয়া গোষ্ঠী প্ৰতিষ্ঠাৰ বাবে প্ৰয়াস মেলিছে।

**চতুৰ্থতে,** ভাষাৰ নিচিনাকৈ লোক-কলা-সংস্কৃতি আদিৰ লগত একোটা জাতিৰ অঙ্গাঙ্গী সম্বন্ধ। সেই কাৰণে অসমৰ জনজাতিসকলৰ ভাষাৰ সম্পদেৰে অসমীয়া ভাষা-সংস্কৃতি সমৃদ্ধ কৰা আৰু অসমীয়া ভাষা সাহিত্যৰ সম্পদেৰে আমাৰ জনজাতি ভাইসকলৰ ভাষা-সংস্কৃতি সমৃদ্ধি কৰাৰ পাৰস্পৰিক মিলাপ্ৰীতিৰ আৰু সহযোগিতাৰ শ্ৰেষ্ঠপথ গ্ৰহণ কৰিব লাগে।

**পঞ্চমতে,** অসমৰ জনসংহতি আৰু ঐক্য গঢ়িতোলাৰ ক্ষেত্ৰত অসমীয়া ভাষা-সংস্কৃতিৰ মুৰব্বী সকলৰ দায়িত্বই আটাইতকৈ বেছি। কাৰণ, অসমীয়া ভাষা-ভাষীসকল একক সংখ্যা গৰিষ্ঠ। সংখ্যা গৰিষ্ঠ লোকসকলে সংখ্যা লঘুৰ প্ৰতি ন্যায্য-প্ৰাপ্য, গণতান্ত্ৰিক অধিকাৰ দিয়াৰ ওপৰত অসমৰ জনসংহতি, ভাষা-সংস্কৃতি ৰক্ষা আৰু সম্প্ৰীতি সুদৃঢ় হোৱাৰ সম্পূৰ্ণ নিৰ্ভৰ কৰিছে। প্ৰধান মন্ত্ৰী স্বৰ্গীয় নেহেৰুৱে কৈছিল— 'আমি জনজাতীসকলৰ নিজস্ব ঐতিহ্য আৰু প্ৰতিভা বজাই ৰাখি উন্নতি কৰি যাবলৈ তেওঁলোকক সহায় কৰিব লাগে।' অতএৱ অসমৰ জনজাতি সকলৰ ভাষা, সাহিত্য, সংস্কৃতিক আৰু বেছিকৈ উন্নত হবলৈ দিব লাগে।

**ষষ্ঠতে,** অসমত অসমীয়াক সংখ্যালঘু কৰিবলৈ ডাঙৰ যুগৰে পৰা অৰ্থাৎ ১৯৩০ চনৰপৰা আজিলৈ ষড়যন্ত্ৰ চলি আহিছে। এই ষড়যন্ত্ৰ আমি জাতি-ধৰ্ম নিৰ্বিশেষে প্ৰতিৰোধ কৰিব লাগিব, চৰকাৰ আৰু সাধাৰণ ৰাইজৰ সমূহীয়া প্ৰচেষ্টাৰে। বহিৰাগত প্ৰব্ৰজনকাৰীৰ অবৈধ অনুপ্ৰবেশ পোন প্ৰথমে বন্ধ কৰিব লাগিব। ই আমাৰ সমগ্ৰ অসমৰ যুৱক-যুৱতী, ছাত্ৰ-সমাজ আৰু ৰাইজৰ কাৰণে এটা গুৰুতৰ প্ৰত্যাহ্বান। নহলে আমি মাতৃভূমিত থকাদি থাকিব লাগিব। কাৰণ অসমৰ জনসংখ্যা বৃদ্ধিৰ তথ্যমতে ই মাত্ৰ জন্মহাৰ নহয় বুলি আজি চৰকাৰী, বে-চৰকাৰীমহলে স্বীকাৰ কৰিছে। আনহাতে আমাৰ দেশত, সমাজত পশ্চিমীয়া সভ্যতা, ভাষা-সংস্কৃতিৰ প্ৰেমিক-প্ৰেমিকা বহুতো লোক আছে। আজিও সমাজত এক শ্ৰেণীৰ লোক আছে যিসকলে ইংৰাজী শিক্ষা আৰু পাশ্চাত্য সভ্যতা বিচাৰে, একমাত্ৰ উচ্চ পদস্থ চাকৰি-বাকৰিৰ কাৰণে আৰু শাসন শোষণৰ কাৰণে; দেশৰ, সমাজৰ জনসাধাৰণৰ সৰ্ব্বাঙ্গীন শিক্ষা-দীক্ষা উন্নতিৰ কাৰণে নহয়। নহলে, আজি ইংৰাজ যোৱাৰ একুৰি ছয় বছৰ পাছতো সাত সাগৰ তেৰ নদীৰ সিপাৰৰ, ভাৰতৰ কোনো জাতিৰ জাতীয় সংস্কৃতি জাতীয় ঐতিহ্য, জাতীয় গৌৰৱ কোনোটোৰে লগত সম্বন্ধ আৰু

সম্পৰ্ক নথকা ইংৰাজী ভাষা সভ্যতাৰ প্ৰতি ইমান মোহ কিয়? আজি শক্তিশালী সমবায়ী অসমীয়াৰ মাজত থকা ঐক্য, সংহতিৰ ফাটমেলিছে, আমাৰ ঐতিহ্যভৰা কলা-কৃষ্টি, ভাষা-সংস্কৃতিৰো দুৰ্ভাগ্য আৰম্ভ হৈছে। স্বাৰ্থান্বেষী একশ্ৰেণী শাসক গোষ্ঠীয়ে নিজৰ গোষ্ঠীস্বাৰ্থৰ নিকৃষ্ট কামনা-বাসনা, কপটীয়া মনোভাৱ পোষণ কৰাৰ ফলত অপ্ৰত্যাশিতে নানান অশুভ বিপ্লৱে দেখা দিছে। দেশাত জৰটো ঘঘুৰা হলেও ইয়েই ৰণচণ্ডীৰ জমকত ঘৰৰ মজিয়াৰ ভিতৰ-বাহিৰে খুন্দিয়া-খুন্দি লগাইছে। আৰু অসমৰ ঐতিহ্যভৰা সংহতি, স্বাৰ্থ, নিৰাপত্তা, আৰ্থিক আৰু সামাজিক জীৱন-যাত্ৰা শান্তিৰ পথত কেনা লাগিছে।

**সপ্তমতে,** মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱে আমাক যি সংস্কৃতি দি গ'ল সি আজিও সত্ৰ আৰু নামঘৰ বিলাকৰ ভিতৰ মজিয়াতে বল। সেই কাৰণে দুষ্কৃতিয়ে অসমীয়া ভাষা, সংস্কৃতি, কৃষ্টিক নিধন কৰিবলৈ চৌদিশে আজি অগ্নিশিখাৰ তাণ্ডৱতাই দেখা দিছে। কাৰণ, সেই শঙ্কৰী যুগে অসমীয়া জাতিক যি দান কৰি গ'ল, তাৰ পিছত অসমীয়াই বিশেষ একো সংস্কৃতিগত, কলা-কৃষ্টিগত, অৱদান আগবঢ়াব পৰা নাই। গতিকে অসম সাহিত্য সভা, সত্ৰাধিকাৰ সকল, প্ৰত্যেক ধৰ্মপ্ৰাণ স্বদেশহিতৈষী অসমীয়াসকলে সাৱধান হোৱা উচিত আৰু অসমৰ অত্যাচাৰিত আৰু অৱনত জাতিসমূহক আন আন উন্নত জাতিৰ লগত একে আসনত ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনৈতিক আৰু সমাজসেৱী নেতাসকলে বৰ্তমানৰ কপটীয়া মনোভাৱ মুকলি কৰিবলৈ যত্ন আৰু চেষ্টা কৰা উচিত।

**অষ্টমতে,** অসম সাহিত্য সভাৰ ৪০শ বাৰ্ষিক ৰঙিয়া অধিবেশনৰ সভাপতি, সুবিজ্ঞ সাহিত্যিক শ্ৰদ্ধেয় শ্ৰীগিৰিধৰ শৰ্ম্মাদেৱে ভাষণত **'মৌলিক গ্ৰন্থ প্ৰণয়ন আৰু প্ৰকাশ'** পৰামৰ্শৰ চতুৰ্থ দফাত, পাহাৰ আৰু ভৈয়ামৰ ডিমাছা, মিকিৰ, মিৰি, বড়ো, ৰাভা, কছাৰী, চাহমজদুৰ, আদিৰ জীৱন বৃত্তান্ত আৰু তেওঁলোকৰ মাজত চলি থকা সাধুকথা আদিৰ সৰল ৰচনা আৰু প্ৰকাশৰ পৰামৰ্শ দিছে। **'অসমীয়া জাতিৰ ইতিবৃত্ত নিৰ্ম্মাণ'** পৰামৰ্শত, বিভিন্ন অঞ্চলৰ নানা লোকগীত, প্ৰবচন, ফকৰা যোজনা, কিংবদন্তি, সাধুকথা আদিৰ সংগ্ৰহ, দ্বিতীয়তে বিভিন্ন ঠাই, নদী, পৰ্বত, আদিৰ নামৰ উৎপত্তি বিৱৰণ আৰু তাৰ লগত জড়িত থকা পুৰাবৃত্ত, সেই ঠাইৰ প্ৰধান উৎপন্ন বস্তু আৰু বনজ, প্ৰকৃতিজ সম্পদ, তৃতীয়তে প্ৰাচীন কীৰ্তি-কলাপ, মঠ-মন্দিৰ, সত্ৰ-দেৱালয়, মছজিদ আদিৰ সম্পূৰ্ণ বিৱৰণ, ৪ৰ্থতে বিভিন্ন ঠাইৰ উৎসৱ, আচাৰ-ব্যৱহাৰ, কৰ্মসংস্থান, খাদ্য, পোছাক আদিৰ বিৱৰণৰ কথা কৈছে। পৰামৰ্শ সময়োপযোগী আৰু বাস্তৱমুখী হৈছে আৰু আশা কৰোঁ সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকে এই মৰ্মে কামত আগ বাঢ়িব।

আজি গান্ধীবাদী ভাৰতত শোষকৰ বিৰুদ্ধে শোষিত শ্ৰেণীৰ আৰু জাতিৰ বৈষয়িক সংগ্ৰাম আৰম্ভ হৈছে। আমাৰ 'অসম ৰাজ্যৰ বুকুতো তীব্ৰবেগে এজাক বতাহ বলিছে।' এই বতাহ জাক পৰিবৰ্তনৰ ই শ্ৰেণীগত

( ৪২ পিঠিত চাওক )

( ২৯ পিঠিৰ পিছৰ পৰা )

দেৱৰ 'ইয়াকইঙ্গম' উপন্যাসক বাদ দিলে জনজাতীয় জীৱনৰ প্ৰতিচ্ছবি আমাৰ সাহিত্যত আমি ফুটাই তুলিব পৰা নাই। অকল অ'ৰ ত'ৰ পৰা থুপিয়াই টুকুৰীয়া ছবি এটা আঁকিলেই যথেষ্ট নহয়। আমাৰ সাহিত্যই তেওঁলোকৰ হৃদয়ৰ মৰ্মবেদনাক ৰূপায়িত কৰিব নোৱাৰিলে স্বভাৱিকতে সেই সাহিত্যৰ প্ৰতি তেওঁলোকৰ স্বতঃস্ফূৰ্ত অনুৰাগ হব নোৱাৰে। তেওঁলোকৰ মাজত থাকি তেওঁলোকৰ সুখ দুখৰ লগৰীয়া হব নোৱাৰিলে তেনে সাহিত্য সৃষ্টি কৰাও টান। •

• যোৱা ৭।১।৭৪ দিনা বৰপেটাৰোডত অনুষ্ঠিত কামৰূপ সাহিত্য পৰিষদৰ—৫ম বাৰ্ষিক অধিবেশনৰ সভাপতিৰ ভাষণৰ অংশ-বিশেষ।

—সম্পাদক, পত্ৰিকা।

# অসম সাহিত্য সভা লেখক শিবিৰ

## সামৰণি সভা ১।১।৭৪

শ্ৰদ্ধেয় শিবিৰ সঞ্চালক ডাঙৰীয়া, মুখ্য অতিথি অসমৰ মুখ্যমন্ত্ৰী শ্ৰী সিংহ ডাঙৰীয়া, বিশিষ্ট অতিথি সকল, অংশ গ্ৰহণকাৰী সকল আৰু সুধী বাইজ, অসম সাহিত্য সভাই প্ৰথমবাৰৰ কাৰণে পতা সাদিনীয়া এই লেখক শিবিৰৰ আজি সামৰণি পৰিব। জয় জয়তে উপস্থিত আপোনালোক সকলোটিকে আন্তৰিক অভিনন্দন আৰু সাদৰ সম্ভাষণ জনাইছোঁ। শিবিৰৰ আটাই কেইদিনতে অনিবাৰ্য কাৰণে উপস্থিত থাকিব নোৱাৰা বাবে আপোনালোকৰ ওচৰত মই ক্ষমা বিচাৰিছোঁ। উপস্থিত থাকিব পৰা হলে মই নিজেই তাৰ আলোচনাবোৰৰ পৰা উপকৃত হলো হেঁতেন। তদুপৰি আপোনালোক সজ্জন সকলৰ সঙ্গ-সুখৰ পৰাও বঞ্চিত হৈছোঁ।

এই লেখক শিবিৰত যোগদান কৰিবলৈ অসমৰ খ্যাত নামা বিভিন্ন কবি, চুটি গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ, সমালোচকৰ উপৰিও বিভিন্ন জনজাতীয় লেখকৰো ইয়াত সমাবেশ হৈছে—ই সচাঁকৈ অতি আনন্দৰ কথা। এই-দৰে আপোনালোক আটাইটিকে একেলগে লগ পোৱা কম সৌভাগ্যৰ কথা নহয়। এই সুবিধাকণ আমাক দিয়া বাবে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদককে প্ৰমুখ্যে কৰ্মকৰ্ত্তা সকলক আৰু অভ্যৰ্থনা সমিতিৰ সদস্য সকলক আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। স্থানীয় কটন মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে ইয়াৰ প্ৰেক্ষাগৃহ আৰু ছাত্ৰাবাস ব্যৱহাৰ কৰিব দি আমাক উপকৃত কৰিছে; আৰু ইয়াৰ কেবাজনো অধ্যাপক আৰু ছাত্ৰই নানাভাৱে সহায় সহযোগ কৰিছে। সেই সেই সকললৈকেও আমাৰ শ্ৰদ্ধা সম্ভাষণ জনাইছোঁ। যিসকলে এই লেখক শিবিৰৰ বিভিন্ন অনুষ্ঠানত যোগদান কৰি তেখেত সকলৰ সুচিন্তিত আলোচনা আৰু পৰামৰ্শেৰে সাহিত্য সভাক সহায় কৰিছে সেই সকললৈকেও আমাৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

যোৱা পশ্চি বছৰত আমাৰ অসমীয়া ভাষাত কবিতা, চুটিগল্প আৰু উপন্যাস যথেষ্ট ওলাইছে। আধুনিক ভাব-ধাৰাৰ লগত খাপ খাব পৰা কবিতা, চুটি গল্প নাইবা উপন্যাস একেবাৰে কম নহয়। একাঙ্কিকা নাটকৰো সৃষ্টি একেবাৰে কম নহয়; কিন্তু ৰঙ্গমঞ্চৰ উপযোগী ডাঙৰ নাটকৰ সৃষ্টি অৱশ্যে খুব বেছি হোৱা নাই। যোৱা পশ্চি বছৰে আমাৰ দেশত সামাজিক বিপ্লৱৰ সৃষ্টি হৈছে—এক তুমুল আলোড়ন আহি পৰিছে। মানুহৰ জীৱন ধাৰণৰ পদ্ধতি, জীৱন ধাৰণৰ সমস্যা দিনক দিনে জটিলতৰ হৈ পৰিছে। নিবনুৱা সমস্যা দেশত বাঢ়িয়ে আছে, যি সকলে কোনো নিযুক্তি পাইছে সেই সকলেও শান্তিৰে জীৱন যাত্ৰা চলাব পৰা নাই। মানুহৰ দৃষ্টভাৱে ন্যায্য উপাৰ্জনে দৈনন্দিন জীৱন ধাৰণৰ কাৰণে আৱশ্যকীয় সামগ্ৰী যোগাৰ পৰা নাই, আয়তকৈ ব্যয়ৰ পৰিমাণ বহুগুণে বেছি হৈছে। সেই কাৰণে নানা কলুষ আৱৰ্জনাই দেশ আচ্ছন্ন কৰি পেলাইছে। মানুহৰ অন্তৰৰ পৰা যেন নৈতিকতা আঁতৰি পৰিছে। সৎ-অসৎ, পাপ-পুণ্য, অনাচাৰ-অবিচাৰ মানুহে যেন বুজিও নুবুজা হৈ পৰিবলৈ বাধ্য হৈছে। বৰ্তমান সমাজখনৰ এনে নানা চিত্ৰ সদায় আমাৰ চকুত ভাহি আছে।

প্ৰতিভাশালী কলাকাৰ সকলে সেই বিলাক নিজৰ কথাৰ মাজেৰে, সাহিত্যৰ বিভিন্ন অঙ্গৰ মাজেৰে নিজ প্ৰতিভাৰ বলেৰে প্ৰকাশ কৰিব লাগে। আজি সমাজে সাহিত্যৰ মাজেৰে—কলাৰ মাজেৰে বাস্তৱ চিত্ৰাংকণ চাবলৈ বিচাৰিছে কিন্তু সাহিত্যৰ মাজেৰে, কলাৰ মাজেৰে বাস্তৱৰ প্ৰকাশ কৰিব লাগিলেও তাক কলাসুলভ গুণযুক্ত কৰি প্ৰকাশ কৰিলেহে সি সহৃদয় মানুহৰ মনোগ্ৰাহী হব আৰু তেতিয়াহে সি সাহিত্য নাইবা কলা নাম পাব পাৰিব। নানা সমস্যাই আজি মানৱ অন্তৰ চঞ্চল কৰি তুলিছে—আজি মানুহে গভীৰ চিন্তা কৰিবৰ অৱকাশ পোৱা নাই। ভাত কাপোৰৰ চিন্তাই জুৰুলা কৰি পেলাইছে। বিভিন্ন স্থানৰ বিভিন্ন লোকৰ মনস্তত্ত্ব অধ্যয়ন কৰি কলাকাৰে তেওঁৰ কলাৰ মাজেৰে সুদক্ষ হাতেৰে ৰূপায়ণ কৰিব পাৰিলে সি অতি উৎকৃষ্ট সাহিত্য হব পাৰে। তাৰ কাৰণে লাগিব অধ্যয়ন, পৰ্যবেক্ষণ, চিন্তাশীলতা আৰু সাধনা। ক্ষণজন্মা পুৰুষৰ অভ্যুদয় সদায় নহয় কিন্তু সাধনা আৰু অধ্যৱসায়েও সৃষ্টিত সহায় কৰিব নোৱাৰা নহয়।

ভাৰত বৰ্ষৰ পূৰ্ব প্ৰান্তত অৱস্থিত এই অসম ৰাজ্যখন নাইবা এই পূৰ্বাঞ্চলটো গোটেই ভাৰত বৰ্ষৰে এটা ক্ষুদ্ৰ সংস্কৰণ, ইয়াত নানা জাতি, উপজাতি, নানা ভাষা-উপভাষাৰ আৰু বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰে। এই সকলোৰে সংমিশ্ৰণ কৰি এটা বৃহৎ জাতি, এটি শক্তিশালী ঐশ্বৰ্যময়ী ভাষা সৃষ্টি কৰাৰ সামগ্ৰী যোগাব লাগিব আপোনালোকে আপোনালোকৰ সৃজনী শক্তিৰ প্ৰতিভাৰে—আপোনালোকৰ মনস্তত্ত্ব অন্বেষণকাৰী শ ক্তৰে এনে মনোগ্ৰাহী কলাৰ সৃষ্টি কৰিব লাগিব, যাক উপভোগ কৰি এই সকলোৰে অন্তৰত আবেগিক, সাংস্কৃতিক আৰু সামাজিক ঐক্য স্থাপন হব পাৰে—পৰ্বত ভৈয়ামৰ মাজত সম্প্ৰীতি সাধন হব পাৰে।

অৰ্থৰ ক্ষেত্ৰত অসম মাতৃ দুখীয়া হলেও সাহিত্যৰ সমলৰ কাৰণে অসম মাতৃ কোনো গুণে দুখীয়া নহয়—বৰং অসম মাতৃৰ বুকু ইয়াৰ প্ৰাচুৰ্যৰে ভৰপূৰ। পৰ্বত-পাহাৰ, নদী-নালা, জান-জুৰি, হাবি বননি আৰু নানা ফল-ফুল, তৃণ-লতাৰ সৌন্দৰ্যৰে অসমী আই বিভূষিতা। চাহ বাগিচাৰ মজদুৰ ভাই-ভনীসকলৰ, পৰ্বত-ভৈয়ামৰ জনজাতীয় ভাই-ভনী সকলৰ আৰু ইয়াৰ বিভিন্ন জনগোষ্ঠীৰ লোকৰ জীৱন নিৰ্বাহৰ কাহিনীয়েও নিশ্চয় কবি সাহিত্যিকসকলক নানা সমল যোগাব পাৰে। সমাজবাদ প্ৰচাৰ কৰিব খোজা আমাৰ এই দেশখনৰ বিভিন্ন লোকৰ অৱস্থা, মনোভাব আৰু সামাজিক সুবিচাৰ অধ্যয়ন কৰি নানা চৰিত্ৰৰ মাজেৰে ৰূপায়িত কৰিব পাৰিলে সি উৎকৃষ্ট সাহিত্য হব পাৰে - মানুহৰ মনত বিমল আনন্দৰ সৃষ্টি কৰাব পাৰে, এনে সমল আমি বাহিৰৰ পৰা ধাৰ কৰি আনিব নালাগে।

শ্ৰদ্ধেয় বন্ধু কলাকাৰ সকল, কলাকাৰ হিচাপে আপোনালোক নৈৰ্ব্যক্তিক, নিৰ্বিশেষ, আপোনালোক উদাৰ-সাধক, আপোনালোক সৃষ্টিকৰ্তা-নিৰ্মাতা, আপোনালোকৰ অন্তৰত কোনো প্ৰকাৰৰ স্বাৰ্থ, কোনো প্ৰকাৰৰ সঙ্কীৰ্ণতা নাই। দৃশ্যমান জগতৰ কোনো অন্তৰস্পৰ্শী কথাই আপোনাৰ অন্তৰ স্পৰ্শ কৰি যেতিয়া আপোনাৰ অন্তৰত থকা সুপ্ত ভাবক জগাই তোলে, যেতিয়া আপুনি ঐশীপ্ৰেৰণা লাভ কৰি আপোনাৰ কল্পনাৰে আপোনাৰ অন্তৰ জগতত এখন স্বকীয়া জগত সৃষ্টি কৰে, তেতিয়া সেই জগতৰ সৃষ্টি-কৰ্তা স্বয়ং আপুনি, আপুনি স্বয়ম্ভু, কোনোৱে আপোনাৰ কাৰ্যত হস্তক্ষেপ কৰিব নোৱাৰে—আপুনি পূৰ্ণ স্বাধীন আৰু সেই কাৰণেই আপোনাৰ ভগৱৎদত্ত কবি-প্ৰতিভাৰে আপোনাৰ কল্পিত সেই জগতত যি সৃষ্টি কৰি প্ৰকাশ কৰে সি সত্য, সি সুন্দৰ, সি মঙ্গলময়, সি চিৰন্তন।

গতিকে হে মহান্, আজি আপোনাৰ ওপৰত পৰিছে গুৰুদায়িত্ব, মহান কৰ্তব্য। আজি আমাৰ এই সমস্যা-বহুল ৰাজ্য খনত আপোনাৰ প্ৰতিভাৰে এনে সুন্দৰ সাহিত্যৰ সৃষ্টি কৰিব লাগিব সি যেন বিভিন্ন ৰুচিৰ লোক সকলক আনন্দ দিব পাৰে, সেই সকলোৰে মনোগ্ৰাহী হবপাৰে। সেই বুলি মনোগ্ৰাহী নাইবা



ৰুচিকৰ সাহিত্যৰ সৃষ্টি কৰিবলৈ যাওঁতে যাতে বাট এৰি নাযায় তাৰ কাৰণে বিশেষ চকু ৰাখিব লাগিব, যাতে আধুনিক সাহিত্যত আধুনিক চিন্তা ধাৰাৰ ৰূপায়ণ কৰিবলৈ যাওঁতে আমাৰ ঐতিহ্যৰ, আমাৰ সংস্কৃতিৰ ওপৰত কোনো প্ৰকাৰৰ আঘাত নপৰে। আমাৰ ঐতিহ্য সংস্কৃতিক আশ্ৰয় কৰিয়েই যেন আধুনিক জগত, আধুনিক সমাজৰ লগত খাপ খুৱাব পৰা সাহিত্যৰ সৃষ্টি কৰিব পাৰে। ভাৰতীয় ঐতিহ্য-সংস্কৃতিক বাদ দি ভাৰতবৰ্ষ হব নোৱাৰে—ভাৰতীয় জাতি জীয়াই থাকিব নোৱাৰে—সেই দৰে অসমীয়া জাতিও জীয়াই থাকিব নোৱাৰে, অসমৰ ঐতিহ্য-সংস্কৃতিক বাদ দি।

আজি নানা কাৰণে মানুহৰ মনত ভাবপ্ৰৱণতাই স্থান পাইছে—আজি প্ৰত্যেকেই ব্যক্তি কেন্দ্ৰিক হৈ পৰিছে, আজি আপোনালোকৰ সৃষ্ট সাহিত্য ৰাজিয়ে প্ৰমাণ কৰিব লাগিব যে ব্যক্তি-সত্তা ৰক্ষা কৰিও সামূহিক নাইবা সামাজিক সত্তা জীয়াই ৰাখিব পাৰি-বলবৎ কৰিব পাৰি। আমাৰ বিভিন্ন লোকৰ মাজত ভাবৰ আদান প্ৰদান কৰি, বিশেষকৈ সাহিত্য কলাৰ মাজেৰে সংহতিৰ বীজ ৰোপণ কাৰ আমাৰ জাতিটোক সুদৃঢ় জাতিত পৰিণত কৰিব পাৰে আপোনালোকেই। জাতি এটাক প্ৰাণবন্ত কৰি তোলাত—সেই জাতিৰ লোকৰ মনলৈ জাতীয় চৈতন্য জাগৰূক কৰি তোলাত সাহিত্যিক সকলৰ ভূমিকা কি সেই বিষয়ে আপোনালোকৰ সমুখত মই বিবৰি কবৰ আৱশ্যকতা বোধ কৰা নাই। মই কেৱল এইটোকেই কব খুজিছো বন্ধুসকল, আজি আমি এক সন্ধিক্ষণত উপস্থিত হৈছোঁ—এই সন্ধিক্ষণত আমাৰ জাতিক—আমাৰ সংস্কৃতিক কেনেকৈ ৰক্ষা কৰিব পাৰো-কেনেকৈ তাক শক্তিশালী-মহীয়সী কৰি তুলিব পাৰো, তাৰ কাৰণে আমি সকলোৱে গভীৰ চিন্তা কৰিব লাগে আৰু সেই চিন্তা ৰূপায়ণ কৰিব লাগিব আপোনালোকে।

মই কব খোজা নাই যে আমাৰ ভাষা সাহিত্যৰ বিভিন্ন বিভাগৰ সৃষ্টি হোৱা নাই—আমি নিচেই দুখীয়া। কাৰণ ই অতি স্পষ্ট কথা যে আমাৰ সাহিত্য সৃষ্টি যথেষ্ট হৈছে—তাৰ প্ৰকাশ আৰু প্ৰচাৰ ঠিকমতে কৰিব নোৱাৰিহে দুখীয়া যেন হৈছোঁ। সেই বিলাকৰ প্ৰচাৰ কৰি নাইবা সেই বিলাকৰ সৃষ্টিকৰ্তা সকলক সমাজত উপযুক্ত স্থান দিব নোৱাৰিহে—গুণীৰ গুণ বুজিব নোৱাৰিহে আমি যেন দুখীয়া। এই সকলক ডাঙৰ কৰিব লাগিব আপোনালোক সমালোচক সকলে। সমালোচক সকলৰ কৰ্তব্য ধ্বংস কৰা নহয় তেওঁলোকৰ কৰ্তব্য সৃষ্টি কৰাহে—বেছি ৰহন দি আৰু বেছি উজ্জলতৰ কৰা—স্পষ্টতৰ কৰা। অৱশ্যে সাহিত্যত অসত্যৰ কোনো স্থান নাই। সিও সঁচা। সেই বুলি আমাৰ যি আছিল, যি আছে তাতেই আমি সন্তুষ্টও থাকিব নালাগিব। কাৰণ আজি আমাৰ ওচৰ-চুবুৰীয়া ভাষা-সাহিত্য দিনক দিনে প্ৰগতিৰ পথত আগুৱাই গৈ আছে—আমিও সেই পথেৰে আগুৱাই গৈ থাকিব লাগিব। তাৰ কাৰণে লাগিব আপোনালোকৰ অন্তৰৰ প্ৰেৰণা, কৰ্মশক্তি আৰু জাতিৰ মনত পূৰ্ণ সজীৱতা। তাকে সৃষ্টি কৰাই হৈছে অসম সাহিত্য সভাৰ প্ৰধান কৰ্তব্য। সৃষ্টি কৰিব লাগিব সংগঠনৰ মাজেৰে, প্ৰচাৰৰ মাজেৰে জনতাৰ মনত প্ৰকৃত জাতীয় চৈতন্য, নিৰ্মাণ কৰিব লাগিব অপূৰ্ব সাহিত্য, নিৰ্মাণ কৰিব লাগিব বলিষ্ঠ পাঠক শ্ৰেণী।

বন্ধুসকল, আপোনালোক সৃষ্টিকৰ্তা—আপোনালোকে শুনি নিশ্চয় আনন্দ পাব যে সেই উদ্দেশ্যেৰেই অসম সাহিত্য সভাই এই বছৰৰ ভিতৰতে ভালেকেইখন গ্ৰন্থ আপোনালোকৰ নিচিনা নিৰ্মাতা সকলৰ সহায়তেই নিৰ্মাণ কৰি উলিয়াইছে। এতিয়া তাক ৰূপ দি প্ৰকাশ কৰিব লাগে। ইয়াৰ থূলমূল বিৱৰণ এটা আপোনালোকৰ অৱগতিৰ অৰ্থে তলত দিলো।

ভালেমান সদাশয় দানশীল লোকৰ কৃপাত আৰু ৰাজ্য-চৰকাৰৰ সহযোগিতাত সম্পূৰ্ণ হোৱা কামখিনি এই বিত্তীয় বছৰৰ ভিতৰতে শেষ কৰিব পৰা হব বুলি আমাৰ বিশ্বাস হৈছে। কাৰণ তলত দেখুৱা দানবীৰ লোক সকলৰ দানৰ উপৰিও ৰাজ্য চৰকাৰৰ পৰা

সাহিত্য-সভাৰ আঁচনি অনুক্ৰমে ইতিমধ্যে ৮৫ হাজাৰ টকা পোৱা হৈছে। এই অনুদান এই বিত্তীয় বছৰৰ ভিতৰত সম্পূৰ্ণৰূপে খৰচ কৰি তাৰ যথাযথ প্ৰয়োগৰ হিচাব দিব পাৰিলে অহা বছৰতো চৰকাৰে তেনে অনুৰূপ অনুদানৰ কাৰণেই নহয়—পঞ্চম পৰিকল্পনাত তাতোকৈ বেছি অনুদান দিব বুলি আশা কৰিব পাৰি। আমি জানি আনন্দ পাইছো যে পঞ্চম পৰিকল্পনাত ভাষা-সাহিত্যৰ এনেকুৱা সৃষ্টিমূলক কামৰ কাৰণে বেছি অনুদানৰ ব্যৱস্থা থাকিব। প্ৰথম কথা হৈছে আমাৰ প্ৰকৃত কাৰ্যৰে আমাৰ ওপৰত চৰকাৰৰ তথা ৰাইজৰ বিশ্বস্ততা অৰ্জন কৰা। তাৰ কাৰণে আমি সচেষ্ট হব লাগিব, নিষ্ঠাবান হব লাগিব।

যোৱা সাতদিন আপোনালোকে ইয়াত বহুকষ্ট স্বীকাৰ কৰি হলেও এক মহৎ উদ্দেশ্যেৰে সমবেত হৈছে। এই শিবিৰৰ সুযোগ্য সঞ্চালক ডঃ নেওগ দেৱৰ পৰিচালনাত আৰু তত্ত্বাৱধানত আপোনালোকে নিশ্চয় সৃষ্টিৰ কাৰণে উদ্দীপনা, প্ৰেৰণা লাভ কৰিছে। বৰ্তমান যুগধৰ্মৰ লগত থাপ খাব পৰা সাহিত্য-সৃষ্টিৰ কৌশল আলোচনা কৰিছে—শিকিছে, শিকাইছে ; আৰু শিবিৰৰ আচল উদ্দেশ্য সাধনত সম্পূৰ্ণ সহযোগ কৰি যথোপযুক্ত ফল লাভ কৰিছে। ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ, এই শিবিৰৰ সকলো আলোচনা, সকলো পৰামৰ্শ আপোনালোকে নিজ নিজ ক্ষেত্ৰত নিষ্ঠাৰে ৰূপায়ণ কৰিবলৈ সমৰ্থ হওক—আমাৰ ৰাজ্যখনক, এই পূৰ্বাঞ্চল-টোক, অসমীয়া জাতিটোক আপোনালোকৰ কাৰ্যৰে, সৃষ্টিৰে সেৱা কৰিবলৈ সমৰ্থ হওক। সহযোগী সকলোলৈকে আমাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু অসম মাতৃ
জয়তু ভাষা জননী।

শ্ৰীগিৰিধৰ শৰ্মা
সভাপতি
অসম সাহিত্য সভা
১।১।৭৪ ইং

## আচনি সমূহ

অসম সাহিত্য সভাৰ চল্লিশ ( ৰঙিয়া ) সন্মিলনৰ সভাপতিৰ অভিভাষণত অসমীয়া সাহিত্যৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে যি বাৰ দফীয়া আঁচনি দাঙি ধৰা হৈছিল, সেই আঁচনি বিষয় বাছনী সভাত প্ৰতিনিধিসকলে বিপুল হৰ্ষধ্বনিৰে সমৰ্থন কৰিছিল। পিছত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকে প্ৰথম বৈঠকতে সেই আঁচনি কাৰ্যত পৰিণত কৰিবলৈ হাতত লৈছিল। সেই মৰ্মে উক্ত বৈঠকতে কাৰ্যনিৰ্বাহকৰ পৰা ৪ জন আৰু বাহিৰৰ পৰা ৫ জন সদস্য লৈ ন-জনীয়া প্ৰকাশন সমিতি এটি গঠন কৰি দিয়ে আৰু কাৰ্যনিৰ্বাহকৰ পিছৰ বৈঠকত এই প্ৰকাশন উপসমিতিৰ প্ৰত্যেক সদস্যকে আহ্বায়ক হিচাপে লৈ একোখন বিভাগীয় উপ-সমিতি গঠন কৰি কামত আগ বাঢ়িবলৈ দায়িত্ব দিয়ে। এই বিভাগীয় উপসমিতিবোৰৰ বিস্তৃত আঁচনি আৰু কাৰ্যকাৰিতা তলত বিতংভাৱে দেখুওৱা হ'ল :

প্ৰকাশন উপসমিতি

১। শ্ৰীগিৰিধৰ শৰ্মা—সভাপতি
২। শ্ৰীনগেন শইকীয়া—সম্পাদক
৩। শ্ৰীৰজনীকান্ত দেৱ শৰ্মা—কোষাধ্যক্ষ
৪। শ্ৰীহেমন্ত কুমাৰ শৰ্মা—পত্ৰিকা সম্পাদক
৫। শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য
৬। শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য
৭। শ্ৰীযোগেশ দাস
৮। শ্ৰীছগনলাল জৈন
৯। শ্ৰীপ্ৰসন্নৰাম দাস

আৰু

শ্ৰীগোবিন্দচন্দ্ৰ মহন্ত, সহ-সম্পাদক, গুৱাহাটী কাৰ্য্যালয়

### (১) অসমীয়া জাতিৰ ইতিবৃত্ত নিৰ্মাণ :

সদস্যসকল—ড° হৰিচন্দ্ৰ ভট্টাচাৰ্য্য ( আহ্বায়ক ), অধ্যাপক বীৰেন্দ্ৰনাথ দত্ত, দুৰ্গেশ্বৰ শৰ্মা, নীলমণি ফুকন,



ৰামচৰণ ঠাকুৰীয়া, শ্ৰীপদ্মৰাম শালৈ, শ্ৰীকনক চন্দ্ৰ ডেকা।

এই বিভাগীয় উপ-সমিতিয়ে প্ৰস্তাৱিত অসমীয়া জাতিৰ ইতিবৃত্ত নামৰ প্ৰকাণ্ড গ্ৰন্থখনি তিনিটা খণ্ডত যুগুত কৰিবলৈ সিদ্ধান্ত লয়। ইয়াৰে প্ৰথমখণ্ড আদিম কালৰ পৰা দ্বাদশ শতিকালৈ, দ্বিতীয় খণ্ড ত্ৰয়োদশ শতিকাৰ পৰা অষ্টাদশ শতিকালৈ আৰু তৃতীয় খণ্ড ঊনবিংশ শতিকাৰপৰা বৰ্তমান হ'ব আৰু ইয়াত থাকিব ভৌগোলিক অৱস্থান, জনগোষ্ঠি, সমাজ-ব্যৱস্থা, অৰ্থনৈতিক অৱস্থা, ভাষা, সাহিত্য, ৰাজনৈতিক ব্যৱস্থা, শিক্ষা, ধৰ্ম দৰ্শন আৰু কলা। গ্ৰন্থখানি যুগুত হ'লে হিন্দী আৰু ইংৰাজীলৈকো অনুবাদ কৰিবলৈ সমিতিয়ে পৰামৰ্শ আগ বঢ়ায়। কাৰ্যনিৰ্বাহকে এই আঁচনি অনুমোদন কৰি বিভিন্ন বিশেষজ্ঞক বিভিন্ন বিষয়ে লিখিবলৈ অনুৰোধ কৰে। আনন্দৰ কথা যে গ্ৰন্থখনিৰ প্ৰথম খণ্ড ইতিমধ্যে প্ৰকাশ হৈ ওলাল।

### (২) মৌলিক সাহিত্য ৰচনা আৰু প্ৰকাশ :

সদস্য সকল : অধ্যাপক যোগেশ দাস ( আহ্বায়ক ) গোবিন্দ প্ৰসাদ শৰ্মা, উদয় চন্দ্ৰ দত্ত, শ্ৰী হৃদেশ ডেকা, শ্ৰীপৰেশমল্ল বৰুৱা, ড চন্দ্ৰ শৰ্মা, উপেন কটকী।

এই বিভাগীয় উপসমিতিয়ে এখন বিস্তৃত আঁচনি প্ৰস্তুত কৰে আৰু সেই আঁচনি কাৰ্যকৰী কৰিবলৈ প্ৰথমে কেইখনমান গ্ৰন্থ প্ৰস্তুত কৰাবলৈ পৰামৰ্শ দিয়ে। বিস্তৃত আঁচনি অনুসৰি উপন্যাস, কবিতা, নাটক, চুটিগল্প, সমালোচনা আদি সাহিত্যৰ চমু চমু পৰিচয়মূলক এলানি গ্ৰন্থ, বিভিন্ন সমালোচনাৰ ধাৰাৰ পৰিচয়মূলক এখনি গ্ৰন্থ, বিশ্ববিখ্যাত দাৰ্শনিকসকলৰ জীৱন আৰু দৰ্শনৰ পৰিচয়জ্ঞাপক এলানি গ্ৰন্থ, বিশ্বসাহিত্যৰ বিভিন্ন ধাৰাৰ এখনি সংকলন, জীৱনী আৰু আত্মজীৱনী, জনজাতি পৰিচয়মূলক এলানি গ্ৰন্থ, অসমৰ বিভিন্ন জন-গোষ্ঠীৰ এখন সামাজিক বুৰঞ্জী আদি গ্ৰন্থৰ উপৰি পূৰ্ণাঙ্গ নাট, একাঙ্ক নাটৰ সংকলন আৰু আধুনিক কবিতাৰ সংগ্ৰহ প্ৰকাশ কৰিবলৈ লোৱা হয়। এই আঁচনি ক্ৰমে বৰ্তমানে ড° কালীচৰণ দাসৰ 'চক্ৰেটিছ', শৰৎচন্দ্ৰ গোস্বামীৰ 'প্লেটো', গোবিন্দ প্ৰসাদ শৰ্মাৰ 'জীৱনী', ড শৈলেন ভৰালীৰ 'নাটক', আৰু ৰাজেন ৰাভাৰ 'ৰাভা জনজাতি ছপা হৈ ওলাল। আৰু শ্ৰীযোগেশ্বৰ শৰ্মাৰ 'শঙ্কৰাচাৰ্য', তাৰিণীচৰণ বৈশ্যৰ 'হেগেল', বীৰেন্দ্ৰনাথ ভট্টাচাৰ্যৰ 'মাক্স' শ্ৰীমতী নিৰুপমা হাগজেৰৰ 'ডিমাছা জনজাতি', ফণীন্দ্ৰকৰ 'বড়ো জনজাতি,' অৰুণ কুমাৰ খেৰিয়াৰ 'চাহ মজদুৰৰ জীৱন কাহিনী', উদয় চন্দ্ৰ দত্তৰ 'চুটি গল্প' আৰু ত্ৰৈলোক্যনাথ গোস্বামীৰ 'সমালোচনা' নামেৰে পাণ্ডুলিপি চং জনজাতি গ্ৰন্থ প্ৰস্তুত হৈছে। ইয়াৰ উপৰিও কেইবাজন লিখকৰ 'সাহিত্যৰ ধাৰা' নামৰ সংকলনটিৰ কামো আগ বাঢ়িছে।

### ৩। অনুবাদ সাহিত্য ৰচনা আৰু প্ৰকাশ :

সদস্য সকল : শ্ৰীছগনলাল জৈন ( আহ্বায়ক ), কমলেশ্বৰ শৰ্মা, চিত্ৰ মহন্ত, ইমদাদ উল্লা, অৱনীন্দ্ৰ চন্দ্ৰ বৰা, সতীশচন্দ্ৰ ভট্টাচাৰ্য্য, দুৰ্লভানন্দ ৰাজখোৱা, তৰুণ আজাদ ডেকা, চিৰঞ্জীৱ জৈন আৰু ধৰমচাঁদ জৈন। এই বিভাগীয় উপসমিতিয়ে বিশ্ববিখ্যাত লেখকৰ ৰচিত উপন্যাস, নাটক, জীৱনী, কবিতা, গল্প, সমালোচনা প্ৰভৃতি অনুবাদ কৰাৰ আঁচনি লৈ এৰিষ্টটলৰ 'পোৱেটিক্স', বছৱেলৰ 'লাইফ অৱ জনছন', ভাসৰ স্বপ্নবাসৱদত্তা আৰু হিন্দী উপন্যাস 'নদীকে দ্বীপ', আৰু হিন্দী চুটিগল্প কেইটামানৰ অসমীয়া ভাঙনি আৰু অসমীয়া চুটি গল্পৰ হিন্দী, উৰিয়া আৰু ইংৰাজীলৈ ভাঙনি আৰু 'মৃত্যুঞ্জয়' উপন্যাসৰ হিন্দী ভাঙনি কৰিবলৈ পৰামৰ্শ দিয়ে। সেই মৰ্মে বৰ্তমানে অধ্যাপক ৰায়হান শাহ অনূদিত জনছনৰ জীৱনী', অধ্যাপক মুকুন্দমাধৱ শৰ্মা অনূদিত 'স্বপ্নবাসৱদত্তা' আৰু চিত্ৰমহন্ত, তৰুণ আজাদ ডেকা অনূদিত হিন্দী চুটি গল্পৰ সংকলন ছপা হৈ ওলাল। অধ্যক্ষ পৰেশচন্দ্ৰ শৰ্মা অনূদিত 'নদীকে দ্বীপ' প্ৰেছৰ কাৰণে প্ৰস্তুত আৰু অধ্যাপক কমলেশ্বৰ শৰ্মা অনূদিত' 'পোৱেটিক্স', চিৰঞ্জীৱ

জৈন অনূদিত মৃত্যুঞ্জয়, আৰু ধৰমচাঁদ জৈন অনূদিত গল্প-সংকলনৰ কাম আগ বাঢ়িছে।

### ৪। ব্যাকৰণ আৰু অভিধান প্ৰণয়ন

সদস্যসকল : অধ্যাপক শ্ৰীৰজনীকান্ত দেৱ শৰ্মা (আহ্বায়ক), শ্ৰী বিনন্দচন্দ্ৰ বৰ্মন, ড উপেন্দ্ৰনাথ গোস্বামী ড' মুকুন্দমাধৱ শৰ্মা, ড' ৰোহিণীকুমাৰ মহন্ত আৰু অধ্যাপক বিশ্বেশ্বৰ হাজৰিকা।

এই বিভাগীয় উপসমিতিয়ে এখন বিস্তৃত আঁচনি গ্ৰহণ কৰি প্ৰস্তাবিত অসমীয়া ব্যাকৰণখন প্ৰণয়নৰ কাৰণে অধ্যাপক বিনন্দচন্দ্ৰ বৰ্মনক ভাৰ দিয়ে। সমিতিয়ে আৰু স্থিৰ কৰে যে, সমিতিৰ পৰামৰ্শ অনুসৰি অধ্যাপক বৰ্মনে লিখি উলিওৱা প্ৰত্যেকটো বিষয়কে তন্ন তন্নকৈ আলোচনা কৰি আৱশ্যকীয় পৰিবৰ্জন, পৰিবৰ্তন আৰু পৰিবৰ্ধনৰ দিহাপৰামৰ্শ দিব আৰু সেইমতে অধ্যাপক বৰ্মনে সংশোধন দিব। ইতিমধ্যে কিতাপখনৰ লিখাকাম বহু আগ বাঢ়িছে আৰু সমিতি বহু আলোচনাক্ৰমে আৱশ্যকীয় পৰামৰ্শ দিছে। কিছুদিনৰ ভিতৰতে কামটো শেষ হব বুলি আমাৰ বিশ্বাস।

### ৫। প্ৰাচীন পুথিৰ বিৱৰণমূলক তালিকা আৰু জাতীয় গ্ৰন্থাগাৰ নিৰ্মাণ :

সদস্যসকল : ড প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য (আহ্বায়ক), অধ্যাপক ভগবান মৰল, অমূল্যকুমাৰ ভট্টাচাৰ্য, ৰমেশচন্দ্ৰ পাঠক, ৰাজেন মহন্ত, ৰমেশচন্দ্ৰ কলিতা, নলিনীৰঞ্জন শৰ্মা।

এই উপসমিতিয়ে সাঁচিপতীয়া পুথি, প্ৰাচীন হাতে লিখা আৰু দুষ্প্ৰাপ্য অসমীয়া গ্ৰন্থ আলোচনী, সংগ্ৰহ অথবা সিবিলাকৰ বিৱৰণমূলক তালিকা প্ৰস্তুত কৰিবলৈ এখনি বিস্তৃত আঁচনি যুগুত কৰে। সেই অনুসৰি কিছু তেনে কিতাপৰ সন্ধান লৈ সংগ্ৰহ কৰিবৰ দিহা কৰিছে। গ্ৰন্থাগাৰ নিৰ্মাণৰ কাৰণেও চেষ্টা কৰিছে।

### ৬। অসম সাহিত্য সভা পত্ৰিকা :

এই বছৰৰ পৰা (৩০শ বছৰ) অসম সাহিত্য সভা পত্ৰিকাখন মাহেকীয়া কৈ উলিয়াবলৈ স্থিৰ কৰা হয়। সেই মৰ্মে পত্ৰিকা সম্পাদক শ্ৰীহেমন্ত কুমাৰ শৰ্মাক আৰু অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা, নন্দ তালুকদাৰ, প্ৰসন্ন দত্ত গোস্বামী, সভাপতি আৰু প্ৰধান সম্পাদকলৈ এখন পত্ৰিকা সম্পাদনা সমিতি গঠন কৰা হয়। এই সমিতিৰ বিশেষকৈ পত্ৰিকা সম্পাদক আৰু অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাদেৱৰ আশাতীত চেষ্টাৰ ফলত ১ম বহাগ সংখ্যাৰ পৰা ৬ষ্ঠ আহিন সংখ্যালৈ নিয়মিত ভাবে পত্ৰিকাখন প্ৰতিমাহে ওলাল। অক্টোবৰ মাহৰ পৰা হঠাৎ কাগজৰ মহাৰ্ঘ আৰু দেৰমাহমান গুৱাহাটী বজাৰত এখিলাও কাগজ নোহোৱা বাবে ৭ম কাতি সংখ্যা প্ৰায় দুমাহ পিছহে উলিয়াব পৰা হ'ল। কাগজ অলপ অচৰপ পালেও তাৰ দাম দুগুণতকৈও বেছি হ'ল। তথাপি বাধ্য হৈ আকাৰত অলপ সৰুকৈ হলেও আগৰ দামকেই ৰাখি ৮ম আঘোণ সংখ্যাও ওলাল। ৯ম পুহ সংখ্যা দুই তিনি দিনতে ওলাব। আমি আশা কৰোঁ বৰ্তমান সম্পাদকেই ১০ম, ১১শ, ১২শ মাঘ, ফাগুন আৰু চ'ত সংখ্যা তিনিটাও উলিয়াব পাৰিব।

পত্ৰিকা বিতৰণৰ সুব্যৱস্থা এতিয়াও কৰিব পৰা নাই। পত্ৰিকাখন এতিয়া নিয়মিতভাবে 'পোষ্টেল' ৰেজিষ্টাৰ্ড কৰা হৈছে আৰু ডাকখৰচ (বুক পোষ্ট কৰি পঠিয়ালে) কমতে হব। আমাৰ বোধেৰে এতিয়া বিভিন্ন ঠাইত পত্ৰিকাৰ এজেন্সী দিয়াৰ ব্যৱস্থা কৰিব পাৰিলে আৰু গাইগুটিয়া গ্ৰাহকৰ সংখ্যা বঢ়াব পাৰিলে বিশেষকৈ স্কুল, কলেজ আৰু নানা কাৰ্য্যালয়ক বছৰেকীয়া গ্ৰাহক কৰাৰ ব্যৱস্থা কৰিব পাৰিলে অদূৰ ভৱিষ্যতে ইয়াৰ গ্ৰাহক সংখ্যা কমেও আঠ দহ হাজাৰ কৰিব পৰা হব। পত্ৰিকা আৰু প্ৰকাশিত গ্ৰন্থবোৰৰ বিতৰণ, গ্ৰাহক ভৰ্তিকৰণ আৰু ধন সংগ্ৰহৰ তাগিদা দিবৰ কাৰণে এজন নিপুণ লোকক নিযুক্ত কৰিব পাৰিলে এই কাম সুচাৰুৰূপে চলাব পৰা হব বুলি আমাৰ বিশ্বাস।

সাহিত্য সভাৰ মুখপত্ৰ এই পত্ৰিকাখন প্ৰচাৰ, সংগঠন আৰু সংহতিৰ বাহন। ব্যৱসায়মুখী হৈ ইয়াৰ



লাভ লোকচানৰ পিনে বৰকৈ চকু দিব নালাগে। দুই তিনি বছৰ নিয়মীয়াভাবে উলিয়াই থাকিব পাৰিলেই ই স্থায়ীৰূপ লব আৰু তেতিয়া ই নিশ্চয় স্বয়ংচালিত অৱস্থালৈ আহিব পাৰিব। তাৰ কাৰণে অৱশ্যে প্ৰথম অৱস্থাত কিছু ব্যয় আৰু কষ্ট স্বীকাৰ কৰিব লাগিব। এইবাৰ আমি প্ৰচাৰ-সংগঠনৰ সুবিধা হব বুলি ভাবিয়ে শাখা-সভাবোৰৰ জৰিয়তে পত্ৰিক বিতৰণৰ চেষ্টা কৰিছিলোঁ। আনন্দৰ কথা, এই পত্ৰিকাৰ বিতৰণো প্ৰায় পাঁচহাজাৰলৈ উঠিছিল। কিন্তু সি স্থায়ী হৈ নাথাকিল। বিশেষকৈ বৰগুণিবোৰ নানা কাৰণে ঠিক সময়ত ঘূৰি নহা বাবে অসুবিধা ঘটিল আৰু পিছৰ তিনিটা সংখ্যা ৭ম, ৮ম, ৯ম নিয়মিত সময়ত উলিয়াব নোৱাৰি দেৰমাহমানৰ ভিতৰতে উলিয়াব লগীয়া হোৱাত আৰু কাগজৰ দাম অতিপাতৰূপে বঢ়াত ছপা সংখ্যা কমাই দিয়া হল। ১ম—৬ষ্ঠ সংখ্যালৈ পত্ৰিকাৰ মূল্য ২৫ শতাংশ বাদ দিলে ত্ৰিশ হাজাৰৰ ওপৰ হয় আৰু এই সংখ্যালৈ আদায় পোন্ধৰ হাজাৰৰ ওপৰ হৈছে আৰু বাকীও সোতৰ হাজাৰৰ ওপৰ আছে। এই পইচা খিনি শাখাসভাবোৰৰ পৰা আদায় হলে বাকী তিনি সংখ্যাৰ বৰগুণি ধৰি পত্ৰিকাৰ কাৰণে দিব লগীয়া প্ৰেছৰ ধাৰ (৬ষ্ঠ ৯মলৈ ৪ সংখ্যাৰ) প্ৰায় ওঠৰ হাজাৰ টকা পৰিশোধ কৰিব পৰা হব। শাখাসভা সমূহে যাতে পত্ৰিকা বিক্ৰীৰ কাৰণে বিশেষ যত্ন লয়, তাৰবাবে আমি অনুৰোধ জনালোঁ, কাৰণ এই পত্ৰিকাৰযোগেৰেই বলিষ্ঠ পাঠক শ্ৰেণী এটি সৃষ্টি কৰাৰ উপৰিও সমাজলৈ সচেতনতা আনিব পৰা হব। কিন্তু বৰ পৰিতাপৰ কথা শাখাসভাবোৰলৈ সঃ সম্পাদক আৰু আমি নিজেও লিখা সত্ত্বেও বহু শাখাই পত্ৰিকা বিক্ৰীৰ ব্যৱস্থা কৰা নাই, আনকি ভালেমান শাখাৰপৰা ৫।১০খন পত্ৰিকাৰ ভিঃ পি.ও ঘূৰি আহিছে। অৱশ্যে পত্ৰিকাখন বিভিন্ন ৰুচিৰ পাঠকক সন্তুষ্ট কৰি সকলোৰে সমাদৰ লাভ কৰা জানি আমি অতিশয় আনন্দ লাভ কৰিছোঁ।

### ৭। ভাষাজ্ঞান পৰীক্ষাৰ সংস্কাৰ :—

বৰ আনন্দৰ কথা যে অসম ৰাজ্যত বসবাসকৰি থকা অসমীয়া ভাষা নজনা বহুলোকে অসমীয়া ভাষা শিকিবৰ কাৰণে আগ্ৰহ প্ৰকাশ কৰিছে। কাছাৰ জিলাতো এনে লোকৰ সংখ্যা বহু বেছি হৈছে। সকলো সুবিধাৰ কথা ভাবি বৰ্তমানে চলি থকা ভাষাজ্ঞান পৰিক্ষাৰ কিছু সংস্কাৰসাধন কৰি চাৰিটা পৰীক্ষাৰ পাঠ্যক্ৰম তৈয়াৰ কৰা হৈছে। শেষ পৰীক্ষাত উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীক উপাধি প্ৰদান কৰা কথাও ভবা হৈছে। এই পৰীক্ষাসমূহৰ স্বীকৃতিৰ কাৰণে চৰকাৰক অনুৰোধ কৰা হৈছে। এই সকলো কামৰ যথাযথ ব্যৱস্থা কৰিবৰ কাৰণে প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়া, শ্ৰীহৰেশ্বৰ গোস্বামী (উপ সভাপতি), ড' মহেশ্বৰ নেওগ, শ্ৰীহেমন্তকুমাৰ শৰ্মা, শ্ৰীৰজনীকান্ত দেৱ শৰ্মা, শ্ৰীনৰেন শৰ্মা, শ্ৰীতৰুণচন্দ্ৰ লহকৰ, শ্ৰীজয়চন্দ্ৰ দাস, শ্ৰীদশৰথ বৰ্মণ আৰু শ্ৰীগোবিন্দ চন্দ্ৰ মহন্তক আহ্বায়ক হিচাপেলৈ এটি উপসমিতি গঠন কৰি দিয়া হয়।

### অৰ্থ সংগ্ৰহ আৰু প্ৰচাৰ, সংগঠন, সমন্বয় কেন্দ্ৰ :—

এই শাখা দুটিৰ পৰস্পৰ কাৰ্যপন্থা সুচাৰুৰূপে সম্পন্ন কৰাৰ সুবিধাৰ্থে এটি উপসমিতি পাতি দিয়া হয় : তাৰ সদস্য সকল সভাপতি শ্ৰীগিৰিধৰ শৰ্মা, শ্ৰীপ্ৰসন্নৰাম দাস, শ্ৰীগোবিন্দ চন্দ্ৰ মহন্ত (কামৰূপ), শ্ৰীঅমল দাস (গোৱালপাৰা), শ্ৰীৰমেশ বৰা (দৰং), শ্ৰীকমল বাইলুং (উত্তৰ লক্ষীমপুৰ), শ্ৰীমেঘ গগৈ (ডিব্ৰুগড়), শ্ৰীঅমল ৰাজখোৱা (শিৱসাগৰ), শ্ৰীযোগেন ভূঞা (নগাওঁ), শ্ৰীদেবেন গগৈ (মিকিৰপাহাৰ) আৰু শ্ৰীনিৰঞ্জন মহন্ত (কাছাৰ)।

এই আঁচনি অনুসৰি প্ৰচাৰ, সংগঠন আৰু অৰ্থ সংগ্ৰহৰ কাৰণে আমি অসমৰ আটাইকেইটা জিলাতে ভ্ৰমণ কৰি প্ৰায় আঢ়ৈ শ শাখাৰ জৰিয়তে তাৰ

সদস্যসকল আৰু স্থানীয় ৰাইজৰ লগ পাইছিলোঁ।। ভ্ৰমণকালত সমিতিৰ কোনো সদস্য নাইবা স্থানীয় কোনো সদস্যক লগতলৈ ভ্ৰমণ কৰিছিলো। ভ্ৰমণকালত সংহতি সম্প্ৰীতিৰ কাৰণে চেষ্টা কৰাৰ উপৰিও পত্ৰিকা বিক্ৰী আৰু ধন সংগ্ৰহৰ কাৰণেও ৰচিদ বহী বিতৰণ কৰিছিলোঁ।। এই উদ্দেশ্যে তিনিশ সাতখন ৰচিদ বহী ছপোৱা হৈছিল আৰু তাৰে দুশ বহী বিতৰণ কৰা হৈছিল। অৱশ্যে এই বহী বিলাকৰ পৰা আদায় কৰা দান বৰঙণিৰ বিশেষ সহাৰি এতিয়ালৈ পোৱা নাই। কিন্তু পত্ৰিকা বিক্ৰীৰ কাৰণে এই ৰচিদ বহী বহুতে ব্যৱহাৰ কৰিছে। আমি আশা কৰিছো এই বহী আৰু সংগৃহীত ধন সোনকালে ঘূৰাই পাম।

গ্ৰন্থ প্ৰকাশ কৰিবৰ কাৰণে কেবা ঠাইৰ পৰা প্ৰতিশ্ৰুতি পাইছিলোঁ। কিন্তু সেই সকলোবোৰৰ পৰা চূড়ান্ত সমিধান পোৱা নাই। এতিয়ালৈকে তলত লিখা সকলৰ পৰা এই উদ্দেশ্যে ধন পোৱা হৈছে আৰু সেই ধনেৰেই ওপৰত উল্লেখ কৰা কিতাপবোৰ ছপাবলৈ আৰম্ভ কৰা হৈছে।

আমাৰ ভ্ৰমণকালত দলগোমাৰ পৰা ৫ জন, হোজাইৰ পৰা ৩ জন, ৰূপহীৰ পৰা ৮ জন, ডিমৌৰ পৰা ২ জন, ডুমডুমাৰ পৰা ১ জন, চাপৰ মুখৰ পৰা ৫ জন, সোনাৰিৰ পৰা ৫ জন, টিপলীঙৰ পৰা ৩ জন, মথুৰাপুৰৰ ১ জন, বোকাখাটৰ ১ জন, ব্ৰজপতি মহন্তৰ জৰিয়তে ১ জন ভুৰাগাওঁৰ ১জন মুঠ ৩৬ জন আজীৱন সভ্যৰ বৰঙণি পাইছিলোঁ; কিছুমানে প্ৰতিশ্ৰুতি দি পিছত কেন্দ্ৰীয় কাৰ্য্যালয়ত বৰঙণি জমা দিছে।

ভ্ৰমণকালত পত্ৰিকা আৰু প্ৰকাশনৰ কাৰণে পোৱা ধন

| | |
|---|---|
| হোজাই— | ৬১১ |
| কামপুৰ— | ২৫১ |
| ভুৰাগাওঁ— | ১৭১ |
| ধিং— | ১০১ |
| ডিমৌ— | ২১ |

ভ্ৰমণকালত পত্ৰিকা আৰু প্ৰকাশনৰ কাৰণে পোৱা ধন

| | |
|---|---|
| গহপুৰ – | ৫০১ |
| ডিব্ৰুগড়— | ২০০ |
| ব্ৰজপতি মহন্ত— | ৫ |
| ৰূপহী— | ২৩৯ |
| লাহতি— | ৫১ |
| টিপলিং— | ১০২ |
| আৰ্য্য বিদ্যাপীঠ কলেজ— | ১৬৩ |
| ৰৰবৰুৱা— | ১০১ |
| ডুমডুমা— | ৫০০ |
| দক্ষিণশালমাৰা— | ১০১ |
| দলগোমা— | ২৫ |
| ধূপধৰা | ১৮২ |
| | ৩৩২৫ |

প্ৰকাশনৰ কাৰণে পোৱা ধন :

| | |
|---|---|
| ছয় গাওঁৰ পৰা— | ৮১ |
| হাজো— | ১০০ |
| বাবুন্দী শ্ৰীহাটী— | ৭৫ |
| ডাক্তৰ নাৰায়ণ দাস— | ১০১ |
| খগেন বৈশ্য— | ৫০ |
| বহৰি মাৰোৱাৰী সমাজ | ৪০১ |
| চামদং শাখা সভা – | ৪৭৮ |
| লোহিতচন্দ্ৰ ঠাকুৰীয়া— | ১০১ |
| প্ৰফুল্ল মহাজন— | ১০১ |
| নিকুঞ্জ কুমাৰ সুৰ— | ১০১ |
| হৰিচন্দ্ৰ মহাজন— | ১০১ |
| | ১২৯০ |

পত্ৰিকাৰ বিক্ৰীৰ পৰা মই পোৱা ধন :

| | |
|---|---|
| | ১৫০ |
| | ৯০ |
| হাউলি— | ৪৫ |
| বৰপেটাৰোড— | ৬০ |



| | | | |
|---|---|---|---|
| হাউলি আৰু বৰনগৰ কলেজ ( ৩০+৩০ ) | ৬০.০০ | গুৱালকুছি সাঃ সভা— | ৭৫.০০ |
| বহা শাখা সাঃ সঃ— | ১৫৭.৫০ | লামডিং সাঃ সভা— | ১৫০.০০ |
| জাগীৰোড সাঃ সঃ— | ৬৪.০০ | ধিং সাঃ স— | ২০০.০০ |
| বৰথল দলৈ গাওঁ সাঃ সঃ— | ৯০.০০ | প্ৰফুল্লভট্ট+চেঙা (৭৫+৪০.৫০)— | ১১৫.৫০ |
| মৈৰাবাৰী সাঃ সঃ— | ১৫.০০ | | ১২৭২.০০ |

| | কিতাপ প্ৰকাশৰ কাৰণে : | | প্ৰতিশ্ৰুতি | | দিয়া | |
|---|---|---|---|---|---|---|
| ১। | বৰপেটাৰোডৰ চেম্বাৰ্চ অব কমাৰ্চৰ সভাপতি শ্ৰীহনুমান আগৰৱালা | | হিন্দী গল্পৰ অসমীয়া ভাঙনিৰ আনুমানিক এশ পৃষ্ঠাৰ কাৰণে | ৩৫০০.০০ | কাগজৰ অগ্ৰিম পূৰ্ব-জ্যোতি প্ৰেছক দিছে | ১০০০.০০ |
| ২। | শ্ৰীযতীন দত্ত চৌধুৰী | গুৱাহাটী | 'জীৱনী' কাৰণে | ২৩৯১.০০ | লাবণ্য প্ৰেছক | ২৩৯১.০০ |
| ৩। | শ্ৰীবিশ্বনাথ ঘোষাল | ,, | জনচনৰ জীৱনী | ৪৪০০.০০ | | ২২০০.০০ |
| ৪। | শ্ৰীগৌৰীশঙ্কৰ খেমকা | ,, | প্ৰকাশনৰ কাৰণে | ১৫০০.০০ | | ১৫০০.০০ |
| ৫। | ইণ্ডিয়া কাৰবন লিমিটেড | ,, | ঐ | ১০০০.০০ | | ১০০০.০০ |
| ৬। | অক্ষয় ভাণ্ডাৰ | ,, | ঐ | ৫০০.০০ | | ৫০০.০০ |
| ৭। | শ্ৰীগণপৎ ৰাই ধনুকা | ,, | ঐ | ৫০০.০০ | | ৫০০.০০ |
| ৮। | শ্ৰীজুমৰমল জৈন | ,, | ঐ | ২৫০.০০ | | ২৫০.০০ |
| ৯। | শ্ৰীপান্নালাল পাটোৱাৰী ( বিজয় টৌৰ্চ ) | ,, | ঐ | ৫০০.০০ | | ৫০০.০০ |
| ১০। | ব্ৰিজবিল্ডিং কনচট্ৰাকচন্ | ,, | ঐ | ১০০০.০০ | | ১০০০.০০ |
| ১১। | শ্ৰীচন্দ্ৰেশ্বৰ প্ৰসাদ সিং ফাটিবজাৰ | ,, | ঐ | ৫০১.০০ | | ৫০১.০০ |
| ১২। | শ্ৰীএচ, কে, শৰ্মা চেম্পিয়ন মটৰ | ,, | | ২০০.০০ | | ২০০.০০ |
| ১৩। | শ্ৰীওমপ্ৰকাশ শৰ্মা | ,, | | ১০০১.০০ | | ১০০১.০০ |
| ১৪। | ডিব্ৰুশাখা সাহিত্য সভা | ,, | ঐ | ১০০০.০০ | | ১০০০.০০ |
| ১৫। | আসাম কেমিকেল এণ্ড ফাৰমাকিউটিকেল প্ৰাইভেট লিমিটেড, গুৱাহাটী | | | ৫০০.০০ | | ৫০০.০০ |
| ১৬। | শ্ৰীস্মৃতি কণ্ঠ ৰায় ( ফটাশিল, গুৱাহাটী ) | | | ২০০০.০০ | | ৬০০.০০ |
| ১৭। | শ্ৰীসজনসিং ১৫০+ৰায়মোহন সৰকাৰ ১৫০+এচ পালিত ১০০+লাল কুমাৰ ৫০ গুৱাহাটী | | | | | ৪৫০.০০ |
| ১৮। | শ্ৰীকবি শৰ্মা ( ধুবুৰীৰ পৰা তুলি দিয়া ) | | | | | ৪৪৫.০০ |
| ১৯। | নাহৰকটীয়া মাৰোৱাৰী লোক পৰিষদ ( শ্ৰীতিলেন্দ্ৰ মহন্তৰ জৰিয়তে ) | | | | | ১৫১.০০ |
| | | | | | | ১৫,৬৮৯.০০ |

ইয়াৰ বাহিৰেও আৰু কেবাগৰাকী লোকেও সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিয়া আছে। সেইসকলৰ পৰা কিছু পোৱাৰ আশা আছে। পালে পিচত ঘোষণা কৰা হব।

শ্ৰীগিৰিধৰ শৰ্মা
সভাপতি, অসম সাহিত্য সভা

৭।২।৭৪

( ৩২ পিঠিৰ পিছৰ পৰা )

সাম্প্ৰদায়িক আন্দোলন নহয়। ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ন্যায় সমতাৰ বাবে কৰা দাবী গণতান্ত্ৰিক আন্দোলন। তাত যথেষ্ট যুক্তি নিহিত আছে। দুৰ্ভাগ্য-সৌভাগ্যৰ দাবীৰ প্ৰচণ্ডতা আৰু উত্তাপেৰে শক্তিমন্ত এই বতাহক বাধা দিয়াৰ অধিকাৰ বা ক্ষমতা কাৰো নাই, যিহেতু ৰাজনৈতিক, অৰ্থনৈতিক আৰু জ্ঞানলাভৰ উদ্দেশ্যত নানা কাৰণে অতীতৰ লগত আজি বিৰাট পাৰ্থক্য ঘটিছে। আজিৰ যুগ ৰক্ষণশীল অন্ধবিশ্বাসেৰে দুৰ্ভাগ্য-সৌভাগ্যক ধিয়াই কোনো ক্ষেত্ৰত বা কাৰো ওচৰত আত্মসমৰ্পণ কৰি সৈমান হোৱাৰ যুগ নহয়। বিজ্ঞানৰ পোহৰে আজিৰ প্ৰতিটো বিষয়ে পুঙ্খানুপুঙ্খৰূপে যুক্তি বিচাৰৰ সন্ধান দিয়ে। আজিৰ মানুহে নিজক চিনি পাইছে, নিজৰ মানব সুলভ ন্যায্য-প্ৰাপ্যৰ অধিকাৰ সিচাৰিছে। ৰক্ষণশীল প্ৰভাৱৰ পৰা মুক্তি পাই মানুহৰ খোজ পৰিছে প্ৰগতিৰ বাটত। তাৰ কাৰণে কৰ্ম জীৱনত গণতান্ত্ৰিক অধিকাৰ লাভ কৰি মানুহৰ দৰে বৰ্তি থাকিবলৈ আৰু আনৰ লগত সমানে ফেৰ মাৰিবলৈ উপায় পোৱাৰ প্ৰশ্নই হৈছে আজিৰ যুগত ঘাই বিপ্লৱৰ কাৰণ।

ঘৃণা আৰু সন্দেহৰ দ্বাৰা মানব সমাজৰ কোনো সমস্যা সমাধান হোৱাৰ দৃষ্টান্ত ইতিহাসত নাই। যেতিয়াই যি জাতিয়ে আনক ঘিণ অথবা শোষণ কৰিবলৈ লৈছে, তেতিয়াই সেই জাতিৰ পতন হোৱাৰ দৃষ্টান্ত আছে। এতেকে যি আদিম জনজাতিয়ে নিজকে অনাঅসমীয়া বুলি ভাবে, যি অসমীয়াই অনুন্নত জনজাতি লোক সকলক হীন বুলি ভাবে, সেই সকলক নিজৰ ভাষা-সংস্কৃতিৰ অজ্ঞতাৰ বাবে পুতৌ নকৰি আৰু কি উপায় আছে? কিন্তু বৰ দুখৰ কথা এই জাতীয় চৰকাৰে গণতন্ত্ৰৰ নামাৱলী গাত লৈ সমাজত সাম্প্ৰদায়িক বিশৃঙ্খলতাৰ সমস্যা সৃষ্টি কৰি ভুল ক্ৰুটিৰ ভাগগিনি শান্তিপ্ৰিয় হোজা অনুন্নত জনজাতি আৰু এক শ্ৰেণী বিভেদকামী লোকে সমস্যা সৃষ্টি কৰক বুলি চৰকাৰী-বেচৰকাৰী বিভিন্ন বাতৰি মহলত বিদ্ৰূপ সমালোচনা নিতান্তই অবান্তৰ আৰু প্ৰৰোচনাব্যঞ্জক। এনে তিক্ততাপূৰ্ণ সমালোচনাই অসমৰ ভৈয়াম জনজাতি অ-জনজাতিৰ মাজত সংহতি, ঐক্য স্থাপনত আৰু আলগাই ৰাখিব। প্ৰধান মন্ত্ৰী স্বৰ্গীয় নেহেৰুৱে কৈছিল—'আমি জনজাতীয় সকলৰ নিজস্ব ঐতিহ্য আৰু প্ৰতিভা বজাই ৰাখি উন্নতি কৰি যাবলৈকে তেওঁলোকক সহায় কৰিব লাগে। নিজৰ ব্যক্তিগত নিকৃষ্ট লালসা বাসনা ক্ষুদ্ৰ স্বাৰ্থত্যাগ স্বীকাৰ কৰি নিম্ন শ্ৰেণী, জাতি আৰু জনজাতি লোকসকলৰ সা-সুবিধা, ন্যায্য প্ৰাপ্য দি প্ৰত্যেক ক্ষেত্ৰতে সহায়মূলক আন্তৰিকতা সম্প্ৰীতিক স্থান দিব লাগে।' জাতিৰ পিতা গান্ধীজীও তাকে কৈ গৈছে :

"শক্তি আৰু সত্তাৰ অ'চল ৰূপ সেৱাহে ;  
যি ফুলৰ দৰে আলফুলীয়া, তাৰ কাইটে, বোজাই  
কাকো হেঁচা মাৰিব নালাগে।"

"জয় গুৰু শঙ্কৰ।  
জাই অৱং লাউৰী।" *

* যোৱা ২ আৰু ৩ ডচেম্বৰ ১৯৭৩ তাৰিখে অসম সাহিত্য সভাৰ উদ্যোগত বহা সমন্বয় কেন্দ্ৰৰ সভাত শ্ৰীব্ৰহ্ম ডাঙৰীয়াই দিয়া ভাষণৰ অংশ বিশেষ ইয়াত প্ৰকাশ কৰা হ'ল।—পত্ৰিকা সম্পাদক।

# 'শতবাৰ্ষিকী'ৰ সামৰণিত

ডঃ মহেশ্বৰ নেওগ

ভাগি যায় বীণ। ছিগি যায় তাঁৰ। বৈ যায় অৱশেষ অমিয়া জোঁকাৰ। ফুলি উঠে মালতী ফুল। সৰি পৰি যায়। হেৰোৱা সৌৰভ মাথোঁ বতাহত বৈ যায়। পঞ্চ-বিকাৰযুক্ত মানুহ নামৰ জীৱটিৰ জন্ম হয়, বৃদ্ধি হয়, পৰিণতি হয়, অপক্ষয় হয়, আৰু হয় মৃত্যু। সকলো জীৱনৰে হয়। মৃত্যুৰ কাৰণেহে যেন জীৱন। মৃত্যুৰ কাৰণেই যেন জন্ম। কিন্তু সেয়ে জানো শেষ কথা? যদি সি হয়, বীণ ভাগিলেও তাৰ জোঁকাৰ জোঁকাৰি থাকে কিয়? মালতী সৰি যোৱাৰ পিছতো তাৰ নিৰ্যাসে আমাক মতলীয়া কৰে কিয়? বীণৰ গৌৰৱ তাৰ সুৰত। মালতীৰ গৰ্ব তাৰ নিৰ্যাসত। জীৱনৰ অৰ্থ তাৰ সুৰত। তাৰ নিৰ্যাসত। নহলে কনকলাল বৰুৱাৰ সুন্দৰ-সুবেশ ৰূপ এমুঠি ছাইত শেষ হোৱাৰ তেত্ৰিশ বছৰ হোৱাৰ পিছতো, তেওঁৰ কণ্ঠ স্তব্ধ হৈ এই একুৰি তেৰ বছৰে নিমাত হৈ থকাৰ অন্তত আমি হঠাতে তেওঁৰ সেই ৰূপক এটুকুৰা পাথৰ গঢ়ি চাবলৈ যত্ন কৰিছোঁ কিয়? তেওঁ কি কৈ গ'ল, তাক লৈ আমি আকৌ নতুন এখন মেলৰ ওৰা পাতিছো কিয়? তাৰপৰা এই প্ৰত্যয়েই দৃঢ় হয় যে জীৱনৰ পৰিণতিয়ে মৃত্যুত হয়, সেই পৰাজয় আমি গ্ৰহণ কৰি ল'লে জীৱনক ফাকি দিয়া হয় মাথোন, সেই পৰিণতি অনৱদ্যত পাংচসিত হ'লেহে জীৱনক জীৱন বুলিব পাৰি। কীৰ্ত্তিৰ্যস্য স জীৱতি। কীৰ্তিতহে জীৱন। যি জীৱন যুগমীয়া।

এনে এজন কীৰ্তিমন্ত পুৰুষ আছিল কনকলাল বৰুৱা। যিকেইজন কোমল-কুমলীয়া ডেকাই কলিকতাৰ কোলাহলত থাকি অতি প্ৰয়োজন অনুভৱ কৰিছিল অসমীয়া জগতখন এন্ধাৰৰ পৰা পোহৰলৈ, মৃত্যুৰ পৰা অমৃতলৈ তুলিবলৈ দুঃসাহস হ'লেও দুঃসাহকে কৰিবই লাগিব। সেই জোনাকী-পকৱা-জুইআন্ত নকেইটিয়ে আমাক পোহৰ দিম বুলিছিল, দিলে। কুমলীয়া পাঁজিসেৰীয়া আঙুলি কেইটাৰে আমাৰ মৃত্যুক আওচালি আমাৰ জীৱনৰ শলিতা এডালি চোতালৰ তুলসী তলত জ্বলালে। বাহিৰৰ জগতখন হো-হো-হোকৈ আগ বাঢ়িছে, গৈয়ে আছে জীৱনৰ পূৰ্ণতাৰ কোনোবা দেৱ-দেউল আছে বুলি সেইফালে। শুই আছে মাথোন টোপনিৰ ভৈয়ামত মৃত্যুৰ বাগিত অচেতন অসমীয়াকেইটা। ইহঁতক লৈ উপায় নাই! দেখিও নেদেখে। শুনিও নুশুনে কাণে। পিঠি পুৰিলেও লুটিটো মাৰি ফিশো কৰে! কি মন্ত্ৰ আছে শোৱাৰ ভাও জুৰি থকা তন্দ্ৰা-মগনইতক জগোৱা? এই মহা দুশ্চিন্তাৰ মাজৰ পৰা জন্ম হোৱা 'জোনাকী' এটা মন্ত্ৰহে। কিন্তু সেই মন্ত্ৰ ফাঁপিলে। সেই মন্ত্ৰ মতা বেজ আৰু বেজবৰুৱাসকল ঠিক আছিল বাপৰ বেটা। তেওঁলোকৰ তেৰহাত ফটাৰ বাৰ হাত জালত বৌ-ৰবালিও সৰকি নগ'ল, পুথি-খলিহনাও পাছে পাছে পাছে ব'ল। এগ শতিকাৰ অন্ধকাৰৰ মাজেদি সেই দেখিছে আমাৰ এশ চালাম, হেজাৰ প্ৰণাম, শতকোটি দণ্ডৱত জনাইছো, তোমালোকক হে বেজ,

হে গোসাঁই, হে বীণবৰাগী, হে কনকলাল।

পঢ়া-শুনা কৰে যেয়ে, ঘোঁৰাগাড়ী উঠে সেয়ে। একালত পাণীন্দ্ৰনাথ গগৈয়ে দেখুওৱা এই প্ৰলোভনটো ডাঙৰেই আছিল। আজিৰ জেট্ আৰু স্কাইলেবৰ যুগত অৱশ্যে প্ৰলোভনটো ফাকা হৈ গৈছে। কিন্তু বি.এ. পাছ কৰি কৃতবিদ্য হৈ হাকিম হোৱাৰ পিছত অনেকে অৰ্জুনৰ লক্ষ্যভেদ কৰি পাঞ্চালীক লাভ কৰাৰ দিচিনাই গৰ্বত মগ্ন হৈ পৰে। তাৰ পিছত আৰু সিবিলাকে ক'ৰবাত কুৰুক্ষেত্ৰ আছে বুলি কাচিৎ-কেতিয়াও অনুভৱ নকৰে। কনকলাল হাকিম হ'ল। এবাৰ নেলাগে দুবাৰো বিয়া কৰিলে। ল'ৰা-ছোৱালী হ'ল। সাধাৰণ গোছৰ হাকিমৰ ইয়াতকৈ লাগিছে কি? কনকলালে কিন্তু তাহানি ছাত্ৰ-কালতে ছাত্ৰশালিত আধৰ খুঁটিওৱা যিটো ৰোগ তেওঁৰ মনত সোমাইছিল, সি ভুঁক দিলে। তাক বৰকৈ হেঁচা মাৰি ধৰা টান হ'ল। এই ঠাইতে বহি মহাপুৰুষসকল ব্ৰহ্ম-জিজ্ঞাসাত মগ্ন হৈছিল। কনকলালে সেই জিজ্ঞাসাৰ পথ নেদেখদিবইবা কিয়? কাৰণ দেশৰ, আধ্যাত্মিক উন্নতিত তেওঁৰ এটা কমিট্‌মেণ্ট আছে।

কনকলাল হাকিম হৈ চৰকাৰী চাকৰি লৈ লাকতৰ ধন ঘটি জীৱনৰ বেলিক লাহ দিয়ালে। এইবাৰ কিন্তু তেওঁ এক উচ্চতৰ ক্ষেত্ৰলৈ উন্নীত হ'ল। মন্ত্ৰী হ'ল। মন্ত্ৰী হ'লেতো আৰু কৰিবৰ থাকিল কি? কিন্তু তেওঁৰ থাকিল। সেইযে তাহানিতে "জোনাকী"তে দেশৰ অতীতটো উধাৰিবলৈ কঙ্কা বন্ধা হৈছিল, সেই শপথ পাহৰিবৰ নো। গতিকে মন্ত্ৰী হ'লেও খিলঞ্জীয়া চৰকাৰী ৰেকৰ্ড্, কমৰ চন্‌চনীয়া হোৱা পাতবোৰ লুটিওৱাৰ প্ৰলোভন হৈ উঠিল প্ৰবল। নতুন এজন কনকলালৰ জন্ম হ'ল। প্ৰথম খ্ৰীষ্টীয় সহস্ৰাব্দীৰ কামৰূপে তেওঁৰ স্বপ্নত জীৱন্ত-জলন্ত ৰূপ লৈ উঠিল। সিয়ে তেওঁক দিলে অক্ষয় কীৰ্তি। সেই কীৰ্তিত মহাভূতিবৰ্মা, ভাস্কৰবৰ্মা, শালস্তম্ভ, ব্ৰহ্মপাল, ৰত্নপাল কীৰ্তিমন্ত হৈ আমাৰ এক উজ্জ্বল ঐতিহ্যৰ কথা ক'লে আমাক। হেৰাই যোৱা আমাৰ স্বপ্নবোৰে জাগৃতিৰ ৰূপ ল'লে। আমাৰ প্ৰতি বিস্মৰণশীল ভাৰত-ইতিহাসে প্ৰাচীন কামৰূপক কোলাত তুলি ল'লে। কামৰূপৰ এই নব্যকীৰ্তিৰ বাবে কোনোবাই যদি সন্মানৰ অগ্ৰভাগ পাব লাগে, সেইজন হ'ল কনকলাল বৰুৱা।

কনকলালক আমি কনক-স্তম্ভেৰে সন্মানিত কৰিব লাগিছিল। কাৰণ, তেওঁৰ বিজয়স্তম্ভ সিমানেই উজ্জ্বল আৰু মূল্যবান। কিন্তু কনকলাল বৰুৱা জন্মশতবাৰ্ষিকী উছৱ সমিতিৰ শক্তি ক'ত, সামৰ্থ্যইবা কিমান? তথাপি আমাৰ অন্তৰত শ্ৰদ্ধা-ভক্তিৰ প্ৰাচুৰ্য আছে। বৰুৱা পৰিয়ালৰ সহযোগত আৰু ভাস্কৰ যুগল দাসৰ সাহাৰ্যৰ সুবিধা লৈ আমি কনকলালৰ এই মূৰ্তিটি স্থাপন কৰিলোঁ, কনকলালৰ কনক-আদৰ্শই আমাৰ নতুন পুৰুষৰ জীৱনৰ সীহক সোণ কৰিব, এই ভাবসাত। আমাৰ এই নিছলা আয়োজনক ঐশ্বৰ্য দিয়াৰ বাবে আমাৰ মহামান্য ৰাজ্যপালক ধন্যবাদ। •

• যোৱা ৮।১।৭৪ তাৰিখে অনুষ্ঠিত হোৱা কনকলাল বৰুৱা শতবাৰ্ষিকীৰ সামৰণী উছৱ সভাৰ সভাপতিৰ ভাষণ।

—সম্পাদক।

# এবাৰবোটলা যৎকিঞ্চিৎ

অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা

## ॥ জ্যোতি-প্ৰসঙ্গ ॥

এই বছৰো ১৭ জানুৱাৰী আহিছিল 'জ্যোতি-দিবস' হিচাপে পূৰ্ববৎ জ্যোতিৰ্ময় হৈ, আৰু অ'হি গুছি গ'ল আগৰ দৰে আশা-নিৰাশাৰ ছবি বুকুত বান্ধি লৈ। সেই পবিত্ৰ দিনত গুৱাহাটীৰ বিকলাংগ জ্যোতিচিত্ৰবনে আৰু এটা উৎসৱৰ মুখ দেখা পালে কাহিলিপাৰাৰ কহিলি কাহিলি আশাৰ পোহৰত, নিৰাশাৰ কুঁৱলিৰ মাজেদি। মৰা ৰূপকোঁৱৰৰ নামত বিশেষ একো নহলেও জীয়া বাগ্মীবৰৰ তথ্য-ছবি এখনৰে মহৰৎ (নাট মেলা?) হৈ গল। সেই দিবসৰ আগে পিছে আকাশ-বাণীয়ে জ্যোতিৰ 'লভিতা' নাট গাই-বাই শুনালে। ৰংপুৰৰ ঘূৰণ সৰুত এই নাটখনি মঞ্চস্থ হৈছিল বুলি বাতৰিত প্ৰকাশ। তাৰ বাহিৰে অসমৰ আন কতো এখনি জ্যোতি নাটে মঞ্চৰ মজিয়া গচকিবলৈ সুবিধা নেপালে। আনকি জাকজমকীয়া গুৱাহাটীৰ অনুষ্ঠানতো বেচৰকাৰী প্ৰচেষ্টাৰ কথা নকৰেই চৰকাৰী সাংস্কৃতিক বিভাগ দুটাৰো জ্যোতি নাট মেলিবলৈ খুম নহল। দুখৰ কথা আজিৰ চাম অসমীয়াই জ্যোতি-নাটৰ অভিনয় দেখাটো পৰ্বতত কাছকণী বিচৰাৰ দৰে হৈছে। শোণিতকুঁৱৰী নাটৰ পাতে পাতে অসমীয়া অভিনয়ৰ কথা নতুন পুৰুষে কাণেৰেহে শুনিছে, চকুৰে দেখা নাই বুলিয়েই কব পাৰি। তাতোকৈ পৰিতাপৰ কথা আজি কালিৰ জ্যোতিহীন জ্যোতি-উৎসৱবোৰ সমাজহীন সমাজবাদৰ সতুল্য হৈছে। জ্যোতি-নিৰ্বাণৰ বহুবছৰ পাৰ হৈ যোৱা সত্বেও এই পৰ্যন্ত কোনোও জ্যোতিপ্ৰসাদ বিৰচিত পূৰ্ণাঙ্গ নাট এখন বা চুটি গল্প এটাত চিত্ৰৰূপ দিবলৈ যত্ন কৰা নাই। একমাত্ৰ ডঃ হাজৰিকাই নিৰ্মাণ কৰিবলৈ লোৱা

আধৰুৱা জ্যোতি তথ্যচিত্ৰৰ প্ৰদৰ্শনেহে সিদিনা কিঞ্চিৎ আনন্দৰ বতৰা বিলাইছিল। সেয়ে হলেও বোলছবিৰ ৰূপালী পৰ্দাৰ আগত জ্যোতিৰ নাট কেইখনে সমূহ শিল্পীলৈ প্ৰত্যাহ্বান জনাই আৰু কিমান দিন থিয় দি থাকিব?

জ্যোতি-সঙ্গীত সম্পৰ্কতো একে কথাই। উপযুক্ত ভাবে সংস্থাপিত আৰু সংগৃহীত হব নোৱাৰি এই গীতবোৰে ভাগ ভাগ হৈ অসমৰ আকাশে বতাহে ইনাই বিনাই ফুৰিছে। আজি প্ৰায় এবছৰ আগতে আকাশ-বাণী গুৱাহাটীত জ্যোতি-সঙ্গীতৰ আলোচনা-চক্ৰ এখন অনুষ্ঠিত হৈছিল। তাত ভাগ লৈছিল তেজপুৰৰ শ্ৰীকমলা প্ৰসাদ আগৰৱালা, গুৱাহাটীৰ শ্ৰীবীৰেন দত্ত আৰু ডিব্ৰুগড়ৰ শ্ৰীনিৰ্মল চক্ৰৱৰ্তীয়ে—বহাৰ বহদৈ, টিপামৰ ভাদৈ আৰু শলগুৰিৰ আঘোণী বাই। চক্ৰৱৰ্তীৰ অভিজ্ঞতা, দত্তৰ আগ্ৰহ আৰু আগৰৱালাৰ উৎসাহ তাত বিশেষভাবে পৰিলক্ষিত হৈছিল। ভাবিছিলো এই বাৰ ভেকুলীৰ পিঠিত লোম গজিব অৰ্থাৎ অচিৰতে জ্যোতি-সঙ্গীতৰ প্ৰকৃত ৰূপত আবিষ্কাৰ আৰু প্ৰশিক্ষণৰ দিহা কৰা হ'ব। গালো, গালো খোলা-কটিৰ তাল। আকাশ-বাণীৰ আকাশী বচন শূন্যত বিলীন হৈ গল আৰু এতিয়া তাৰ বুৰবুৰণিও নাইকিয়া হৈ গ'ল।

শিল্পী দিবসৰ আৰম্ভণি সভাত সংস্কৃতি-মন্ত্ৰী শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰে এটা শুভ ঘোষণা দি কৈছিল বোলে জ্যোতিপ্ৰসাদৰ আটাইকেইখন পুথি সন্নিবিষ্ট কৰি অসম প্ৰকাশন পৰিষদৰ যোগে 'জ্যোতি-গ্ৰন্থাৱলী' প্ৰকাশ কৰা হব। মন্ত্ৰী গৰাকীৰ এই ঘোষণাৰ প্ৰতি সমাদৰ জনাই আমি আশা কৰিছো যে ইতিমধ্যে পুথিৰ আকাৰত ছপাৰ পোহৰ নেদেখা 'জ্যোতি সঙ্গীত' আৰু 'জ্যোতি ৰামায়ণ'খনো এই গ্ৰন্থাৱলীত অন্তৰ্ভূক্ত কৰা হব। তদুপৰি জ্যোতি-গ্ৰন্থত থাকি যোৱা অসোঁৱাহবোৰো এইবাৰ নাইকিয়া হব।

জ্যোতি প্ৰেমীসকলে 'জ্যোতি-ককাইদেউ'লৈ গতানুগতিকভাবে শ্ৰদ্ধা তৰ্পণ আগবঢ়াই থাকিলেই নহব, কিবাকিবি কাৰ্যকৰী ব্যৱস্থা ললেহে জ্যোতি-তৰ্পণ সাৰ্থক হব। জয়তু জ্যোতিপ্ৰসাদ।

## ॥ শিল্পীৰ পৃথিবীত নতুন আলোকপাত ॥

ওপৰৰ শিতানত ঘাইকৈ যদিও নিৰাশাৰ কথাহে কোৱা হ'ল তথাপি নকৈ নোৱাৰো যে এই বছৰৰ জ্যোতি-দিবসত শিল্পীৰ পৃথিবীখনত নতুন দিগন্তৰ সন্ধান নোপোৱা বুলি কলে ভুল কৰা হব। প্ৰথম ধন্যবাদৰ পাত্ৰ শিক্ষা-সংস্কৃতিৰ মন্ত্ৰী শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ আৰু মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহ। তালুকদাৰ দেৱে নিজে লাগি ভাগি জ্যোতি-দিবসত শিল্পী-দিবস প্ৰতিষ্ঠা কৰি অসমৰ সংস্কৃতি-জগতত এক নতুন অভিলেখ অঙ্কন কৰিলে।

ৰব বেছি দিনৰ কথা নহয়।

চলিহা চৰকাৰৰ আমোলত আমি অনেক আবেদন নিবেদন কৰিও 'জ্ঞানমালিনী'ৰ কবি মফিজুদ্দিন আহমেদ হাজৰিকা চাহাবৰ শতবাৰ্ষিকী উৎসৱ পালন কৰিবলৈ চৰকাৰী ৰঙাফিটাৰ মেৰপাকত জোট পোট লাগি থকা ৰবীন্দ্ৰ ভৱনৰ লোহকপাট মেলখুৱাব পৰা নাছিলো। সুখৰ বিষয় সিংহ-তালুকদাৰৰ আমোলত সেই ৰবীন্দ্ৰ ভৱনৰ দুৱাৰ আজি শিল্পী-সাহিত্যিকৰ বাবে সহজে খোল খাই গৈছে।

মন্ত্ৰী তালুকদাৰে নিজে আগভাগ লৈ শিল্পী মহোৎসৱ সাফল্যমণ্ডিত কৰি তোলা আৰু শিল্পীসকলৰ কাৰণে এটা স্মাৰক নিধিৰ স্থায়ী দিহা কৰাটো এটা যে ভাল কাম হৈছে সেই কথা সকলোৱে স্বীকাৰ কৰিব। এই উপলক্ষে অনুষ্ঠিত হোৱা উছৱ আদি সৰ্বাঙ্গসুন্দৰ আৰু সকলোৰে মনঃপুত হৈছিল বুলি আমি



অৱশ্যে নকওঁ। প্ৰথম প্ৰচেষ্টাত তেনে হোৱাটোও আশা কৰিব নোৱাৰি।

এই উৎসৱৰ আটাইতকৈ উল্লেখনীয় দিশ আছিল স্মাৰক নিধি স্থাপন আৰু শিল্পী সম্বৰ্ধনা। অবহেলিত অসমীয়া শিল্পীসকলে কাৰোপৰা শকত মাননি বা ধনৰ টোপোলা নিবিচাৰে। ৰাজ অনুগ্ৰহ এওঁলোকৰ বাবে কাম্য নহলেও প্ৰাপ্য। অযাচিত ভাবে অসমৰ মুখ্য মন্ত্ৰী শ্ৰীসিংহই তেওঁলোকৰ প্ৰতিজনকে ৰূপৰ পদক প্ৰদান কৰি যি স্বীকৃতি আৰু সন্মান দিলে সেইয়ে তেওঁলোকৰ পক্ষে লাখটকীয়া মাননি। পদকটো অৱশ্যে মাননিৰ প্ৰতীকহে। পদকৰ লগতে এই নাৰিকলৰ বতৰত একোধাৰ মালাৰে বৰণ কৰা হ'লে সম্বৰ্ধনা উছৱ অধিক চকুতলগা আৰু গাম্ভীৰ্যপূৰ্ণ হলহেঁতেন। অৱশ্যে মুখ্যমন্ত্ৰী, সংস্কৃতি-মন্ত্ৰী আৰু একুৰি দুকুৰা বৰেণ্য শিল্পীৰ উপস্থিতিত উছৱটো যে আপোনাআপুনি গাম্ভীৰ্যপূৰ্ণ হোৱা নাছিল আমি তেনে কথা ক'ব খোজা নাই।

সম্বৰ্দ্ধিত শিল্পীসকল আছিল সৰ্বশ্ৰী গহন চন্দ্ৰ গোস্বামী, মিত্ৰদেৱ মহন্ত অধিকাৰী, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, পৰশুৰাম বৰুৱা (কুচু বৰুৱা), জীৱেশ্বৰ গোস্বামী, সাৰদাকান্ত বৰদলৈ, গজেন বৰুৱা, কমল নাৰায়ণ চৌধুৰী, প্ৰবীণ ফুকন, বীৰেন্দ্ৰ কুমাৰ ফুকন, দয়াল সূত্ৰধৰ, ভূপেন হাজৰিকা, বিক্ৰম সিং ইয়েন, নিপ বৰুৱা, আনোৱাৰ হুচেইন, আইদেউ সন্দিকৈ, ৰাজকুমাৰী মোহিনী আইদেউ, জ্ঞানদা কাকতী, অনুপমা ভট্টাচাৰ্য, বীণা দাস, মান্না আৰু ৰাধিকা দাস। এই নামৰ তালিকাখনিলৈ চাই আমাৰ একেষাৰ ডকতীয়া কথা কবলৈ মন গৈছে বোলে 'ৰাবহাত জালৰ তেৰহাত ফটা, ভাল মাৰিলি খেটা, বাপৰ বেটা। বৌ বৰালি সৰকি গল, পুথিখলিহা পাছে পাছে ৰ'ল।' তেনেকৈ শিল্পীসকলৰ মাজৰ পৰাও সৰকি যোৱা দুই এটা বৰ বৌ হৈছে সৰ্বশ্ৰী প্ৰসন্নলাল চৌধুৰী, প্ৰভাত শৰ্মা, পিয়াৰী মোহন চৌধুৰী, যুগল দাস, ইভা আচাও প্ৰভৃতি। লগতে শিল্পী ব্ৰজেন বৰুৱাই মৰণোত্তৰ সন্মান পোৱা হ'লে গুণৰ প্ৰকৃত সমাদৰ কৰা হোৱা বুলি ক'ব পৰা গলহেঁতেন। শিল্পী সকলক পুৰস্কৃত কৰা হ'ল বুলি কাকতত প্ৰচাৰ কৰা হৈছে যদিও আমি যিসকলক সন্মানিত আৰু সম্বৰ্দ্ধিত হোৱা বুলিহে ধৰি লৈছো। পুৰস্কাৰ বুলিলে প্ৰতিযোগিতাৰ কথা উঠে। এই বয়োবৃদ্ধ শিল্পীসকলক কোনো প্ৰতিযোগিতাত নমাই কোনেও বং চাবলৈ ভাল নেপায় নিশ্চয়।

উছৱ-কমিটীৰ কাৰ্যকাৰী সভাপতি শ্ৰীফণী তালুকদাৰে সম্বৰ্ধনা সভাত প্ৰকাশ কৰিছিল—"সঙ্গীত, নাটক, নৃত্য, মঞ্চ আৰু চলচ্চিত্ৰ জগতৰ কাৰণে এই প্ৰচেষ্টা একেবাৰে নতুন। প্ৰথমবাৰৰ কাৰণে অসমৰ লব্ধপ্ৰতিষ্ঠ শিল্পীক সম্বৰ্ধনা জ্ঞাপক পুৰস্কাৰ দিয়াৰ দিহা কৰা হৈছে। ৰাইজৰ পৰা সহায়-সহযোগ, মৰম-চেনেহ পালে ফিল্ম ফেয়াৰৰ লেখীয়া পুৰস্কাৰ দিবলৈ প্ৰতিবছৰে চেষ্টা কৰা হ'ব।" নতুন প্ৰচেষ্টাত উদ্যোক্তা সকলৰ, ত্ৰুটি-বিচ্যুতি নধৰি, আদৰণি জনাব বুলি তেওঁ আশা প্ৰকাশ কৰে। তালুকদাৰৰ আশাত ৰাইজে সঁহাৰি জনাব বুলি আমিও আশা কৰিছোঁ। লগতে ইয়াকো আশা কৰিছোঁ যে ভাটীৰ 'ফিল্ম ফেয়াৰ'ৰ আদৰ্শ নলৈ যেন অসমৰ বৈশিষ্টপূৰ্ণ থলুৱা সংস্কৃতিৰ আহিহে লোৱা হয়। শিল্পীসকলক একোখন সৰ্বেৰবীয়া শৰাই, এসাজ কাপোৰ, একোটা ধনৰ টোপোলা (শৰাইৰ আকাৰ আৰু ধনৰ টোপোলাৰ পৰিমাণ পুঁজিৰ সামৰ্থ্য অনুসাৰে হ'ব লাগিব) আৰু একোধাৰ মালাৰে মাননি আগ বঢ়োৱাটো উচিত হ'ব। এইবাৰৰ বহু শিল্পী-সাহিত্যিক উছৱলৈ নিমন্ত্ৰিত নোহোৱা বুলিও কোনো কোনো মহলত খেদ কৰা শুনা গৈছিল। আগলৈ তেনে হোৱাটো বাঞ্ছনীয় নহয়।

## ॥ ভাস্কৰ যুগল দাস ॥

এই বছৰৰ প্ৰকাশিত দুটা প্ৰবন্ধই পত্ৰিকাৰ পাঠকসকলৰ আগত এজন চিন্তাশীল লিখকক কিঞ্চিৎ চিনাকি দিছে। অসমৰ নাটশাল আৰু কলাকৃষ্টিৰ জগৎখনত এইজন নীৰৱ শিল্পী শ্ৰীযুগল দাস পাতৰ আঁৰত লুকাই থকা এটা ধানপুৰীয়া কঠাল। নাম-যশৰ বাবে কোনো দিনে আগ্ৰহান্বিত নোহোৱা শ্ৰীদাসে তেওঁৰ গোটেই জীৱনটো লোকৰ চকুৰ অন্তৰালত অতিবাহিত কৰিছে—গুৱাহাটী আৰু নগাঁৱৰ ৰঙ্গমঞ্চৰ চোঁতালৰ ভিতৰত দৃশ্য আৰু ৰূপসজ্জাকৰ হিচাপে। অসম আৰু অসমৰ বাহিৰৰ কেবাখনো প্ৰদৰ্শনীৰ সাজসজ্জাই তেওঁৰ নিপুণ হাতৰ পৰশ লাভ কৰিছে। সম্প্ৰতি নিৰহ-নিপানীকৈ দেহেকেহে লাগি তেওঁ নিৰ্মাণ কৰা কনকলাল বৰুৱাদেৱৰ আৱক্ষ মূৰ্তিটোৱেও তেওঁৰ শেহতীয়া সুকীৰ্তিৰ চানেকী দাঙি ধৰিলে। ইয়াৰ বাবে ডঃ নেওগে তেওঁৰ নামৰ আগত "ভাস্কৰ" শব্দৰ বাথৰ বহুৱাইছে। আমিও তাকে সমৰ্থিছো আৰু এই প্ৰসঙ্গৰে আলম লৈ দাসৰ সম্পৰ্কে দুআষাৰ লিখিবলৈ কাপ তুলি লৈছো।

কেৱল চিত্ৰ, ভাস্কৰ্য আৰু অভিনয়-কলাতে নহয়, অসমীয়া নাট্য-সাহিত্যতো যুগল দাসৰ অৰিহণা সামান্য বুলি কব নোৱাৰি। তাহানি নগাঁও নাট্য-সমাজে সমূহীয়াভাৱে যুগুত কৰা বিখ্যাত মঞ্চসফল নাট 'পিয়লি ফুকন'ৰ প্ৰকৃত নাট্যকাৰ দৰাচলতে পাঁচজন—৺চন্দ্ৰকান্ত ফুকন, শ্ৰীসাৰদাকান্ত বৰদলৈ, শ্ৰীদ্বিজেন্দ্ৰ মোহন গোস্বামী, শ্ৰীৰবীন থাউও আৰু শ্ৰীযুগল দাস। নিজাকৈও শ্ৰীদাসৰ দুখন নাটে এতিয়ালৈ পোহৰৰ মুখ দেখিছে। এখন 'মীৰাবাই' আৰু আনখন '১৮৫৭ সাল' তেওঁৰ অসমৰ লোককলা নামৰ পুথিখনো বিশেষভাৱে উল্লেখযোগ্য। আজি কালি প্ৰচাৰৰ যুগ, নিজে নিজৰ ঢোল কোবোৱাৰ যুগ। এনে এটা যুগৰ গুমগুমনিলৈ আওকাণ কৰি স্বকীয় সাধনাত ধ্যানমগ্ন হৈ থকা এইজনা শিল্পীয়ে কনকলাল বৰুৱাৰ মূৰ্তিৰ অন্তৰালত তেওঁৰ প্ৰতিভাৰ এক উজ্জ্বল স্বাক্ষৰ অঙ্কিত কৰা দেখি আমি নথৈ আনন্দ পাইছো।

## ॥ হৰিপ্ৰসাদ বৰুৱা ডাঙৰীয়া ॥

যোৱা ভোগালী বিহুৰ দিনা (১৩।১।৭৪) অসমৰ এগৰাকী বয়োবৃদ্ধ বৰেণ্য সাহিত্যিক হৰিপ্ৰসাদ বৰুৱা ডাঙৰীয়া স্বৰ্গী হ'ল গুৱাহাটীৰ গান্ধীনগৰৰ তেওঁৰ নিজা বাসভৱন 'ৰদালি'ত। মৃত্যুৰ সময়ত তেওঁৰ বয়স চাৰিকুৰি পাঁচ বছৰ হৈছিল। বৰুৱা ডাঙৰীয়া ঘাইকৈ দুটা ৰূপত বিকশিত হৈছিল। এটা ৰূপ ইঞ্জিনিয়াৰিং বিজ্ঞানৰ আৰু আনটো সাহিত্যৰ।

ইঞ্জিনিয়াৰিং বিভাগত প্ৰতিভাশালী বিজ্ঞানী হিচাপে বৰুৱা ডাঙৰীয়া দক্ষতা আৰু অৰিহণা অনস্বীকাৰ্য। আমাৰ ৰিণি ৰিণি মনত পৰে তেওঁ তাহানিৰ সাপ্তাহিক Times of Assam কাকতত এপিঠি জোৰাকৈ এটা চিন্তাগধুৰ প্ৰবন্ধ লিখিছিল। সেই প্ৰবন্ধত সমগ্ৰ ব্ৰহ্মপুত্ৰ নদীখনকে বিদ্যুৎশক্তিলৈ ৰূপান্তৰিত কৰি কেনেকৈ অসমৰ উদ্যোগ জগতৰ ছবি সলনি কৰি দিব পৰা যায় সেই বিষয়ে তেওঁ আঁচনি তৰিছিল আৰু বিষয়টো বিতংভাৱে ফঁহিয়াই দেখুৱাইছিল। আগত কবলৈ বেয়া পালেও সেই সময়ৰ মানুহে বৰুৱাৰ সেই জলবিদ্যুৎ আঁচনি উদ্ভট পৰিকল্পনা বুলিহে ফিচিঙা ফিটিঙি কৰিছিল। সেই দিনত ব্ৰহ্মপুত্ৰৰ ওপৰত সাঁকো বন্ধাটো অসাধ্য কাম বুলিহে মানুহৰ ধাৰণা আছিল। বৰ্তমান অৱশ্যে বিজ্ঞানৰ ফৰিংফুটা পোহৰত আজিৰ মানুহৰ মনৰ পৰা তেনেবোৰ এলাণ্ডুকলীয়া ধাৰণা নাইকিয়া হৈছে। ব্ৰহ্মপুত্ৰত দলং সজা নাইবা ব্ৰহ্মপুত্ৰৰ পানী জলবিদ্যুতলৈ ৰূপান্তৰ কৰাটো টান কাম হলেও অসম্ভৱ কাম বুলি আজি আৰু কোনেও নাভাৱে। অসমীয়া টাইপ ৰাইটাৰ আৱিষ্কাৰতো অনুৰূপভাৱে এইগৰাকী বিজ্ঞানীয়ে সময়তকৈ আগবাঢ়ি খোজ পেলাইছিল। ইতিমধ্যে বহুতে বৰুৱাৰ বিজ্ঞান-প্ৰতিভা সম্পৰ্কে বিৱৰি কৈছে। সেই বিষয়ে আমি আৰু অধিক নকলেও হব।

হৰিপ্ৰসাদ বৰুৱাৰ সাহিত্যিক প্ৰতিভাৰ উচিত মূল্যাঙ্কণ এতিয়ালৈকে কৰা হৈছে বুলি আমি ভাবিব পৰা নাই, বৰং কিছুপৰিমাণে আচল সত্যৰ পৰা ফালৰি কাটি যোৱাটোহে আমাৰ চকুত পৰিছে। জনাতাৰ, বাতৰিকাকত আদিত ইতিমধ্যে বৰুৱা আৰু 'ভ্ৰমৰঙ্গ' নাট সম্পৰ্কে যিখিনি কথা প্ৰকাশ পাইছে সিও ভ্ৰমাত্মক, আনৰ কথা নকৰেই জীৱনীকাৰ শ্ৰীনন্দ তালুকদাৰকো ভ্ৰমৰঙ্গই ভ্ৰমৰ গড়খাৱৈত পেলাইছে। আমোদজনক কথা, হৰিপ্ৰসাদ বৰুৱাৰ জন্ম হৈছিল ১৮৮৯ চনৰ এপ্ৰিল মাহত। কিন্তু তেওঁৰ মতে ১৮৯৩ চনত বৰুৱাই ভ্ৰমৰঙ্গ নাট দ্বিতীয়বাৰ সম্পাদন কৰি প্ৰকাশ কৰে। সেয়ে হ'লে দেখোন পেন্দুকণা ফুকলীয়া হৰিপ্ৰসাদক 'ভ্ৰমৰঙ্গ'ৰ প্ৰকাশক আৰু সম্পাদক পাতিব লগীয়া হয়। বেজবৰুৱা ডাঙৰীয়াই স্পষ্ট ভাষাৰে লিখি থৈ গৈছে— "৺ৰত্নধৰ বৰুৱা, শ্ৰীযুত ৰমাকান্ত বৰকাকতী, শ্ৰীযুত গুঞ্জানন বৰুৱা আৰু ৺ঘনশ্যাম বৰুৱা এই চাৰিজনে গোট খাই এই ভাঙনি কৰে। শ্ৰীযুত শিৱনাথ বৰদলৈ আৰু এই লেখক সহায়ক হয়। এই কাৰ্যৰ আগৰ পৰা অন্তলৈকে ৰত্নধৰ বৰুৱাৰ বৰ উৎসাহ আছিল। 'ভ্ৰমৰঙ্গ' নামটো শিৱনাথ বৰদলৈৰ দান।" এইখন ভ্ৰমৰঙ্গ নাট নতুনকৈ সম্পাদন কৰা কোনো আৱশ্যক নাছিল। আচল কথা হৈছে বৰুৱাক মানুহ হোৱাত সহায় কৰাত তেওঁৰ দদায়েক ঘনশ্যাম বৰুৱা ডাঙৰীয়া নাটখনৰ অন্যতম গ্ৰন্থকাৰ হোৱাৰ বাবে হয়তো হৰিপ্ৰসাদ বৰুৱাৰ 'ভ্ৰমৰঙ্গ' নাটৰ প্ৰতি বিশেষ আকৰ্ষণ আছিল আৰু সেই কাৰণে বহুবছৰৰ পিছত প্ৰথম সংস্কৰণৰ কিতাপ দুষ্প্ৰাপ্য হোৱাত তেওঁ লেখক সকলৰ পৰিচয় আৰু ইতিবৃত্ত যোগ দি কিতাপখন সজাই পৰাই দ্বিতীয়বাৰ ছপাই উলিয়াইছিল।

তালুকদাৰে লিখা বৰুৱা আৰু অসম সাহিত্য সভা সম্পৰ্কীয় কথাখিনিও ভালদৰে পৰিষ্কাৰ হোৱা নাই। অপ্ৰিয় কথা হলেও ক'ব লাগিব যে এসময়ত ৰায়চৌধুৰী আৰু দত্তৰ আমোলত অসম সাহিত্য সভাৰ পানীত হাঁহ নচৰা অৱস্থা হৈছিল আৰু শেষত ইয়াক প্ৰায় তুলসী তললৈ উলিয়াব লগা অৱস্থা হৈছিল। সেই সময়ত অসমৰ তেতিয়াৰ বিত্তমন্ত্ৰী মতিৰাম বৰা আৰু হৰিপ্ৰসাদ বৰুৱা ডাঙৰীয়া যথাক্ৰমে আদৰণি সভাৰ সভাপতি আৰু কাৰ্যকৰী সভাপতি হৈ সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়াৰ পৌৰোহিত্যত সম্পন্ন হোৱা সাহিত্য সভাৰ খিলং অধিৱেশনৰ গুৰি নধৰা হ'লে অসম সাহিত্য সভাৰ অস্তিত্বই আজি নাইকিয়া হ'লহেঁতেন নিশ্চয়। এই মহৎ শ্ৰমদানৰ বাবে অসম সাহিত্য সভা আৰু অসমীয়া ৰাইজ বৰা আৰু বৰুৱাৰ ওচৰত চিৰকালে কৃতজ্ঞ হৈ থাকিব লাগিব। শেষ বয়সত খিলঙৰ 'ৰদালি'ৰ পৰা গুৱাহাটীৰ 'ৰদালি'লৈ নামি নহা পৰ্যন্ত হৰিপ্ৰসাদ বৰুৱা ডাঙৰীয়াই খিলং মুকুল সংঘৰ লগত তালুকদাৰে লিখা মতে কেৱল 'জড়িত হৈ থকা' বুলি কলে আচল কথা কোৱা নহ'ব। প্ৰকৃতপক্ষে এই সুদীৰ্ঘ কালছোৱাত শ্ৰীহৰিপ্ৰসাদ বৰুৱা ডাঙৰীয়াই আছিল মুকুল সংঘ আৰু মুকুল সংঘই আছিল হৰিপ্ৰসাদ বৰুৱা। ৰ'দালিত তেওঁ 'উদয়ন' নামৰ ছপাশাল এখনো পাতি লৈছিল।

প্ৰকাশ পোৱা মতে সাহিত্য সভাৰ খিলং অধিৱেশন কেৱল "মুষ্টিমেয় কেইগৰাকীমানৰ প্ৰচেষ্টাৰ ফল" নাছিল। সেই সময়ত খিলঙত বুজন সংখ্যক প্ৰবাসুৱা অসমীয়া আছিল। চকীদাৰ চাপ্ৰাচীৰ পৰা ছেক্ৰেটৰিলৈকে তেওঁলোকৰ সকলো কেইজনে কমবেছি পৰিমাণে দেহেকেহে খাটি সেই অধিৱেশন কৃতকাৰ্য্য কৰি তোলাত ৰৰঙণি যোগাইছিল। সেই অধিৱেশনত ৰাজকীয় আভিজাত্য আৰু আড়ুৰ নাইকিয়া হৈ গৈছিল। উচ্চপদস্থ বিষয়া একোজনেও চিৰচেনেহী ভাষাজননীৰ সেৱাত নিঃকিন সেৱক হৈ সাধাৰণ স্বেচ্ছাসেৱকৰ দৰে শ্ৰমদান

কৰিছিল। হৰিপ্ৰসাদ বৰুৱাই 'মইনা,' 'একপক্ষ', বীৰ চণ্ডীয়াৰ দেশ' আদি মনোৰম পুথি ৰচনা নকৰা হলেও নিস্বাৰ্থ ভাবে শ্ৰমদান কৰি অসম সাহিত্য সভাক পুনৰ্জ্জীৱন দিয়াৰ বাবে সভাৰ বুৰঞ্জীত তেওঁৰ নাম চিৰস্মৰণীয় হৈ জিলিকি থকা উচিত। পিছত তেওঁ তিনিচুকীয়া অধিবেশনত বিজ্ঞান শাখাৰ সভাপতি হৈছিল আৰু একেবাৰে কেইবাবছৰো তেওঁৰ নাম মূল অধিবেশনৰ সভাপতিৰ নামৰ 'পেনেল'ত উঠিছিল।

শুধৰণি—যোৱা কাতি সংখ্যা পত্ৰিকাত কৃতী অসমীয়া হেডমাষ্টৰসকলৰ নামৰ তালিকাত বঙালী হেডমাষ্টৰ চন্দ্ৰমোহন গোস্বামীদেৱৰ নামটোও অন্তৰ্ভুক্ত কৰা হৈছিল। শ্ৰীবেণুধৰ শৰ্মাদেৱে ভুলটোলৈ আঙুলিয়াই দিয়াত তেওঁৰ পৰামৰ্শ লৈ এই শুধৰণি দিয়া হ'ল।

—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা।

## ॥ সাহিত্য সভাৰ সমাচাৰ ॥

### কনকলাল বৰুৱা জন্ম শতবাৰ্ষিকীৰ সামৰণী উৎসৱ :

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু বুৰঞ্জীবিদ্ কনকলাল বৰুৱাদেৱৰ জন্মশতবাৰ্ষিকীৰ সামৰণী উৎসৱ যোৱা ৮ জানুৱাৰী ১৯৭৪ তাৰিখে গাম্ভীৰ্যপূৰ্ণ ভাবে পালন কৰা হয়। সেই উৎসৱত অসম সাহিত্য সভাৰ মৰ্মৰ পত্ৰ আৰু স্বৰ্গীয় বৰুৱাৰ আৱক্ষমূৰ্তি থৈতে এটি স্মৃতিস্তম্ভ উন্মোচন কৰে অসমৰ ৰাজ্যপাল শ্ৰীলালন প্ৰসাদ সিংহদেৱে। এই স্মৃতিস্তম্ভ স্বৰ্গীয় বৰুৱাদেৱৰ উজানবজাৰৰ পুৰণি বাসভৱনৰ উত্তৰ-পশ্চিম চুকত নিৰ্মাণ কৰা হয়৷ কনকলাল বৰুৱাৰ আৱক্ষ মূৰ্তিটো নিৰ্মাণ কৰিছে গুৱাহাটীৰ ভাস্কৰ যুগল দাস ডাঙৰীয়াই। উল্লেখযোগ্য যে অসম সাহিত্য সভা'ই ১৯৭৩ চনতে ডঃ মহেশ্বৰ নেওগদেৱক সভাপতি, অধ্যাপক হেমন্তকুমাৰ শৰ্মা আৰু প্ৰসন্ন ৰাম দাসদেৱক যুটিয়া সম্পাদক হিচাপে লৈ গুৱাহাটিত কনকলাল বৰুৱা জন্ম-শতবাৰ্ষিকী উৎসৱ সমিতি এখন পাতি দিয়ে। এই সমিতিৰ যত্নতেই ৭ জানুৱাৰী ১৯৭৩ তাৰিখে কনকলাল বৰুৱাৰ শতবাৰ্ষিকীৰ আৰম্ভণি উৎসৱ মহাপয়োভৰেৰে অনুষ্ঠিত হয় আৰু লগতে ডঃ মহেশ্বৰ নেওগদেৱৰ সম্পাদনাত কনকলাল বৰুৱাৰ Studies in the Early History of Assam আৰু অধ্যাপক শ্ৰীনন্দ তালুকদাৰৰ সম্পাদনাত 'কনকলাল বৰুৱা' প্ৰকাশ পায়।

### নলবাৰী সাহিত্য সমাজৰ আঁচনি :

নলবাৰী সাহিত্য সমাজৰ সম্পাদকে জনাইছে যে নলবাৰী সাহিত্য সমাজে এটি সাংস্কৃতিক সংগ্ৰহালয় আৰু ইয়াৰ লগতে এটি লোক-সংস্কৃতিৰ গৱেষণাৰ অনুষ্ঠান নিৰ্মাণৰ আঁচনি লৈ কামত আগ বাঢ়িব পাৰিছে। নিৰ্মিয়মান অনুষ্ঠানটিৰ কাৰণে বহুল এডোখৰ মাটি পোৱা হৈছে, তদুপৰি সাঁচিপতীয়া বহুমূলীয়া সংস্কৃত আৰু অসমীয়া গ্ৰন্থ, তামৰ ফলি, মুদ্ৰা, আচবাব, কুটীৰ শিল্পজাত সামগ্ৰী আদি সংগ্ৰহ হোৱাৰ বাতৰি পোৱা গৈছে। উল্লেখযোগ্য যে এই সংগ্ৰহালয়টিৰ লগত এটি চিত্ৰশালা নিৰ্মাণৰ কথাও বিবেচনা কৰা হৈছে। অসমীয়া জীৱিত আৰু মৃত বিশিষ্ট সাহিত্যিকসকলৰ পুথিৰ পাণ্ডুলিপি সংৰক্ষণৰ ব্যৱস্থাও কৰা হ'ব বুলি জানিব পৰা গৈছে। সম্প্ৰতি নলবাৰী সাহিত্য সমাজৰ কাৰ্যালয় ৰাজেন্দ্ৰ চৌধুৰী ভৱনত অনুষ্ঠিত হৈছে। এই সংগ্ৰহালয় আৰু গৱেষণাৰ অনুষ্ঠানৰ পুথিভঁৰালটো লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতিত অৰ্পণ কৰা হৈছে আৰু ভালেমান বহুমূলীয়া পুথি ইতিমধ্যে সংগ্ৰহ হৈছে। সাহিত্য সমাজে এইটো এটা ৰাষ্ট্ৰীয় অনুষ্ঠান ৰূপে গঢ়ি তুলিবলৈ মনস্থ কৰিছে, আৰু দেশবাসী মাত্ৰৰে পূৰ্ণ সহায়, সহযোগিতা আৰু পৰামৰ্শৰ কাৰণে আবেদন জনাইছে। আনন্দৰ কথা এয়ে যে নিৰ্মিয়মান অনুষ্ঠানটিয়ে কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক বিভাগৰ স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে।




### প্ৰগতিৰ পথত কাৰ্বি আলং

লিখক : শ্ৰীদিলীপ শৰ্মা

প্ৰকাশক, দিলীপ শৰ্মা, কিৰণ কুটিৰ, ডিফু, মিকিৰ পাহাৰ, অসম, প্ৰথম প্ৰকাশ ১৯৭৩, মূল্য ৫·০০।

'প্ৰগতিৰ পথত কাৰ্বি আংলঙ'ৰ লিখক শ্ৰীদিলীপ শৰ্মা বহু বছৰ ধৰি মিকিৰ পাহাৰত থাকি, তাৰ স্থানীয় লোকৰ ভাষা শিকি তেওঁলোকৰ সমাজ-জীৱনৰ লগত নিবিড়ভাৱে যে মিলি যাব পাৰিছে, বৰ্তমান পুথিখনে তাৰেই স্বাক্ষৰ বহন কৰে। ইয়াৰ আগতে তেওঁ 'অসমৰ জনজাতীয় শব্দমালা' গ্ৰন্থত কেইবাটিও পাহাৰবাসীৰ ভাষাৰ এখনি শব্দকোষ প্ৰণয়ন কৰিছে। লেখকে বৰ্তমান পুথিখনিত অশেষ যত্ন কৰি মিকিৰ পাহাৰৰ ভৌগোলিক বিৱৰণ, অৰ্থনৈতিক অৱস্থা, জনসংখ্যা, ৰাজকীয় কাৰ্যালয়, ৰাজহুৱা অনুষ্ঠান, ভাষা, সাহিত্য, শিক্ষা, উৎসৱ, সাজপাৰ আদিৰ বিৱৰণ সুন্দৰভাৱে দাঙি ধৰিছে। মুঠতে পুথিখনিৰ পৰা মিকিৰ পাহাৰ আৰু তাৰ লোকৰ জীৱনৰ বিষয়ে ভালেমান তথ্য জানিব পাৰি। পুথিখনিত লেখকৰ গৱেষণামূলক ভাবধাৰা পৰিলক্ষিত হয়।

লেখকৰ ভাষা সহজ-সৰল। পুথিৰ শেহৰ ফালে সন্নিবিষ্ট চিত্ৰসমূহে পুথিখনিৰ মূল্য আৰু আকৰ্ষণ বৃদ্ধি কৰিছে। পুথিখনিৰ বহুল প্ৰচাৰ কামনা কৰোঁ।

—উপগুপ্ত।

### প্ৰিয়দৰ্শিনী ইন্দিৰা

লিখিকা : নীলাক্ষী হাজৰিকা

প্ৰকাশক : বন্দিত হাজৰিকা, মীনাক্ষি কলামন্দিৰ, দেৰগাওঁ ; প্ৰথম প্ৰকাশ, ১৯ নবেম্বৰ ১৯৭৩, মূল্য ৪·২৫।

বিশ্বৰ এগৰাকী মহীয়সী নাৰী আৰু ভাৰতৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ জীৱনী আজি ইমান দিনলৈ অসমীয়া ভাষাত ওলোৱা নাছিল। নীলাক্ষী হাজৰিকাই জীৱনীখন লিখি কিছুপৰিমাণে এনে এটি অভাৱ পূৰণ কৰিলে। তাৰ বাবে তেওঁ ধন্যবাদৰ পাত্ৰী। লেখিকা বৰ্তমান কলেজীয়া ছাত্ৰী যদিও তেওঁ হাইস্কুলত পঢ়োঁতেই এই পুথিখন লিখা। লেখিকাই ইন্দিৰা গান্ধীক মাতৃ হিচাপে কল্পনা কৰি জীৱনীখন যুগুত কৰিছে। লেখিকাৰ কোমল বয়স যদিও অতি যত্ন সহকাৰে ইন্দিৰাগান্ধীৰ পূৰ্বপুৰুষৰ পৰা আৰম্ভ কৰি বাল্যকাল, শিক্ষা, বাল্য কালতেই ৰাজনীতিত সক্ৰিয় অংশ গ্ৰহণ, বিবাহ, জেল-জীৱন, ৰাজনৈতিক জীৱন আদিৰ তথ্য সংগ্ৰহ কৰি আকৰ্ষণীয় ভাৱে প্ৰাঞ্জল তথা কাব্যিক ভাষাত উপস্থাপন কৰিছে। প্ৰথম প্ৰচেষ্টা যদিও পুথিখনে লেখিকাৰ উজ্জ্বল ভৱিষ্যতৰ সন্ধান দিয়ে।

সন্নিবিষ্ট কেইখামনো দুষ্প্ৰাপ্য চিত্ৰই পুথিখনিৰ আকৰ্ষণ বঢ়াইছে। পুথিখনি সকলোৰে আদৰণীয় হব বুলি বিশ্বাস।

—উপগুপ্ত।

## মন পলাশৰ ৰং

লিখক : শ্ৰীঘনকান্ত চেতিয়া ফুকন

প্ৰকাশিকা— কুমাৰী ৰজলিম চেতিয়া ফুকন, প্ৰথম প্ৰকাশ : জুন, ১৯৭৩ চন ; মূল্য ১ এটকা।

চেতিয়া ফুকনে অসমীয়া সাহিত্যৰ সমৃদ্ধিৰ কাৰণে যত্ন কৰি আহিছে। তেওঁ কবিতা, গল্প, লঘু ৰচনা আৰু প্ৰবন্ধ ৰচনা কৰি ইতিমধ্যে অসমীয়া সাহিত্যিক গোষ্ঠীৰ লগত পৰিচয় হৈ পৰিছে। আলোচ্য গ্ৰন্থ 'মন পলাশৰ ৰং' এখনি মনোৰম গীতৰ সংকলন। গীত-বোৰত প্ৰধানকৈ মানৱ-বন্দনা, প্ৰকৃতি-প্ৰীতি, স্বদেশ-প্ৰেম, মাটিৰ প্ৰতি মোহ প্ৰতিফলিত হৈছে। ই ৰোমা-ন্টিক ভাবৰে অভিব্যক্তি মাথোন। লুইত আৰু দিচাঙৰ প্ৰতি কবিৰ আকৰ্ষণ মন কৰিব লগীয়া। ফুকন মানুহ-জন যেনে আপোন ভোলা অগন্নাথ তেওঁৰ কোনো কোনো গীততো নিজৰ গীত শুনি নিজে আত্মহাৰা হোৱা লক্ষ্য কৰা যায়। গীতৰ ভাষা সহজ আৰু উপস্থাপন-ৰীতি সুৰৰ উপযোগী।

—দুৰ্গেশ্বৰ শৰ্মা।

## ৰূপান্তৰ

লিখক এম, কোবাদ আলি

প্ৰকাশিকা—মোছাম্মৎ জেবুন্নেছা বেগম ; প্ৰথম প্ৰকাশ ১৯৭৩ চন ; ১'২৫ পইছা।

কৱিতা, গল্প, উপন্যাস, ৰচনা কৰি আলি ডাঙৰীয়া অসমীয়া সাহিত্য-জগতত ইতিমধ্যে সৰবৰহী হৈ উঠাতো সন্তোষৰ কথা। তেওঁৰ পৰিচিতা, স্মৃতিৰ পৰশ, আৰব দেশৰ কাহিনী পঢ়াৰ সৌভাগ্য নিশ্চয় বহুতৰে হৈছে। বৰ্তমানৰ গ্ৰন্থখনি কছ গল্প কেইটি-মানৰ অনুবাদ মাত্ৰ। তেওঁৰ অনুবাদ সবল আৰু কলাপূৰ্ণ। গল্পবোৰৰ মাজেৰে সমাজৰ কেতবোৰ সমস্যা প্ৰতিফলিত হৈছে। গ্ৰন্থখনি পাঠক সমাজে পঢ়া মেজলৈ বাট এৰি দিব বুলি ধাৰণা কৰিব পাৰি।

শ্ৰীদুৰ্গেশ্বৰ শৰ্মা।

## ৰশ্মিজাল

লিখক শ্ৰীবাপচন্দ্ৰ মহন্ত, যোৰহাট ;

প্ৰকাশক —শ্ৰীবাপচন্দ্ৰ মহন্ত আৰু শ্ৰীকেশদা মহন্ত ; প্ৰথম প্ৰকাশ জানুৱাৰী ১৯৭১ ; মূল্য—তিনি টকা।

শ্ৰীবাপচন্দ্ৰ মহন্ত বৈষ্ণৱ ধৰ্ম সম্পৰ্কে যথেষ্ট চিন্তা-চৰ্চা কৰা লোক। নিচেই কম দিনৰ ভিতৰতে তেওঁ যথেষ্ট প্ৰবন্ধ-পাতিও লিখিছে। 'ৰশ্মিজাল' নামৰ গ্ৰন্থ-খনি সাতোটা সৰ্গত বিভক্ত কৰি উপনিষদৰ আদৰ্শত দাৰ্শনিক তত্ত্বৰ বিচাৰ বিশ্লেষণ দাঙি ধৰাৰ এক আকুল আৰু মহত্বপূৰ্ণ প্ৰচেষ্টা মাথোন। কবিয়ে সাম্প্ৰতিক কবিতাৰ বাট পৰিহাৰ কৰি আধুনিক যুগৰ বিশেষকৈ জোনাকী, বাঁহী উষা যুগৰ কবিসকলৰ ছন্দ-ৰীতি আৰু বক্তব্য বিষয় পৰম সাদৰে গ্ৰহণ কৰি বলিষ্ঠ নীতি আৰু সাহাসিক চিন্তাৰ পৰিচয় দিছে। এক শ্ৰেণীৰ সুকীয়া পাঠকে তেওঁৰ কবিতা পঢ়ি নিশ্চয় আনন্দ উপভোগ কৰিব। মহন্তদেৱৰ পৰীক্ষা-নিৰীক্ষাৰ বিকাশ আমাৰ একান্ত কাম্য।

শ্ৰীদুৰ্গেশ্বৰ শৰ্মা।






নন্দ তালুকদাৰ

## (ক) কবিতা

### নৱকান্ত বৰুৱা : মোৰ আৰু পৃথিৱী

প্ৰথিতযশা কবি নৱকান্ত বৰুৱাৰ 'মোৰ আৰু পৃথিৱী' এখনি বাছকবনীয়া কবিতা সংগ্ৰহ। পুথিখনিৰ ছপা-বন্ধা সাজ-সজ্জা চকুত লগা। সঙ্কলনটিত 'নৱকান্ত বৰুৱা আৰু আমি' শীৰ্ষক পাতনি লিখিছে ডক্টৰ হীৰেণ গোহাঁয়ে।

প্ৰথম প্ৰকাশ ১৯৭৩, প্ৰকাশক : বিপুল গুহ, গুৱাহাটী, পৃষ্ঠা ২৪৫, দাম দহ টকা। ডিমাই আকাৰৰ।

### ডাঃ নবীন বৰদলৈ : তুমি কথা কোৱা হিমালয়

'তুমি কথা কোৱা হিমালয়' ডাক্তৰ নবীন বৰদলৈৰ ডেৰকুৰি কবিতাৰ সংকলন। সংকলনটিত ইংৰাজী কবিতাৰ ছাঁ লৈ ৰচনা কৰা দুই এটি কবিতা আছে। পুথিখনিৰ আগকথা লিখিছে বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱাই। কবি আৰু কবিতা শীৰ্ষক ভূমিকাত কবি বৰদলৈয়ে কবিতা সম্পৰ্কে আলোচনা কৰিছে।

প্ৰথম প্ৰকাশ, এপ্ৰিল ১৯৭২ ; প্ৰকাশক বিজয় বৰদলৈ, যোৰহাট-১ ; পৃষ্ঠা ৮৪ ; মূল্য ১৫০, ক্ৰাউন আকাৰৰ।

(১)

### সৰযু দেৱী : পোহৰ

'পোহৰ' সৰযূ দেৱীৰ একুৰি আঠটি কবিতাৰ সংক-লন। সংকলনটিৰ দুই চাৰিটা কবিতা পূৰ্বতে আলো-চনীৰ পাতত প্ৰকাশিত।

প্ৰথম প্ৰকাশ ১৯৭৩ ; প্ৰকাশক : সৰযূ দেৱী, পাট্টাছাৰকুছি। পৃষ্ঠা ২৯ ; মূল্য ১ টকা, ডিমাই আকাৰৰ।

### কুমাৰ হিৰণ্য নাথ : কল্লোল

কল্লোল নবীন কবি হিৰণ্য নাথৰ পোন্ধৰটি কবিতাৰ সংকলন।

পৃষ্ঠা ১৪, মূল্য '৫০ পইচা ; প্ৰকাশক- নগেন্দ্ৰ নাৰায়ণ নাথ, গোৱৰ্ধনা বৰপেটা ৰোড ; ক্ৰাউন আকাৰৰ।

### অৰ্পণা বণিক্য : ছয় ঋতু

গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত, বসন্ত এই ছয় ঋতুৰ বৰ্ণনাৰে ৰচনা কৰা কবিতাৰ পুথি। পুথিখনিৰ আগকথা লিখিছে অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাই।

প্ৰথম প্ৰকাশ ১৯৭১, প্ৰকাশক : অৰ্পণা বণিক্য ; পৃষ্ঠা ২২, দাম ৫০ পইচা ; ক্ৰাউন আকাৰৰ।

**কিৰণ গগৈ : বিহু গলে বিনাবি কাক**

বিহুগীতৰ সংকলন।

প্ৰথম প্ৰকাশ জুন ১৯৭৩, প্ৰকাশক নিউ বুক ষ্টল, পৃষ্ঠা ৭০, দাম ১৫০, ক্ৰাউন আকাৰৰ।

**গিৰিশ চন্দ্ৰ লহকৰ : প্ৰতিধ্বনি**

আঠটি কবিতাৰ সংকলন। কবিতা কেইটি কীটছ, শেলী, বাইৰন, কলেৰীজ, ৰবাৰ্ট ব্ৰাউনিং আদি প্ৰখ্যাত ইংৰাজ ৰোমাণ্টিক কবিৰ কবিতাৰ সৰল অসমীয়া ভাঙনি।

প্ৰথম প্ৰকাশ ১৯৭১, প্ৰকাশক সুমিত্ৰা প্ৰকাশন, চাংসাৰী, পৃষ্ঠা ৪৬; দাম এটকা, ক্ৰাউন আকাৰৰ।

**ৰাৱণ নাথ : গতি মোৰ অনন্ত কালৰ**

হাস্যৰসিক ৰাৱণ নাথৰ কবিতাৰ পুথি।

প্ৰকাশক ৰাৱণ নাথ, সৰভোগ, পৃষ্ঠা ১৮, ক্ৰাউন আকাৰৰ।

**লক্ষেশ্বৰ শৰ্মা : বন পলাশ**

'বন পলাশ' নবীন কবি লক্ষেশ্বৰ শৰ্মাৰ ছকুৰি কবিতাৰ সংকলন।

প্ৰথম প্ৰকাশ ১৯৭২. পৃষ্ঠা ৪১, দাম ১.৭৫, ডিমাই আকাৰৰ।

**নবাব আহম্মেদ : গীতিমালা**

নবীন গীতিকাৰ নবাব আহম্মেদৰ 'গীতিমালা' একুৰি বাৰটি গীতৰ সংকলন।

প্ৰথম প্ৰকাশ ১৯৭৩; প্ৰকাশক কালীকান্ত শৰ্মা, পৃষ্ঠা ৩২, দাম এটকা, ডিমাই আকাৰৰ।

**মোহাম্মদ নবীৰ হুচেইন : হাওৱাৰ মিঠাই**

হাওৱাৰ মিঠাই মোহাম্মদ নবীৰ হুচেইনৰ ন অসমীয়া প্ৰবচন আৰু ফকৰা-যোজনাৰ পুথি।

প্ৰথম প্ৰকাশ আগষ্ট ১৯৭৩, প্ৰকাশক ছোলেমান আলী আহম্মদ। পৃষ্ঠা ৬০, দাম ২.২৫, ডিমাই আকাৰৰ।

**ৰোহিণীকুমাৰ শৰ্মা : লোতক**

বিভিন্ন ছন্দত লিখা বিভিন্ন বিষয়ৰ তিনিকুৰি কবিতাৰ সংগ্ৰহ। প্ৰকাশক—প্ৰমোদ চন্দ্ৰ শৰ্মা, গামাৰিমুৰী, কামৰূপ, প্ৰথম প্ৰকাশ ১৯৭১, পৃঃ ৯১, মূল্য ২.০০ ক্ৰাউন আকাৰৰ।

**চুজাউদ্দিন আহমেদ : মহিমৰ চিঠি**

অমিত্ৰাক্ষৰ ছন্দত লিখা বিভিন্ন ভাবৰ ২৩টা কবিতাৰ সংকলন। প্ৰকাশক চুজাউদ্দিন আহমদ; প্ৰথম প্ৰকাশ ১৯৭৩, পৃঃ ৭১, মূল্য ২.৫০, ডিমাই আকাৰৰ।

**জিতেন গগৈ (সম্পাদিত) : শ্ৰদ্ধাঞ্জলি**

শ্ৰীশঙ্কৰদেৱৰ গুণ-গৰিমা লৈ বিভিন্ন জনে লিখা এঘাৰটা কবিতাৰ সংগ্ৰহ।

প্ৰথম প্ৰকাশ ৫২৫ শঙ্কৰাব্দ, কহিমা সাহিত্য আলোচনা চক্ৰৰদ্বাৰা প্ৰকাশিত, পৃঃ ২১, ডিমাই আকাৰৰ।

**ৰামচন্দ্ৰ চুতীয়া, যোগেশ্বৰ বড়া (সম্পাদিত) : সত্তাৰ এই ঐক্যতান**

ন-পুৰণি আঠকুৰি অসমীয়া কবিৰ আঠকুৰিটা কবিতাৰ সংকলন।

প্ৰথম প্ৰকাশ, ১৯৭৩ ; প্ৰকাশক, কবেন্দ্ৰ ৰাভা আদি, পৃঃ ৭৮, ক্ৰাউন আকাৰৰ, মূল্য ১.৫০।

**অধ্যাপক হেম বৰা (সম্পাদিত) : শ্ৰমিক নেতা ছান্নু খেৰীয়া**

বিধান সভাৰ প্ৰাক্তন সদস্য আৰু শ্ৰমিক নেতা ছান্নু খেৰীয়াৰ মৃত্যুত শোক প্ৰকাশ কৰি বিভিন্ন গুণ-গ্ৰাহী লোকে কবিতাৰে জনোৱা শ্ৰদ্ধা-বাণীৰ সংগ্ৰহ।

প্ৰথম প্ৰকাশ ১৯৭৩, প্ৰকাশক, নন্দ বৰা, গোলাঘাট, পৃঃ ১৬।

**মোঃ আব্দুল কাদিৰ দেৱান : মৰুপথ**

বিভিন্ন ছন্দত লিখা ৩৭টা কবিতাৰ সংকলন। প্ৰথম প্ৰকাশ ১৯৭৩, প্ৰকাশক পৰিচালনা সমিতি, পল্লাৰপাৰ হাই মাদ্ৰাছা, পৃঃ ৬০, ডিমাই আকাৰৰ, মূল্য ১.০০ টকা।



**চৈয়দ আহম্মদ হুচেইন : নবীকাব্য**

ছন্দত লিখা হজৰত মহম্মদৰ জীৱন চৰিত্ৰ। প্ৰথম অধ্যায় ৭০০টা স্তৱকত আৰু দ্বিতীয় অধ্যায় ৩৩০টা স্তৱকত পুথিখন ৰচনা কৰা হৈছে।

প্ৰথম প্ৰকাশ ১৯৭৩, প্ৰকাশক চৈয়দা আবিদুন্নীছা, যোৰহাট; পৃঃ ২০৩, দাম ৪ টকা, ডিমাই আকাৰৰ।

**অৰ্পণা বণিক্য : অকণিৰ ৰহঘৰা**

শিশু মনলৈ লক্ষ্য ৰাখি সহজ সৰল ভাষাত ৰচনা কৰা ১৪টা কবিতাৰ সংগ্ৰহ। পুথিখনিৰ পাতনি লিখিছে দেবেন্দ্ৰ নাথ শৰ্মাই।

প্ৰথম প্ৰকাশ ১৯৬৩, প্ৰকাশক বীণা লাইব্ৰেৰী, কোকৰাঝাৰ, পৃঃ ৬০, মূল্য ১.০০ টকা, ডিমাই আকাৰৰ।

**ধৰ্মেশ্বৰ ডেকা : ভৃগু, তুমি উঠা**

আধ্যাত্মিক আৰু জাতীয় ভাবোদ্দীপক ৩৮টা কবিতাৰ সংকলন।

প্ৰকাশিকা শ্ৰীসৰলা প্ৰভা ডেকা, ভাৰতী প্ৰকাশ, সৰ্থেবাৰী, প্ৰথম প্ৰকাশ, ১৮৯২ শক, ৬৬ পৃঃ ; মূল্য ২.৫০ পইচা, ডিমাই আকাৰৰ।

**বলীন বৰকটকী : মায়ামৃগ**

বাৰটা কবিটাৰ সংগ্ৰহ। পাতনি লিখিছে যজ্ঞোৰাম গগৈয়ে। ১ম প্ৰকাশ ১৮৯৫ শক, প্ৰকাশক লিথক, ডিফু। মিকিৰ পাহাৰ, পৃঃ ৪২, মূল্য ১.৫০ ; ডিমাই আকাৰৰ।

**লক্ষেশ্বৰ শৰ্মা : বনপলাশ**

অমিত্ৰাক্ষৰ ছন্দৰ ৰচা দুকুৰি কবিতাৰ সংকলন।

প্ৰথম প্ৰকাশ, ১৯৭৩, প্ৰকাশকৰ নাম নাই। পৃঃ ৪১, মূল্য ১.৭৫ ; ডিমাই আকাৰৰ।

## (খ) নাটক

**খোলোক বৰা : সিহঁতো চোৰ**

তুঁহ জুই, সিহঁতো চোৰ আৰু আহ্বান নামৰ তিনিখন একাঙ্কিকাৰ সংকলন। প্ৰথম প্ৰকাশ ১৮৯৫ শক, প্ৰকাশক শ্ৰীপ্ৰশান্ত বড়া, চিন্তালয় প্ৰকাশ, বাহুলি পাৰ, শিৱসাগৰ, পৃঃ ২০+১৪+১৩ ; মূল্য ১.৫০, ক্ৰাউন আকাৰৰ।

**শ্ৰীৰামচন্দ্ৰ চুতীয়া : মীৰজুমলাৰ অভিযান**

বুৰঞ্জীমূলক নাটক।

প্ৰথম প্ৰকাশ, ১৯৭০, প্ৰকাশক শ্ৰীহাবিচুদ্দিন আহমেদ, উত্তৰ লক্ষীমপুৰ, পৃঃ ৭৩, মূল্য ২.০০, ক্ৰাউন আকাৰৰ।

**উত্তম বৰুৱা : বৰবজা ফুলেশ্বৰী**

বুৰঞ্জীমূলক নাটক।

প্ৰথম প্ৰকাশ ১৯৭২, প্ৰকাশকৰ নাম নাই, পৰিবেশন দত্ত বৰুৱা এণ্ড কোং, গুৱাহাটী, পৃঃ ১০৪, মূল্য ৫.০০ টকা, ডিমাই আকাৰৰ।

**শ্ৰীৰোহিণী কুমাৰ শৰ্মা : সীতাহৰণ**

ভালেমান লোকৰ শুভেচ্ছা বাণীৰে সৈতে ছন্দোবদ্ধভাবে লিখা পৌৰাণিক নাটিকা।

প্ৰকাশক : প্ৰমোদ চন্দ্ৰ শৰ্মা, পোঃ গামাৰীমুৰী, ভায়া নলবাৰী, কামৰূপ, প্ৰথম প্ৰকাশ ১৯৭৩, পৃঃ ২৯, মূল্য ১.০০, ক্ৰাউন আকাৰৰ।

**শ্ৰীৰোহিণী কুমাৰ শৰ্মা : শকুন্তলা**

বিভিন্ন বিদ্বজ্জনৰ শুভেচ্ছাবাণীৰে সৈতে অমিত্ৰাক্ষৰ ছন্দত লিখা পৌৰাণিক নাটিকা।

প্ৰকাশক প্ৰমোদ চন্দ্ৰ শৰ্মা, পোঃ গামাৰীমুৰী কামৰূপ, প্ৰথম প্ৰকাশ ১৯৭২, পৃঃ ৩৭, মূল্য ১.০০ ক্ৰাউন আকাৰৰ।

## [খ] গল্প-উপন্যাস, জীৱনী

**মনোজ কুমাৰ শৰ্মা : দেৱী**

সামাজিক বিষয়-বস্তু লৈ লিখা সাতটি গল্পৰ সংকলন।

প্ৰকাশিকা, ইন্দিৰা দেৱী, লাচিত নগৰ, গুৱাহাটী-৭।

প্ৰথম প্ৰকাশ : ১৫ আগষ্ট ১৯৭১, পৃঃ ১০১, পকাবন্ধা, ডিমাই আকাৰৰ, মূল্য ৪.০০।

**ডিম্বেশ্বৰ বৰা : অধীৰ অপেক্ষা**

সামাজিক উপন্যাস।

প্ৰকাশক ৰত্নেশ্বৰ দত্ত, নিউ বুক ষ্টল, গুৱাহাটী-১;

প্ৰথম প্ৰকাশ : আগষ্ট ১৯৭২, পৃঃ ৭০, পকাবন্ধা,

ডিমাই আকাৰৰ, মূল্য ২·৫০।

**তৃপ্তিমোহন গোস্বামী : বাইদেউ**

দহোটা স্বৰচিত গল্পৰ সংকলন।

প্ৰকাশিকা শ্ৰীমনোৰমা দেৱী, ৰঞ্জত প্ৰকাশন, শাল-মাৰা, পোঃ ডুমুনীচকি, কামৰূপ ; প্ৰথম প্ৰকাশ ১৯৭০ চন, পৃঃ ৫০ ; মূল্য ১·৫০, ডিমাই আকাৰৰ।

**পৰাগ কুমাৰ ভট্টাচাৰ্য : দূষিত দেহৰ সুবাস**

আঠোটা স্বৰচিত গল্পৰ সংকলন। ছপা-বন্ধা সুন্দৰ।

প্ৰথম প্ৰকাশ ১৯৭২, প্ৰকাশক শ্ৰীঅতুল চন্দ্ৰ ভট্টাচাৰ্য, ভট্টাচাৰ্য্য ব্ৰাদ্ৰাৰ্চ, টিহু, কামৰূপ ; পৃঃ ৬৭, মূল্য ২·৫০ ; ডিমাই আকাৰৰ।

**ঈশ্বৰ চন্দ্ৰ বৰুৱা : অধ্যাপক বৰুৱাৰ গল্প**

দহোটা স্বৰচিত গল্পৰ সংকলন। সম্পাদন কৰি পাতনি লেখিছে অধ্যাপক শ্ৰীশশী শৰ্মাই। প্ৰথম প্ৰকাশ ১৯৭২, প্ৰকাশক শ্ৰীশশী শৰ্মা, সম্পাদক সাংস্কৃতিক সংগ্ৰহালয়, ৰাজেন্দ্ৰ চৌধুৰী ভৱন, নলবাৰী অসম, পৃঃ ১১৪, মূল্য ৩·০০, ক্ৰাউন আকাৰৰ।

**নৰেন্দ্ৰ নাথ বৰা : বন ফৰিঙৰ মন**

মনোবিশ্লেষণমূলক সামাজিক উপন্যাস।

প্ৰথম প্ৰকাশ : ১৯৭১, প্ৰকাশক বৰা এণ্ড ভূঞা প্ৰকাশন, পূব আমোলাপট্টি, নগাঁও, পৃঃ ১০৬, মূল্য ৩·৫০, ডিমাই আকাৰৰ, পকাবন্ধা।

**এম, ইলিম উদ্দিন দেৱান : খোচ গল্প**

দহোটি খেমেলীয়া গল্প।

প্ৰথম প্ৰকাশ ১৯৭৩, প্ৰকাশক মঃ নাজিম উদ্দিন দেৱান, দেৱান বুক ষ্টল ; বৰপেটা, অসম ; পৃঃ ৫৬, মূল্য ২·০০, ডিমাই আকাৰৰ।

**মহীধৰ ঠাকুৰীয়া : প্ৰতিশোধৰ বেদনা**

সামাজিক উপন্যাস।

প্ৰথম প্ৰকাশ, ১৯৭২, প্ৰকাশক মহীধৰ ঠাকুৰীয়া। ডিক্ৰু, মিকিৰ পাহাৰ. পৃঃ ৯৪, ডিমাই আকাৰৰ, সুন্দৰ পকাবন্ধা, মূল্য ৩·৫০

**দিলীপ কুমাৰ শৰ্মা : নিয়তিৰ পৰিহাস**

সামাজিক উপন্যাস।

প্ৰথম প্ৰকাশ ১৯৭১, প্ৰকাশক গিৰীন্দ্ৰ কুমাৰ দেৱ, কামাখ্যা বুক ষ্টল, গুৱাহাটী-১ পৃঃ ৮১, পকাপন্ধা, ডিমাই আকাৰৰ।

**জয়কান্ত নাথ : চিতাজুই**

সামাজিক উপন্যাস।

প্ৰথম প্ৰকাশ ১৯৬৭, প্ৰকাশক জয়কান্ত নাথ, নগাঁও, পৃষ্ঠা ৪৯, মূল্য ১ টকা, ক্ৰাউন আকাৰৰ।

**ওম ইলিম উদ্দিন দেৱান : হাৰুণ মাষ্টৰৰ হিয়াৰ বেদনা**

হাৰুণ মাষ্টাৰৰ হিয়াৰ বেদনা এখনি সামাজিক উপন্যাস। প্ৰথম প্ৰকাশ ১৯৭৩, প্ৰকাশক : দেৱান বুকষ্টল, বৰপেটা ; পৃষ্ঠা ৫২, দাম দুটকা, ক্ৰাউন আকাৰৰ।

## [গ] প্ৰবন্ধ-আলোচনা

**দুৰ্গেশ্বৰ শৰ্মা : প্ৰবন্ধ শিতান**

পূৰ্বে বিভিন্ন আলোচনীত প্ৰকাশিত অসমীয়া সাহিত্য বিষয়ক পোন্ধৰটি প্ৰবন্ধৰ সংগ্ৰহ। ছপা বন্ধা চকুত লগা হৈছে।

প্ৰকাশক : শ্ৰীমুনীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা, দত্তবৰুৱা এণ্ড কোম্পানী, পানবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ ১৯৭৩, পৃঃ ১০০, মূল্য ৩·০০।

**নগেন চৌধুৰী : পূৰ্ব বাংলাৰ বিদ্ৰোহ**

বাংলাদেশৰ ওপৰত চলা অমানৱীয় অত্যাচাৰৰ পটভূমিত ৰচিত এখন ৰাজনৈতিক বুৰঞ্জীমূলক গ্ৰন্থ ( প্ৰথম পৰ্ব )।

প্ৰথম প্ৰকাশ, জুন ১৯৭২ ; প্ৰকাশক বিনোদ নাথ, বুকলেণ্ড, গুৱাহাটী-১, পৃঃ ৮০+১০, পকাবন্ধা, সচিত্ৰ, মূল্য ৫·৫০।



**কেশদা মহন্ত ( সম্পাদিত ) : বৈকুণ্ঠনাথৰ লহৰি**

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ 'ভক্তি ৰত্নাকৰ'ত উল্লিখিত গ্ৰন্থ, ৺উদিতৰাম দেৱকৃত ঘোষানুবাদ আৰু সংস্কৃত-অসমীয়া টীকা টিপ্পনী সহ সম্পাদিত।

প্ৰথম প্ৰকাশ ১৯৭১, প্ৰকাশক ৰাপচন্দ্ৰ মহন্ত, কেশদা মহন্ত ; গোহাঁই টেকেলা গাওঁ, যোৰহাট-২, পৃঃ ক+৩১+৫৭, ডিমাই আকাৰৰ, মূল্য ৩·০০।

**অধ্যাপক গোবিন্দ মোহন ডেকা (সংগৃহীত-সম্পাদিত) : সোণশিৰি সেৱা-সমিতিৰ ইতিবৃত্ত**

১৯৬৭ চনত উত্তৰ লক্ষীমপুৰত স্থাপিত হোৱা জন কল্যাণমূলক সেৱা সমিতিৰ ইতিহাস।

প্ৰথম প্ৰকাশ, ১৯৭১ ; প্ৰকাশক : শ্ৰীমহানন্দ বৰা, সম্পাদক, সোৱণশিৰি সেৱা সমিতি, উত্তৰ লক্ষীমপুৰ, পৃঃ ৭২, সচিত্ৰ, ডিমাই আকাৰৰ।

**হীৰেণ ভট্টাচাৰ্য সম্পাদনা : আমাৰ মাজৰ ব্ৰজেন বৰুৱা**

শিল্পী অভিনেতা ব্ৰজেন বৰুৱাৰ মৃত্যুত কেইজন মান লব্ধপ্ৰতিষ্ঠ লিখকৰ ৰচনা সংকলন। সংকলনটি সম্পাদনা কৰিছে হীৰেণ ভট্টাচাৰ্যই। পুথিখনিৰ ছপা বন্ধা চকুৰ লগা।

প্ৰথম প্ৰকাশ : জুন ১৯৭৩, প্ৰকাশক : লয়াৰ্চ বুক ষ্টল, পৃঃ ৫৪, দাম তিনি টকা। ডিমাই আকাৰ।

**নলিনী চক্ৰৱৰ্তী : এমুঠি জোনাক**

কথা সাহিত্যিক নলিনী চক্ৰৱৰ্তীৰ 'এমুঠি জোনাক' বাৰটি বাস্তৱ কাহিনীৰ ওপৰত ভেটি কৰি ৰচনা কৰা চুটি গল্প।

প্ৰথম প্ৰকাশ, নৱেম্বৰ, ১৯৭৩ : প্ৰকাশক অমৃত প্ৰকাশনি, নলবাৰী ; পৃঃ ৫৫, দাম তিনি টকা, ডিমাই আকাৰৰ।

**বিপ্লৱী :**

মুকলি মঞ্চৰ জনপ্ৰিয় অভিনেতা ব্ৰজনাথ শৰ্মাৰ বিয়াল্লিছৰ বিপ্লৱৰ কাহিনীৰ আধাৰত ৰচনা কৰা আত্মজীৱনী। অভিনেতা শৰ্মা ডাঙৰীয়াই বিয়াল্লিছৰ আন্দোলনত সৰভোগৰ ( বৰ নগৰ ) বিমান ঘাটি, পুলিচ থানা আদি ভস্মীভূত কৰা কাৰ্যৰ নেতৃত্ব গ্ৰহণ কৰিছিল। আৰু ইয়াৰ পিছত তেওঁ আত্ম গোপন কৰি পুলিচৰ চকুত ধূলি দি অসমৰ বিভিন্ন ঠাই আৰু বঙ্গদেশৰ কলিকতা নৱদ্বীপ আদি ঠাইত ঘূৰি ফুৰিছিল। তেওঁৰ এই বিপ্লৱী জীৱনৰ আত্মগোপন কৰি ফুৰা কাহিনীকে মনোৰম ভাষাত উপন্যাসৰ কাহিনীৰ দৰে বৰ্ণনা কৰিছে। প্ৰথম প্ৰকাশ : ডিচেম্বৰ ১৯৭৩, পৃঃ ১৬৮, দাম ৫·৫০, প্ৰকাশক শ্ৰীঅম্বিকা পদ চৌধুৰী, বাণী প্ৰকাশ, পাঠশালা।

**ঈশ্বৰ প্ৰসাদ চৌধুৰী : পটভূমি**

আৱাহন যুগৰ প্ৰথিতযশা কথা-সাহিত্যিক ঈশ্বৰ চন্দ্ৰ চৌধুৰীৰ পটভূমি আঠটি চুটি গল্পৰ সংকলন। শ্ৰীচৌধুৰীয়ে আৱাহনৰ পাতত চিত্ৰভানু ৰমাপতি 'শ্ৰী' নটৰাজ আদি অলেখ ছদ্মনামত ৰচনা আগ বঢ়াইছিল। পটভূমি তেওঁৰ বচা বচা গল্পৰ সংকলন।

প্ৰথম প্ৰকাশ : ১৯৭৩, প্ৰকাশক গ্ৰন্থকাৰ ; পৃঃ ১১৫, মূল্য ৪·০০ টকা, ডিমাই আকৰৰ।

## (ঘ) সম্পাদনা, সমালোচনা

**নবীন চন্দ্ৰ শৰ্মা সম্পাদিত : দৰঙ্গ ৰাজবংশাৱলী**

কবি বলদেৱ সূৰ্যখৰি দৈৱজ্ঞ বিৰচিত 'দৰঙ্গ' ৰাজবংশাৱলী পুথিখনি সুদীৰ্ঘ ২১ পৃষ্ঠাৰ পাতনি সহ অধ্যাপক শ্ৰীনবীন চন্দ্ৰ শৰ্মাই দ্বিতীয়বাৰ প্ৰকাশ কৰিছে। পুথিখনি প্ৰথমবাৰ প্ৰকাশ কৰিছিল ১৯১৭ খৃঃত পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে। প্ৰাচীন অসমৰ চিত্ৰকলাৰ নিদৰ্শন সম্বলিত অভিৰুচিসম্মত বেটুপাতেৰে পুথিখনি ধুনীয়াকৈ প্ৰকাশ কৰিছে বাণী প্ৰকাশ, পাঠশালা, গুৱাহাটীৰ পৰা। প্ৰথম প্ৰকাশ, নৱেম্বৰ ১৯৭৩, পৃঃ ১৫৯, মূল্য সাত টকা, ডিমাই আকাৰৰ।

**ডক্টৰ কেশৱানন্দ দেৱ গোস্বামী : সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা**

সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা অধ্যাপক ডঃ কেশৱানন্দ দেৱ গোস্বামীয়ে অসমৰ সত্ৰ, সত্ৰসমূহৰ বিবিধ পৰ্ব-তিথি আচাৰ-নীতি, ভাওনা, বৰগীত, সত্ৰীয়া নাচ আদিৰ বিষয়ে ৰচনা কৰা এখনি তথ্য গধুৰ গ্ৰন্থ। গ্ৰন্থখনিত ভালেকেইখনি অঙ্কীয়া নাটৰ পাণ্ডুলিপিৰ কথা আৰু ভালেকেইখন সত্ৰৰ তালিকা লিপিবদ্ধ কৰিছে।

প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী ১৯৭৩, প্ৰকাশক বাণী প্ৰকাশ, পাঠশালা-গুৱাহাটী, পৃঃ ১২০, ডিমাই আকাৰৰ।

**ডক্টৰ মহেশ্বৰ নেওগ আৰু কেশৱ চাংকাকতী সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল**

সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল এখনি তথ্যগধুৰ ভাবে ৰচনা কৰা পুথি। পুথিখনিত ডক্টৰ নেওগে ইংৰাজী আৰু অসমীয়াত সত্ৰীয়া নৃত্য সম্পৰ্কে বহলভাবে আলোচনা কৰিছে। পুথিখনিৰ বিভিন্ন তাল আৰু বোললিপি অংশ ৰচনা কৰিছে কেশৱ চাংকাকতীয়ে। পুথিত বিভিন্ন নৃত্য-ভঙ্গিমাৰ চিত্ৰ সংযোগ কৰা হৈছে।

প্ৰথম প্ৰকাশ আগষ্ট ১৯৭৩; প্ৰকাশক, প্ৰকাশন পৰিষদ; পৃষ্ঠা ৪৭৪; দাম ৩০'০০, ৰয়েল অক্টেভ চাইজ।

**ডক্টৰ মহেশ্বৰ নেওগ : সত্ৰীয়া নৃত্য**

অসমৰ বিভিন্ন নৃত্য, ওজাপালি নৃত্য, ঢ্ৰুপদী নৃত্যৰ ঐতিহ্য সম্পৰ্কে ৰচনা কৰা গ্ৰন্থ। পুথিখনিত বিভিন্ন নৃত্য ভঙ্গিমাৰ চিত্ৰ সংযোগ কৰা হৈছে।

প্ৰথম প্ৰকাশ আগষ্ট ১৯৭৩, প্ৰকাশক, প্ৰকাশন পৰিষদ, দাম ৯'০০; ৰয়েল অক্টেভ চাইজ।

**ডক্টৰ মহেশ্বৰ নেওগ : প্ৰাচ্য শাসনাৱলী**

১১২৭ শকৰ কানাই বৰশী বোৱা শিলৰ পৰা ১৭৭০ শকৰ ভূমি ক্ৰয়-বিক্ৰয়ৰ শিলৰ ফলিলৈকে শিলালিপি, তামৰ ফলি, শিলৰ ফলিৰ পাঠ আৰু অৰ্থ সহ পুথি সংকলন আৰু সম্পাদনা কৰা হৈছে। ডক্টৰ নেওগে দীঘলীয়া ভূমিকাত সকলো ঐতিহাসিক তথ্যৰ কথা পৰ্যালোচনা কৰিছে। ভূমিকাখনি অসমীয়াৰ উপৰিও ইংৰাজীত ৰচনা কৰা বাবে অনা অসমীয়া পাঠকৰ কাৰণেও উপযোগী হৈছে। পুথিখনিত ভালে কেইখন শিলালিপি আৰু ফলিৰ চিত্ৰ-ফলক ছপা কৰা হৈছে।

প্ৰথম প্ৰকাশ ডিচেম্বৰ ১৯৭৩; প্ৰকাশক, প্ৰকাশন পৰিষদ; দাম, ২৫ টকা, পৃষ্ঠা ২২৫+৩০৬ ৰয়েল অক্টেভ চাইজ।

**ৰামচন্দ্ৰ চুতীয়া : সাহিত্য অনুশীলন**

প্ৰধানকৈ সাহিত্য বিষয়ক ১৪ টা সমালোচনামূলক প্ৰবন্ধৰ সংকলন। প্ৰথম প্ৰকাশ ১৯৭৩, প্ৰকাশক খগেশ্বৰ খনিকৰ, উত্তৰ লক্ষীমপুৰ, পৃঃ ৯২, মূল্য ৩'৫০, ডিমাই আকাৰৰ, পকাবন্ধা।

**পৰীক্ষিত হাজৰিকা : চৰ্য্যাপদ**

'চৰ্যাপদ' অধ্যাপক পৰীক্ষিত হাজৰিকাৰ নটি অধ্যায়ত ৰচনা কৰা পুথি। পুথিখনত চৰ্যাপদৰ গুৰি কথা, ধৰ্মতত্ত্ব, ছন্দ, হাস্যৰস, মূল পাঠ, কাব্যিক বিচাৰ আদি বিভিন্ন দিশতনত আলোচনা কৰিছে। পুথিখনিৰ পাতনি লিখিছে ডক্টৰ যোগীৰাজ বসুৱে।

প্ৰথম প্ৰকাশ ১৯৭৩, প্ৰকাশক লয়াৰ্চ বুক ষ্টল, পৃঃ ২৪১, দাম সাত টকা, ডিমাই আকাৰৰ।

**ডক্টৰ পবিত্ৰ কুমাৰ শৰ্মা : মানৱ সেৱাত বিজ্ঞান**

অধ্যাপক শৰ্মাৰ 'মানৱ সেৱাত বিজ্ঞান' পুথিত মানৱ সেৱাত বিজ্ঞানৰ কেইটিমান দিশৰ কথা চমুকৈ আলোচনা কৰা হৈছে।

প্ৰথম প্ৰকাশ ১৯৭৩, প্ৰকাশক লয়াৰ্চ বুক ষ্টল; পৃষ্ঠা ৭৩, দাম ১'৭৫, ডিমাই আকাৰৰ।



**গিৰিশ বৰুৱা : ভাৰতীয় ন্যায়-শাস্ত্ৰ**

ভাৰতীয় ন্যায়-শাস্ত্ৰ সম্পৰ্কীয় পুথি।

প্ৰথম প্ৰকাশ জুলাই ১৯৭৩, প্ৰকাশক লয়াৰ্চ বুক ষ্টল, পৃষ্ঠা ১৩৬, দাম সাত টকা, ডিমাই, আকাৰৰ।

**বেণুধৰ ডেকা : কথাৰে বেদান্ত**

কথাৰে বেদান্ত বিভিন্ন উপনিষদৰ আধাৰত এঁকেশটা আখ্যানেৰে ৰচনা কৰা পুথি।

প্ৰথম প্ৰকাশ, ১৯৭৪, প্ৰকাশক যোগেশ ডেকা, দীপেন শৰ্মা।

পৃষ্ঠা ৭৮, মূল্য চাৰিটকা, ডিমাই আকাৰৰ।

**গোকুল চন্দ্ৰ বৰুৱা (অনুবাদক) : সনাতনধৰ্ম**

স্বামী ভাৰতী কৃষ্ণ তীৰ্থই ইংৰাজীত ৰচনা কৰা 'সনাতন ধৰ্ম'ৰ অসমীয়া অনুবাদ।

প্ৰথম প্ৰকাশ ১৯৭৩, প্ৰকাশক শ্ৰীঅপূৰ্ব কুমাৰ বৰপূজাৰী, নাজিৰা আৰু শ্ৰীদুৰ্গাধৰ বৰুৱা, শিৱসাগৰ; পৃঃ ১৯২, ডিমাই আকাৰৰ, মূল্য ২'০০ টকা।

**ভৃগুমুনি কাগয়ুং : মিচিং সংস্কৃতিৰ আলেখ্য**

মিচিং সংস্কৃতিৰ আলেখ্য ভৃগুমুনি কাগয়ুং সম্পাদিত দুই খণ্ডত সংকলিত এখনি মূল্যবান পুথি। সাংস্কৃতিক জীৱন, অনুষ্ঠান আৰু উৎসৱ, লোক-সাহিত্য, সামাজিক পদ্ধতি, বিবাহ-পদ্ধতি, নৃত্যবাদ্য, শিল্প, ঘৰবাৰী, বিশ্বাস আৰু ধৰ্ম আৰু মিচিং ভাষা ইত্যাদি বিভিন্ন বিষয়ত কেবাগৰাকী বিজ্ঞলোকৰ দ্বাৰা প্ৰবন্ধসমূহ ৰচনা কৰা হৈছে। প্ৰথম খণ্ড প্ৰকাশ ১৯৭০, দ্বিতীয় খণ্ড প্ৰকাশ ১৯৭২। প্ৰকাশক ভৃগুমুনি কাগয়ুং, গোপীনাথ নগৰ গুৱাহাটী-১৬, পৃঃ ৩৫৬, দাম ৮ টকা। ডিমাই আকাৰ।

**শ্ৰীপদ্মপাটৰ সম্পাদিত : ৰিং ছাং (প্ৰতিধ্বনি)**

সদৌ অসম টিৱা (লালুং) যুৱ ছাত্ৰ সন্মিলনৰ মুখপত্ৰ ৰিং ছাং (১ম সংখ্যা, ফাগুন ১৮৯৪ শক) লালুংসকলৰ সমাজ আৰু সংস্কৃতিৰ ওপৰত লিখা একুৰিৰো ওপৰ প্ৰবন্ধৰ এটি সংগ্ৰহ। সংগ্ৰহটিত সন্নিবিষ্ট ফটোকেইখনিয়ে মুখপত্ৰখনিৰ মূল্য বঢ়াইছে।

প্ৰথম প্ৰকাশ ১৮৯৪ শক, প্ৰকাশক পদ্ম পাটৰ, পৃঃ ৯৩৬, মূল্য ২'০০ টকা।

**ডক্টৰ সৰ্বেশ্বৰ ৰাজগুৰু : ইতিহাসৰ পাতমেলি**

(১ম খণ্ড)

অসমৰ সমাজ আৰু সংস্কৃতিৰ ওপৰত লেখা কেইটিমান স্বৰচিত প্ৰবন্ধৰ সংকলন। শব্দ সূচীয়ে পুথিখনৰ মূল্য বঢ়াইছে।

প্ৰথম প্ৰকাশ ১৯৭২, প্ৰকাশিকা শ্ৰীচাৰু প্ৰভা ৰাজগুৰু, ষ্টেও ৰোড নগাওঁ, পৃঃ ১২৯+৯৬, ডিমাই আকাৰৰ পকা পদ্ধা, মূল্য ৭'০০ টকা।

**শ্ৰীমুকুন্দ শৰ্ম্মা : বিবাহ-বিচিত্ৰা**

বিভিন্ন জাতি-উপজাতিৰ বিবাহ প্ৰথা সম্পৰ্কে আলোচিত গ্ৰন্থ। প্ৰতিনিধিত্বমূলক চিত্ৰসমূহে পুথিখনৰ আকৰ্ষণ বঢ়াইছে।

প্ৰথম প্ৰকাশ ১৯৭৩; প্ৰকাশিকা শ্ৰীমতী মিনতি শৰ্মা, লাইটমথুৰা, ছিলং-৩, পৃঃ ২৫৪, ডিমাই আকাৰৰ, পকা বন্ধা, দাম ৭'৫০ টকা।

**ৰাপচন্দ্ৰ মহন্ত : ভাৰতীয় ধৰ্ম সাধনা**

বিভিন্ন যুগত ভাৰতীয় ধৰ্ম সাধনাৰ পৰিসৰ সম্পৰ্কে আলোচিত গ্ৰন্থ।

প্ৰথম প্ৰকাশ ১৯৬৭, প্ৰকাশক লেখক আৰু শ্ৰীমতী কেশদা মহন্ত, মহন্ত প্ৰকাশন, গোহাই টেকেলা গাওঁ, যোৰহাট, পৃঃ ৩১+২৪৮+৬ ডিমাই আকাৰৰ পকাবন্ধা, দাম ৮'০০।

**শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱা : বিশ্বশান্তিৰ পথত ৰাষ্ট্ৰসংঘ**

ৰাষ্ট্ৰসংঘৰ ইতিবৃত্ত সম্পৰ্কীয় গ্ৰন্থ।

প্ৰথম প্ৰকাশ ১৯৭২, প্ৰকাশক শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱা, ডিগবৈ, অসম, পৃঃ ১৩৪+৪৮, ডিমাই আকাৰৰ পকাবন্ধা, দাম ৫'০০।

## (ঙ) আলোচনী-স্মৃতিগ্ৰন্থ

**শ্ৰীভবেশ্বৰ শইকীয়া** সম্পাদিত : **বস্তি** (৮ম সংখ্যা), অক্টোবৰ, ১৯৭৩

তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনৰ মুখপত্ৰ। বিভিন্ন লেখক-লেখিকাৰ গল্প, কবিতা, আলোচনাৰে সমৃদ্ধ। প্ৰকাশক, তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্থা; পৃ: ১২৮, মূল্য ২·০০, ডবল ক্ৰাউন আকাৰৰ।

**শ্ৰীনৰেন শৰ্মা** সম্পাদিত : **বিশ্ববিদ্যালয় আইন মহাবিদ্যালয় আলোচনী** ১৫ শ সংখ্যা, ১৯৭২-৭৩ চন।

অসমীয়া আৰু ইংৰাজী বিভাগত সন্নিবিষ্ট বিভিন্ন ৰচনাৰ সংগ্ৰহ; প্ৰকাশক, নৰেন শৰ্মা, গুৱাহাটী, বিশ্ববিদ্যালয় আইন মহাবিদ্যালয়, গুৱাহাটী, পৃ: ৮৪+১০২, ডবল ক্ৰাউন আকাৰৰ।

**ডক্টৰ চন্দ্ৰ শৰ্মা** সম্পাদিত : **বিজ্ঞান জেউতি**, ৮ম বছৰ, ৩য়, ৪ৰ্থ সংখ্যা, ৯ম বছৰ ১ম সংখ্যা।

বিজ্ঞান বিষয়ক বিভিন্ন প্ৰবন্ধৰ সংকলন। প্ৰবন্ধৰ মাজে মাজে থকা চিত্ৰসমূহে আলোচ্য বিষয়ক বোধগম্য কৰাত সহায় কৰিছে।

প্ৰকাশক : অসম বিজ্ঞান সমিতি, পানবজ়াৰ, গুৱাহাটী-১; প্ৰতি সংখ্যাৰ মূল্য ১·০০; পৃ: ক্ৰমে ১০৩ ৮৬, ৭৮; ডবল ক্ৰাউন আকাৰৰ।

**মুনীন্দ্ৰ নাথ শৰ্মা, ফুলকুমাৰী কলিতা, হৰেন দাস** সম্পাদিত : **বৰ্ণালি**

কামৰূপ সাহিত্য পৰিষদৰ বৰপেটা ৰোড (৫ম বাৰ্ষিক) অধিবেশনৰ অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ কৰা স্মৃতি গ্ৰন্থ। বিভিন্নজনে লিখা ৩৮টা কবিতা, প্ৰবন্ধ আদিৰ সংকলন। প্ৰথম প্ৰকাশ ১৯৭৪, পৃ: ১৭৬+ ঘ, ডিমাই আকাৰৰ।

**খগেন বায়ন** সম্পাদিত : **কামৰূপা**, ২য় সংকলন

কামৰূপ পৰিষদৰ মুখপত্ৰ কামৰূপাৰ ২য় সংকলনটিত ১২টি প্ৰবন্ধ সন্নিবিষ্ট হৈছে। প্ৰথম প্ৰকাশ, ১৯৭৪; প্ৰকাশক শ্ৰীৰমেশ চন্দ্ৰ কলিতা, প্ৰধান সম্পাদক, কামৰূপ পৰিষদ, পৃ: ৭৩; মূল্য ২·০০, ডিমাই আকাৰৰ।

---

সুৰুচিপূৰ্ণ বিভিন্ন বিষয়ক সামৰা মাহেকীয়া আলোচনী

**নতুন প্ৰৱাহ**

[ নিয়মীয়াকৈ ওলাই এতিয়া দ্বিতীয় বছৰ পাইছেহি ]

বছৰেকীয়া বৰঙণি—১২·০০ টকা : প্ৰতি সংখ্যা—১·০০ টকা

এবছৰৰ কমত গ্ৰাহক কৰা নহয়।

আপোনাৰ ওচৰৰ এজেণ্টৰ ওচৰত খবৰ কৰক

নতুবা

বাৰ টকা আগধন পঠিয়াই বছৰেকীয়া গ্ৰাহক হওক

'নতুন প্ৰৱাহ'ৰ বছৰেকীয়া গ্ৰাহক হোৱা মানেই আপুনি আৰু আপোনাৰ পৰিয়ালৰ দিনটোত এনেয়ে হোৱা অলাগতীয়াল খৰছৰ তিনি দশমিক তেত্ৰিশ পইচা সংকামত লগোৱা

যোগাযোগৰ ঠিকনা—

পৰিচালক : 'নতুন প্ৰৱাহ'

জয়া প্ৰেছ

অম্বাচলবোড, গুৱাহাটী-৩



# ৰাইজৰ চিঠি

## অসম সাহিত্য সভা পত্ৰিকা

সম্পাদক ডাঙৰীয়া,

প্ৰথমে মই অসমীয়া ভাষাত সাহিত্যৰ বিভিন্ন দিশৰ ওপৰত আলোচনা কৰা এখনি আলোচনী ওলোৱাত অসম সাহিত্য সভাৰ কৰ্ম-কৰ্তা সকলৈ ধন্যবাদ জনাইছোঁ। অসমীয়া ভাষাত এনে আলোচনী অতি প্ৰয়োজনীয়। মই আশা কৰোঁ, এই আলোচনীয়ে অসমৰ বিভিন্ন জাতি-গোষ্ঠীৰ ওপৰত সুন্দৰভাৱে আলোচনা কৰি সকলোকে একতাৰ দোলেৰে বান্ধি এটা সুস্থ-সবল অসমীয়া জাতি গঢ়ি তোলাত বিশেষ অৰিহণা যোগাব পাৰিব।

দেখা গ'ল যে যোৱা মাধ্যম আন্দোলনে অসমৰ সকলো জাতি-গোষ্ঠীক সন্তুষ্ট কৰিব পৰা নাই। মাধ্যম কি তাক বুজি নুঠাৰ বাবেই এনে হবলৈ পালে বুলি আমাৰ অনুমান হয়। সেয়েহে অসমৰ বিভিন্ন লিখক-লিখিকাসকলে মাধ্যমৰ ওপৰত খৰচি মাৰি আলোচনা কৰি তেওঁলোকক সকলো দিশ বুজাই দিবলৈ চেষ্টা ক'ৰাটো উচিত হ'ব। তেহে আমি অসমীয়া জনজাতি সকলকো আপোনাৰো-আপোন কৰি এখন সুন্দৰ অসম তথা সুন্দৰ অসমীয়া সমাজ গঢ়ি তুলিব পাৰিম।

শ্ৰীটংকেশ্বৰ গগৈ
ঢুলীয়াজান।

## 'হেই আনি মাহোনী গৰাউ'

শ্ৰদ্ধেয় সম্পাদক ডাঙৰীয়া,

'অসম সাহিত্য সভা পত্ৰিকা'ৰ শাওন মাহ (৪ৰ্থ সংখ্যা)ৰ সংখ্যাত প্ৰকাশিত শ্ৰীনগেন্দ্ৰ নাথ বৰুৱাৰ উপকণ্ঠ প্ৰবন্ধত ডিমাছা কিংবদন্তী এটাৰ কথা উল্লেখ কৰি এই বুলি লিখিছে—"সেই ঠাইৰ পৰা তেওঁলোক লুইতৰ পাৰে পাৰে নামনিলৈ ভটিয়াই আহিল। ইয়াৰ পাছত লুইতত এখন বেতৰ সাঁকো দি ভগৱানক প্ৰাৰ্থনা কৰিলে বোলে তেওঁলোক যাতে সুকলমে নদী পাৰ হৈ যাব পাৰে। ভগৱানে তেওঁলোকৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ কলে বোলে তেওঁলোক যাব পাৰিব। কিন্তু এটা কথা, সাঁকো পাৰ হওঁতে কোনেও পাছলৈ উলটি চাব নোৱাৰিব। এই কথাত সন্মত হৈ ৰজাক আগত লৈ তেওঁলোক আগবাঢ়িল। ৰজা আৰু কিছু সংখ্যক মানুহ পাৰ হোৱাৰ পিছত আনবোৰ মানুহ পাৰ হৈছেনে নাই জানিবলৈ তেওঁ উভতি চালে। তেওঁ চোৱাৰ লগে লগে সাঁকোখন খহি পৰিল। সেই কাৰণে কিছু সংখ্যক লোক উত্তৰ পাৰে ৰৈ গ'ল। তেওঁলোক হল বড়ো-কছাৰী। যি

পাৰ হৈ আহিল তেওঁলোক ডিমাছা। এয়ে ডিমাছা কিংবদন্তী।"


উজনিৰ বুৰঞ্জী প্ৰসিদ্ধ 'মৰান' সকলৰ সম্বন্ধেও তেওঁলোকৰ মাজত অনুৰূপ কিংবদন্তী এটা প্ৰচলিত থকা কথাৰ ভু পাওঁ। এই কিংবদন্তীটোৰ কথা উল্লেখ কৰি ১৯৬৮ চনত বুৰঞ্জীবিদ্ শ্ৰীবেনুধৰ শৰ্মাৰ সভাপতিত্বত তিনিচুকীয়াত বহা 'সদৌ অসম মটক অভিবৰ্তন'ৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণত শ্ৰীভুবন চুতীয়াই এইবুলি লিখিছে—"'বিদৰ্ভৰাজ ভীষ্মক তৎপুত্ৰী ৰুক্মিণী জগত বৰেণ্য দ্বাৰকাৰ শ্ৰীকৃষ্ণৰ পত্নী। ব্ৰাহ্মণ-দূত বেদনিধিৰ হাতে পত্ৰ পাই দ্বাৰকেশ্বৰ দৌৰি আহিছিল বিবাহৰ কাৰণে। ....এই বিবাহ সুকলমে হোৱা নাছিল। চেদীৰাজ, শিশুপাল (বৰ্তমান মিচিমি সকল)ক যুদ্ধত পৰাস্ত কৰিহে ৰুক্মিণীক হৰণ কৰিব পাৰিছিল। সেই যুঁজৰ আগতে কৃষ্ণ-ভক্ত সকলে আগে ভাগে গৈ দ্বাৰকেশ্বৰক লগ ধৰিলেগৈ। উপায় বিচাৰি ভগৱান কৃষ্ণৰ বিৰুদ্ধে অস্ত্ৰ ধৰিব তেখেত সকলে নোৱাৰে। আনহাতে অস্ত্ৰ নধৰিলেও যুৱৰাজ ৰুক্মীৰ কোপত পৰি ধ্বংস হব লাগিব। এই বাৰ্ত্তা পাই শ্ৰীকৃষ্ণই উপায় দিলে ৰাতিৰ ভিতৰতে ব্ৰহ্মপুত্ৰ পাৰ হৈ যাবলৈ। কিন্তু ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ীয়ে বহাগ মহীয়া ভৰা ব্ৰহ্মপুত্ৰ পাৰ হয় কেনেকৈ? তাৰো উপায় কি ভগৱানে কলে—"আগুৱাই যাবা পিছলৈ নাচাবা।" সঁচাকৈ সকলো যেতিয়া ব্ৰহ্মপুত্ৰৰ পাৰত গোট খালেগৈ দেখিলে এটা শৃগালে খোজ কাঢ়ি গৈ আছে ব্ৰহ্মপুত্ৰৰ ওপৰত; পানী মাত্ৰ তাৰ একাঠু। তাকে দেখি সকলোটি শৃগালৰ পিছ ললে। ব্ৰহ্মপুত্ৰ পাৰ হল প্ৰায়খিনি কৃষ্ণভক্ত। এনেতে এজনে ঘূৰি চালে; লগে লগে তেওঁৰ পিছৰ সকলোটি ব্ৰহ্মপুত্ৰত ভাহি গল। তাৰে কোনো নলত ধৰি উঠিল, কোনো দলত ধৰি উঠিল, কোনো গৈ মাজুলিত উঠিলগৈ। তাৰেই প্ৰমাণ স্বৰূপে মৰাণৰ ভিতৰত নলধৰা, দলধৰা, মাজুলি গঞা আদি খেল এতিয়াও বিদ্যমান। এই কৃষ্ণভক্ত চুতীয়া সকলেই হল মৰাণ...।"

এই কিংবদন্তী দুটাৰ কিবা যোগসূত্ৰ আছেনেকি? এই বিষয়ে কোনোবাই নতুনকৈ আলোকপাত কৰিলে বুৰঞ্জীয়ে চুকি নোপোৱা নিশ্চয় বহুতো কথাৰে অন্ত বিচাৰি পোৱাৰ আভাস পোৱা যাব। ইতি—

বিনীত—

শ্ৰীসুশীল কুমাৰ গগৈ,

থাজিবোৱা পানীতোলা।



॥ আমাৰ নিবেদন ॥

অসম সাহিত্য সভা পত্ৰিকাৰ ৩০শ বছৰৰ নৱম সংখ্যা সহৃদয় পাঠক-পাঠিকাৰ হাতত তুলি দিব পাৰি আনন্দ বোধ কৰিছো। আমাৰ কাৰ্যকালত সম্পাদিত সম্ভৱতঃ এইখন-ই শেষ সংখ্যা, কিয়নো অলপ কেইদিনমান পিছতেই মঙ্গলদৈত অসম সাহিত্য সভাৰ ৪১শ সন্মিলনত বৰ্তমানৰ কাৰ্যনিৰ্বাহক সমিতিয়ে পদত্যাগ কৰিব। সেইহে এই সংখ্যাতেই চলিত বছৰৰ পত্ৰিকা সম্বন্ধে এষাৰ কোৱা হ'ল।

অসম সাহিত্য সভাৰ যোৱা ৰঙিয়া সন্মিলনৰ মাননীয় সভাপতিয়ে অভিভাষণত সাহিত্য সভাৰ প্ৰকাশন সম্পৰ্কে যি বাৰদফীয়া আঁচনি দাঙি ধৰিছিল, সেই আঁচনি বিষয়-বাছনী সভাই বিপুল হৰ্ষধ্বনিৰে গ্ৰহণ কৰাত পৰৱৰ্তী কাৰ্যনিৰ্বাহকে সেই আঁচনিক সমৰ্থন জনাই সেই মৰ্মে অসম সাহিত্য সভা পত্ৰিকাখন মাহেকীয়াকৈ উলিওৱাৰ সিদ্ধান্ত লয়। ইয়াৰ পূৰ্বে পত্ৰিকাখনৰ বছৰেকত দুই, তিনি অথবা চাৰিটাকৈ সংখ্যা উলিওৱা হৈছিল। পত্ৰিকা সম্পৰ্কে এইদৰে সিদ্ধান্ত লোৱা হৈছিল যে সাহিত্য সভাৰ কাৰ্যপালিকাৰ বিৱৰণ পত্ৰিকাত প্ৰকাশ নকৰি অন্য প্ৰচাৰ পত্ৰিকাত প্ৰকাশ কৰা হ'ব আৰু পত্ৰিকাত উচ্চমানবিশিষ্ট জীৱনী, ভ্ৰমণ-কাহিনী, ভাষা-সাহিত্য, কলা-সংস্কৃতি, ইতিহাস, দৰ্শন, বিজ্ঞান আদি বিষয়ক প্ৰবন্ধ, গল্প আদি প্ৰকাশ কৰা হ'ব। সেই মৰ্মে পত্ৰিকাখন উলিয়াই অহা হৈছে।

আমি এটি কথালৈ দৃষ্টি ৰাখিছিলো যাতে পত্ৰিকাত অনা-অসমীয়া লিখকৰ অসমীয়া ৰচনা আৰু জনজাতীয় লোকে বা অন্যলোকে লিখা অসমৰ জনজাতীয় বিষয়ক প্ৰবন্ধ নিয়মীয়াকৈ প্ৰকাশ কৰিব পাৰি। তদুপৰি বিশ্ব-বিখ্যাত সাহিত্যিকৰ সাহিত্য-কৃতিৰ আভাস, বিশ্ববিখ্যাত গল্পৰ অনুবাদ, সাময়িক বিষয়ৰ আলোচনা, পোৰণি পুথিৰ চিনাকি, অসমীয়া গ্ৰন্থপঞ্জী, ৰাইজৰ চিঠি আদি শিতানৰ ব্যৱস্থা কৰা হৈছিল। তদুপৰি লিখকৰ কোনো নিৰ্দিষ্ট গোষ্ঠীৰ ভিতৰত আবদ্ধ নাথাকি সকলোকে সমানে সমাদৰ জনোৱা হৈছিল। তাৰ ফলত ভালেমান নতুন লিখকে হাতত কাপ তুলি লৈছিল। তেওঁলোকৰ কোনো কোনোৰ উজ্জ্বলতৰ ভৱিষ্যত আশা কৰিব পাৰি। হাতৰ পৰা বহুতদিন কাপ নমাই থোৱা জনচেৰেক প্ৰবীণ আৰু চিন্তাশীল ব্যক্তিয়েও সেই সকলৰ পুৰঠ প্ৰবন্ধ-পাতিৰে আমাক সহায় কৰিছিল। প্ৰবন্ধৰ অভাৱ হব বুলি আমাৰ পোনতে বৰ চিন্তা হৈছিল; কিন্তু সহৃদয় লিখক-লিখিকাৰ সহযোগত আমি কোনো দিনেই তেনে চিন্তাত পৰিব নালাগিল; বৰং ভালেমান প্ৰবন্ধ ঠাইৰ অভাৱতহে প্ৰকাশ কৰাটো সম্ভৱ ন'হল। ইয়াৰ বাবে লেখক-লেখিকাসকলক আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু যিসকল লেখক-লেখিকাৰ মনোনীত প্ৰবন্ধ ঠাইৰ অভাৱত প্ৰকাশ কৰিব নোৱাৰিলোঁ, তেখেত সকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। এই কথাও অকপটে স্বীকাৰ নকৰি নোৱাৰো যে সম্পাদন-কাৰ্যত

সৰ্বোতোভাবে মনোযোগ দিব লগীয়া হোৱাত পত্ৰিকাৰ প্ৰচাৰ, গ্ৰাহক-ভৰ্তি আদি বিষয়ত আমি দৃষ্টি ৰাখিব পৰা নাছিলো; অৱশ্যে এইটো আমাৰ কৰ্তব্যৰ ভিতৰতো পৰা নাছিল। এই সম্পৰ্কত অৰ্থাৎ পত্ৰিকা-প্ৰচাৰৰ বিষয়ত মূল কাৰ্যালয়ৰ লগতে শাখা-সভাবিলাকৰো কৰ্তব্য আৰু গধুৰ দায়িত্ব আছে। কিয়নো শাখা সভাসমূহৰ কাৰ্যকাৰিতা আৰু সমৃদ্ধিৰ ওপৰতেই সাহিত্য সভাৰ শক্তি আৰু ঐশ্বৰ্য নিৰ্ভৰ কৰিছে। সুখৰ বিষয় যে ভালেমান শাখা সভাই পত্ৰিকাৰ ভি. পি. ঘূৰোটাই পঠিয়াইছে। তদুপৰি বহুত গ্ৰাহকৰ পৰা পত্ৰিকাৰ বৰঙণি নিয়মীয়াকৈ নোপোৱা কাৰণে পত্ৰিকা প্ৰকাশত অসুবিধা হৈছে। আমি আশা কৰোঁ শাখা সভাসমূহ অধিক সক্ৰিয় হৈ সভাৰ সমৃদ্ধিত সহায় কৰিব আৰু পত্ৰিকাকো মৰমৰ চকুৰে চাই পত্ৰিকাৰ প্ৰচাৰৰ যোগেৰে নিজ নিজ অঞ্চলত সাহিত্য চৰ্চাত আৰু পাঠক শ্ৰেণী গঢ়ি তোলাত সহায় কৰিব।

পত্ৰিকা প্ৰকাশৰ ক্ষেত্ৰত সম্পাদনা সমিতি, বিশেষকৈ অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, সভাপতি অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মা, অধ্যাপক শ্ৰীৰজনীকান্ত দেৱশৰ্মা আৰু শ্ৰীযতীন গোস্বামীৰ পৰা অকুণ্ঠ সহায় পাইছো। আটাইকেইজনকে মোৰ আন্তৰিক শলাগ জনাইছো।

পূৰ্বদেশ মুদ্ৰণেও ব্যক্তিগত অসুবিধালৈ আওকাণ কৰি পত্ৰিকাখন নিয়মীয়াকৈ ছপাই উলিয়াই দিছে। সেই কাৰণে পূৰ্বদেশ মুদ্ৰণৰ কৰ্মকৰ্তা আৰু সহযোগী সকললৈকো ধন্যবাদ জ্ঞাপন কৰিলোঁ।

পত্ৰিকাখন নিয়মীয়াকৈ উলিয়াবলৈ সম্পাদনা সমিতি আৰু প্ৰেছে যথেষ্ট চেষ্টা কৰা সত্বেও কাগজৰ দুষ্প্ৰাপ্যতাৰ কাৰণে ষষ্ঠ সংখ্যাৰ পিছত সময়মতে কিছুদিন পত্ৰিকা উলিয়াব পৰা হোৱা নাছিল। ফলত ৭ম, ৮ম আৰু ৯ম এই তিনি সংখ্যা কম দিনৰ ভিতৰতে উলিয়াব লগা হ'ল আৰু কাগজৰ মূল্য বৃদ্ধি হোৱা বাবে পত্ৰিকাৰ আকাৰো অনিচ্ছাৰে কিছু সৰু কৰিব লগা হ'ল। ইয়াৰ বাবে পঢ়ুৱৈ সমাজৰ ওচৰত ক্ষমা বিচাৰিছো।

আমাৰ ব্যক্তিগত অসুবিধাৰ কথা বাদ দি হলেও পত্ৰিকাখন যাতে উপযুক্ত মানৰ কৰি তুলিব পাৰি তাৰ কাৰণে যত্নৰ ত্ৰুটি কৰা নাই; যদিও এইটো ঠিক যে "পথীসৱ উৰয় নিজ পাখা অনুসাৰে।" গতিকে পত্ৰিকাৰ সফলতা-বিফলতাৰ বিচাৰ সহৃদয় পাঠক সমাজলৈ এৰা হল।

জয়তু অসম সাহিত্য সভা! জয়তু অসম সাহিত্য সভা পত্ৰিকা ‼

# অসম সাহিত্য সভাৰ প্ৰকাশনসমূহ

| | নাম | মূল্য |
|---|---|---|
| ১। | বিংশ শতাব্দীৰ অসমীয়া সাহিত্য | ৮'০০ |
| ২। | মফিজুদ্দিন আহমদ হাজৰিকাৰ ৰচনাৱলী | ৫'০০ |
| ৩। | অৰুনোদইৰ ধল ফাট | ২'৫০ |
| ৪। | আনন্দৰাম ঢেকিয়ালফুকনৰ অসমীয়া ভাষা | ১'০০ |
| ৫। | ৰজনী বৰদলৈ ৰচনামালা | ৮'০০ |
| ৬। | বেজবৰুৱাৰ 'প্ৰবন্ধ বাছনি' | ৭'০০ |
| ৭। | বেজবৰুৱাৰ Religion of Love and Devotion | ৩'০০ |
| ৮। | বেজবৰুৱাৰ পত্ৰলেখা | ৭'০০ |
| ৯। | বেজবৰুৱাৰ দিনলেখা | ৮'০০ |
| ১০। | বেজবৰুৱাৰ চিত্ৰলেখা | ৬'০০ |
| ১১। | বেজবৰুৱাৰ বাণী | '৫০ |
| ১২। | প্ৰমথনাথ চক্ৰবৰ্তী | ১'০০ |
| ১৩। | বিশ্বনাথ ৰাজবংশী | ১'০০ |
| ১৪। | ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪'০০ |
| ১৫। | নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪'০০ |
| ১৬। | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ৭'০০ |
| ১৭। | আমাৰ লক্ষ্মীনাথ (শিশু জীৱনী) | ১'৫০ |
| ১৮। | লক্ষ্মীনাথ বেজবৰুৱা (হিন্দী) | '৫০ |
| ১৯। | সাহিত্যৰথী বেজবৰুৱা (ইংৰাজী) | '৫০ |
| ২০। | বেজবৰুৱা প্ৰতিভা | ৫'০০ |
| ২১। | চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিভা | ৬'০০ |
| ২২। | ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৫'০০ |
| ২৩। | সীমান্তৰ সন্ধেদ | ৩'০০ |
| ২৪। | The Outlook on NEFA | ৪'০০ |
| ২৫। | Assamese Language Question | ১'০০ |
| ২৬। | চাহবাগিছাৰ অসমীয়া | ১'০০ |
| ২৭। | বিশাখদত্তৰ মুদ্ৰাৰাক্ষস | ৩'০০ |
| ২৮। | ৰাজশেখৰৰ কৰ্পূৰমঞ্জৰী | ৩'০০ |
| ২৯। | কনকলাল বৰুৱা ৰচনাৱলী | ১০'০০ |
| ৩০। | কনকলাল বৰুৱাৰ Study in the Early History of Assam | ২০'০০ |
| ৩১। | বিশ্বনাথৰ সাহিত্য দৰ্পণ | ১২'০০ |
| ৩২। | শূদ্ৰকৰ মৃচ্ছকটিকা | ৫'০০ |
| ৩৩। | আচামিজ ফৰ অল (স্বয়ং শিক্ষক) | ২'০০ |
| ৩৪। | আপকি অসমীয়া (স্বয়ং শিক্ষক) | ২'০০ |

| | নাম | মূল্য |
|---|---|---|
| ৩৫। | আনটাঙ্গাৰী অচমীয়াক' কিয়ানী | ২'০০ |
| ৩৬। | অচমীয়া লা-বাবো-লেন্ অচমীয়া হিকাই-হি (স্বয়ং শিক্ষক) | ৩'০০ |
| ৩৭। | নীলাচল পাঠ (আও নগা ভাষা শিক্ষা) | ১'০০ |
| ৩৮। | অসমৰ জনজাতীয় সাধু | ৬'০০ |
| ৩৯। | অসম সাহিত্য সভাৰ ভাষণাৱলী (৩য় ভাগ) | ৭'০০ |
| ৪০। | অসম সাহিত্য সভা বাৰ্ষিকী ২৯শ গোৱালপাৰা সন্মিলন | ৩'০০ |
| ৪১। | অসম সাহিত্য সভা বাৰ্ষিকী ৩০শ নাজিৰা সন্মিলন | ৩'০০ |
| ৪২। | অসম সাহিত্য সভা বাৰ্ষিকী ৩১শ ডিগবৈ সন্মিলন | ৩'০০ |
| ৪৩। | অসম সাহিত্য সভা বাৰ্ষিকী ৩২শ নলবাৰী সন্মিলন | ৩'০০ |
| ৪৪। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৩শ উত্তৰলক্ষীমপুৰ সন্মিলন | ৩'০০ |
| ৪৫। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৪শ ডিব্ৰুগড় সন্মিলন | ৩'০০ |
| ৪৬। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৫শ তেজপুৰ সন্মিলন | ৩৩'০ |
| ৪৭। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৬শ বৰপেটা সন্মিলন | ৩'০০ |
| ৪৮। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৭শ ধিং সন্মিলন | ৩'০০ |
| ৪৯। | অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ | ১'০০ |
| ৫০। | অসম সাহিত্য সভা পৰিচিত | ১'০০ |
| ৫১। | হেমচন্দ্ৰ গোস্বামী সম্পাদিত কথা-গীতা | ৩'৫০ |
| ৫২। | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২'০০ |
| ৫৩। | পবিত্ৰ অসম | ১৫'০০ |
| ৫৪। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৮শ মাকুম সন্মিলন | ৩'০০ |
| ৫৫। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৯শ ধুবৰী সন্মিলন | ৩'০০ |
| ৫৬। | হেম গোস্বামীৰ জীৱনী | ৬'০০ |
| ৫৭। | " " ৰচনাৱলী | ২০'০০ |
| ৫৮। | গোহাঞি বৰুৱা প্ৰতিভা | ১০'০০ |
| ৫৯। | সাহিত্য সমীক্ষা | ৬'০০ |

প্ৰাপ্তিস্থান: ১। **অসম সাহিত্য সভাৰ ঘাই কাৰ্যালয়** চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১। ২। **অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়** ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১।

# অসম সাহিত্য সভাৰ নতুন প্ৰকাশন

১। **অসমীয়া জাতিৰ ইতিবৃত্ত :** অসম সাহিত্য সভাৰ সভাপতি অধ্যক্ষ **শ্ৰীগিৰিধৰ শৰ্মাৰ** আগকথাৰে সৈতে।
এই গ্ৰন্থত আদিম যুগৰ পৰা দ্বাদশ শতিকালৈ বিস্তৃত পুৰণি কামৰূপ-অসমৰ ভৌগোলিক অৱস্থান, ৰাজনৈতিক ভূগোল, জনগোষ্ঠীত প্ৰজাতীয় উপাদান, সমাজ-ব্যৱস্থা, অৰ্থনৈতিক অৱস্থা, ভাষা আৰু সাহিত্য, ৰাজনৈতিক ব্যৱস্থা, ধৰ্ম আৰু দৰ্শন, শিক্ষা, সুকুমাৰ কলা আদিৰ বিষয়ে কেইবাজনো পণ্ডিতে লিখা গৱেষণামূলক প্ৰবন্ধৰ সংকলন। অসমীয়া ভাষাত এনে বিষয়ৰ এইখনেই প্ৰথম গ্ৰন্থ। মূল্য ১০·০০ টকা।

২। **অসম সাহিত্য সভাৰ ভাষণাৱলী : ( চতুৰ্থ ভাগ )** অধ্যাপক **শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ** দ্বাৰা সংকলিত আৰু সম্পাদিত।
এই গ্ৰন্থত অসম সাহিত্য সভাৰ ষড়বিংশ সন্মিলনৰ পৰা উনচত্বাৰিংশ সন্মিলনলৈকে পৌৰোহিত্য কৰা অসম সাহিত্য সভাৰ সভাপতিসকলৰ ( পদ্মধৰ চলিহাৰ পৰা শ্ৰীহেম বৰুৱালৈকে ) অভিভাষণবোৰ সন্নিবিষ্ট কৰা হৈছে। লগতে সভাপতিসকলৰ চমু চিনাকিও দিয়া হৈছে। মূল্য—২০·০০ টকা।

৩। **ৰাভা জনজাতি : শ্ৰীৰাজেন ৰাভা**
এইখনক এখন গৱেষণামূলক গ্ৰন্থই বুলিব পাৰি। ইয়াত লিখকে ৰাভাসকলৰ ইতিবৃত্ত, ঘৰুৱা জীৱন, সামাজিক ৰীতি-নীতি, ধৰ্ম, লৌকিক গীত আৰু ভাষাৰ স্বৰূপ সম্পৰ্কে থৰচি আলোচনা কৰিছে। মূল্য—৭·০০ টকা।

৪। **ছেমুৱেল জনছনৰ জীৱনী :** অধ্যাপক **শ্ৰীৰায়হান শাহ** অনূদিত। জেমচ্‌ বছৱেলৰ বিশ্ববিখ্যাত গ্ৰন্থ Life of Dr. Johnson-অৰ সটীক সংক্ষিপ্ত অনুবাদ। মূল্য—৫·০০ টকা।

৫। **নাটক : ড০ শৈলেন ভৰালী**
এই গ্ৰন্থত নাটকৰ জন্ম, সংজ্ঞা আৰু মূল উপাদান সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হৈছে। তদুপৰি সংস্কৃত আৰু অসমীয়া নাটক আৰু প্ৰাচীন ভাৰতত ৰঙ্গমঞ্চ আৰু অভিনয় সম্পৰ্কেও আলোচনা দাঙি ধৰা হৈছে। মূল্য—৩·০০ টকা।

৬। **প্লেটো :** অধ্যক্ষ **শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী**
বিশ্ববিখ্যাত দাৰ্শনিক প্লেটোৰ জীৱনী আৰু তেওঁৰ দাৰ্শনিক অভিমত সম্পৰ্কে আলোচিত গ্ৰন্থ। মূল্য- ৩·০০ টকা

৭। **ছক্ৰেটীছ : ড০ কালীচৰণ দাস**
এই গ্ৰন্থত প্লেটোৰ গুৰু বিশ্ববিখ্যাত গ্ৰীক দাৰ্শনিক ছক্ৰেটীছৰ জীৱনী আৰু তেওঁৰ দাৰ্শনিক মতবাদ সম্বন্ধে আলোচনা কৰা হৈছে। মূল্য—৩·০০ টকা।

৮। **জীৱনী : শ্ৰীগোবিন্দ প্ৰসাদ শৰ্মা**
প্ৰকৃত জীৱনী কেনেকৈ লিখিব লাগে এই সম্পৰ্কে বিতংভাৱে আলোচিত গ্ৰন্থ। এনে গ্ৰন্থ অসমীয়া ভাষাত এয়ে প্ৰথম ওলাইছে। মূল্য—৩·০০ টকা।

৯। **স্বপ্নবাসৱদত্তা : ড০ মুকুন্দমাধৱ শৰ্মা,** অনূদিত।
প্ৰাচীন ভাৰতীয় নাট্যকাৰ ভাসৰ মঞ্চোপযোগী সংস্কৃত নাটক ‘স্বপ্নবাসৱদত্তা’ৰ সাৱলীল অসমীয়া অনুবাদ। মূল্য—৩·০০ টকা।

১০ **গল্প সংগ্ৰহ : শ্ৰীছগনলাল জৈন,** সম্পাদিত।
কেইবাটিও বিখ্যাত হিন্দী গল্প সৰল অসমীয়ালৈ অনুবাদ কৰি এই গ্ৰন্থত সন্নিবিষ্ট কৰা হৈছে। মূল্য—৩·০০ টকা

**পোৱাৰ ঠাই : চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট : ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১**

সম্পাদক : হেমন্তকুমাৰ শৰ্মা।

মূল্য—দুই টকা